● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

মোক হাঁহিৰ খোৰাক যোগাব পৰাজনেই মোৰ আটাইতকৈ প্ৰিয়। মানুহৰ জীৱনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ সম্পদ হৈছে হাঁহি।

আড্ৰে হেপবাৰ্ণ
*ব্ৰিটিছ অভিনেত্ৰী*



www.dainikagradoot.in

৭ এবছৰলৈকে শৰীৰত থাকিব পাৰে কৰ'নাৰ প্ৰভাৱ
১৫ অল ইংলণ্ডৰ ফাইনেলত পৰাস্ত লক্ষ্য
৪ ৰাজ্যিক বাজেট ব্যৱস্থাপনা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৬২তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৭ চ'ত ১৪২৮ ভাস্কৰাব্দ ২২ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 22 March 2022 মূল্য ঃ ৯.০০ টকা

## সত্য প্ৰাপ্তিৰ চিন্তাত

■ সঞ্জীৱ সভাপণ্ডিত



১৯৭৪ৰ ডিচেম্বৰৰ এটা সন্ধিয়া। গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদ। বাংলা বিভাগৰ এজন অধ্যাপকে ইংৰাজী বিভাগৰ এজন অধ্যাপকৰ লগত কথা পাতি আছিল— আপোনালোকে যি শৰৎ চন্দ্ৰ সিংহক বৰ ভাল মানুহ বুলি আছে তেওঁ কিন্তু তলে তলে অসমৰ সৰ্বনাশ কৰি আছে। আপোনালোকে গমেই পোৱা নাই। গোটেই ৰাজ্যত বাংলাদেশী ভৰাই পেলাইছে। আপুনি চাই ১০ পৃষ্ঠাত চাওক

## পহিলা এপ্ৰিলৰ পৰা বিদ্যুতৰ মাচুল বৃদ্ধি ■ প্ৰতি ইউনিটত বাঢ়িব ৫৯ পইচা ■ প্ৰতি কিলোৱাটৰ ফিক্সড্ চাৰ্জত ১০-৫০ টকা, এনাৰ্জী চাৰ্জত ২৫-৫০ পইচালৈ বৃদ্ধি ■ ৫৪৬ কোটিৰ লোকচান

# কোম্পানীৰ লোকচানৰ বোজা গ্ৰাহকৰ মূৰত







**চাৰিশ কোটি ৰাজসাহায্য ■ ব্যৰ্থতা ঢাকিবলৈ অজুহাতৰ শেষ নাই**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ মাৰ্চ ঃ** শীঘ্ৰে মাধমাৰ পৰিব ৰাজ্যৰ বিদ্যুৎ উপভোক্তাৰ মূৰত। কিয়নো পহিলা এপ্ৰিলৰ পৰাই ৰাজ্যত পুনৰ বৃদ্ধি পাব বিদ্যুতৰ মাচুল। প্ৰতি ইউনিটত ৫৯ পইচাকৈ বৃদ্ধি পাব। এই ঘোষণা কৰিছে অসম বিদ্যুৎ নিয়ামক আয়োগৰ অধ্যক্ষ কুমাৰ সঞ্জয় কৃষ্ণই। আজি ইয়াত আয়োগৰ মুখ্য কাৰ্যালয়ত এক সংবাদমেলত তেওঁ কয়, 'ক'ভিডৰ পৰিপ্ৰেক্ষিতত ২০২০-২১ বৰ্ষত বিদ্যুৎ বিতৰণ কোম্পানীসমূহে যথেষ্ট লোকচানৰ সন্মুখীন হ'বলগীয়াত পৰে। ২০২০ৰ ছেপ্টেম্বৰৰ পৰা ২০২১ৰ ২০ মাৰ্চলৈ কাৰ্বি লাম্পি জলবিদ্যুৎ প্ৰকল্পৰ লগতে বিভিন্ন শক্তি প্ৰকল্প বন্ধ হৈ আছিল। ফলত আমি সস্তাত পোৱা বিদ্যুৎ অত্যধিক দামত ক্ৰয় কৰিবলগীয়া হয়। ইয়াৰ ফলত বৃহৎ লোকচানৰ সন্মুখীন হয় বিদ্যুৎ বিতৰণ কোম্পানীসমূহ। এপিডিচিএল-এ আমাক মুঠ ২,১৮৯.৭০ কোটি টকাৰ এক বৃহৎ কৰ লোকচান হোৱা বুলি ১০ পৃষ্ঠাত চাওক

■ জয় নিশ্চিতৰ দাবীৰে শাসক-বিৰোধীৰ ৰাজ্যসভাৰ তিনি প্ৰাৰ্থীৰ মনোনয়ন দাখিল ■ দলৰ বিৰুদ্ধে ভোটদান কৰিলে বিধায়ক পদ খাৰিজ কৰি নিৰ্দেশ দি থৈছে উচ্চতম ন্যায়ালয়ে ঃ কং

# বিবেক ভোট দিয়ক কংগ্ৰেছে ঃ মুখ্যমন্ত্ৰী

■ কংগ্ৰেছৰ সমষ্টিকেইটাৰ ওপৰত আমাৰ চকু আছে ঃ শৰ্মা ■ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে নিৰ্বাচন আয়োগক অভিযোগ দাখিল কংগ্ৰেছৰ ■ বিপথে পৰিচালিত কৰিছে বিধানসভাৰ অধ্যক্ষই

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ মাৰ্চ ঃ** অহা ৩১ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া অসমৰ ৰাজ্যসভাৰ দুখন আসনৰ বাবে আজি শাসক-বিৰোধীৰ তিনিজন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ৰিটাৰ্ণিং বিষয়াৰ ওচৰত শাসকীয় মিত্ৰদলৰ পৰা ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ পবিত্ৰ মাৰ্ঘেৰিটা আৰু ইউপিপিএলৰ ৰণগৌৰা নাৰ্জাৰীয়ে মনোনয়ন দাখিলৰ সময়ত যিদৰে মিত্ৰজোঁটে ঐক্যবদ্ধ শক্তি প্ৰদৰ্শনৰ চেষ্টা চলায়, একেদৰে ৰিপুন বৰাই মনোনয়ন দাখিলৰ সময়তো বিৰোধীয়ে নিজৰ একতা প্ৰদৰ্শন কৰে। এনে শক্তিৰ আধাৰতে প্ৰত্যেকে নিজৰ জয় নিশ্চিত বুলি দাবী কৰে। তাৰ মাজত বিৰোধীয়ে শাসকীয় মিত্ৰজোঁটৰ প্ৰধান দল বিজেপিৰ বিৰুদ্ধে নিৰ্বাচন জয়ৰ নিকৃষ্ট ষড়যন্ত্ৰ কৰাৰ অভিযোগো উত্থাপন কৰে। বিশেষকৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আচৰণক লৈ বিৰোধী অধিক সৰৱ হয়। ১০ পৃষ্ঠাত চাওক

**প্ৰশ্নোত্তৰ কাৰ্যসূচীৰ আৰম্ভণিৰ ৩৫ মিনিট অধ্যক্ষৰ মেজৰ সন্মুখত বিৰোধীৰ প্ৰতিবাদ ■ অধ্যক্ষৰ বিৰুদ্ধেও বিধি উলংঘাৰ অভিযোগ**

# মুখ্যমন্ত্ৰীৰ দ্বাৰাই গণতন্ত্ৰ-সংবিধান ভংগৰ অভিযোগত উত্তপ্ত বিধানসভা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ মাৰ্চ ঃ** আসন্ন ৰাজ্যসভাৰ নিৰ্বাচনক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অগণতান্ত্ৰিক ভূমিকা গ্ৰহণ কৰাৰ অভিযোগক লৈ আজি অসম বিধানসভাৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ মুহূৰ্তৰে পৰা সদন উত্তপ্ত হৈ পৰে। পুৰা নিৰ্ধাৰিত ৯-৩০ বজাত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সদনত প্ৰৱেশ কৰি প্ৰশ্নোত্তৰ কাৰ্যসূচী আৰম্ভ কৰাৰ আগমুহূৰ্তত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয়, 'অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে সঘনে গণতন্ত্ৰক ৰক্ষাৰ কথা, সংবিধান ৰক্ষাৰ কথা কৈ আহিছে যদিও কাৰ্যক্ষেত্ৰত তাৰ বিপৰীতহে হৈছে। নিজৰ কাৰ্যৰে মুখ্যমন্ত্ৰীয়ে গণতন্ত্ৰক, সংবিধানক ১০ পৃষ্ঠাত চাওক

**সদনত দাবী শৰ্মাৰ**

## কংগ্ৰেছ প্ৰাৰ্থীয়ে সহায় বিচাৰি মোক ফোন কৰিছে ■ কংগ্ৰেছৰ সভাৰ পৰাই বিধায়কে ডাঁৰৰ বাতৰি ডাঁৰে দি থাকে মোক

ক'ভিড পৰিস্থিতিত হতাশাৰ বলি বহু লোক

## ২০২১ত ৩০৯৫টা আত্মহত্যাৰ ঘটনা ৰাজ্যত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ মাৰ্চ ঃ** ২০২১ত অসমত মুঠ ৩০৯৫টা আত্মহত্যাৰ ঘটনা সংঘটিত হৈছে। বিজেপি বিধায়ক মৃণাল শইকীয়াৰ এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই তথ্য সদৰী কৰি কয় যে জনসংখ্যা বৃদ্ধিৰ অনুপাতে আত্মহত্যাৰ ঘটনা দিনে দিনে বৃদ্ধি পোৱাটো সত্য আঠ পৃষ্ঠাত চাওক

কামপুৰত অঘটন

## কপিলী নৈত গা ধুবলৈ গৈ দুই কন্যা শিশুৰ সলিল সমাধি

**বিশেষ সংবাদদাতা**


**নগাঁও, ২১ মাৰ্চ ঃ** নগাঁও জিলাৰ কামপুৰৰ কাকতিগাঁৱত আজি এক শোকাৱহ ঘটনা সংঘটিত হয়। কপিলী নৈত গা ধুবলৈ গৈ দুই কন্যা শিশুৰ সলিল সমাধি ঘটে। নৈত সলিল সমাধি ঘটা কন্যা শিশু দুটি খাদিজা ১০ পৃষ্ঠাত চাওক

**ভগ্নীয়ে চিনাক্ত কৰিলে তিনিজনীয়া আক্ৰমণকাৰী দলৰ দুজনক**

## বৰপেটা চহৰত দুৰ্বৃত্তই চোকা অস্ত্ৰৰে হত্যা কৰিলে মহিলা অধিবক্তাক

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২১ মাৰ্চ ঃ** বৰপেটা চহৰৰ মাজমজিয়াত আজি সন্ধিয়া সংঘটিত হ'ল এক লোমহৰ্ষক হত্যাকাণ্ড। তিনিজনীয়া দুৰ্বৃত্তৰ দল এটাই চোকা অস্ত্ৰৰে আক্ৰমণ কৰাত এগৰাকী অধিবক্তাৰ মৃত্যু হয়। গুৰুতৰভাৱে আহত হোৱাৰ পাছত হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰা



অধিবক্তাগৰাকী হৈছে চহৰৰ সমীপৱৰ্তী ভেল্লাৰ বনবৰিয়া গাঁৱৰ নিবাসী ৰিণিমা বেগম (৪৪)। ভূমিকেন্দ্ৰিক বিবাদৰ পৰিণতিতে এই হত্যাকাণ্ড সংঘটিত হোৱা বুলি প্ৰাথমিকভাৱে সন্দেহ কৰা হৈছে। আজি সন্ধিয়া প্ৰায় ৭-৩০ বজাত চহৰৰ বিলৰতাৰীৰ সমীপত এই ঘটনা সংঘটিত হয়। ১০ পৃষ্ঠাত চাওক

## প্ৰথম তিনিটা স্থানপ্ৰাপ্ত বিধায়কে এক কোটিকৈ পাব

লোক নিৰ্মাণ বিভাগৰ কামত পাৰদৰ্শী বিধায়কৰ তালিকা প্ৰকাশ পাব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ মাৰ্চ ঃ** এইবাৰৰ পৰা পাৰদৰ্শী বিধায়কৰ তালিকা প্ৰকাশ কৰিব চৰকাৰে। বিশেষকৈ লোকনিৰ্মাণ বিভাগৰ অধীনত পথ নিৰ্মাণৰ ক্ষেত্ৰত আটাইতকৈ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা প্ৰথম তিনিজন বিধায়কক পুৰস্কাৰৰূপে এক কোটি টকাকৈ প্ৰদান কৰা হ'ব বুলি আজি বিধানসভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে। বিধানসভাৰ প্ৰশ্নোত্তৰ কাৰ্যসূচীত থাওৱা সমষ্টিত পথ নিৰ্মাণ সংক্ৰান্তীয় এটি প্ৰশ্নৰ উত্তৰৰ প্ৰসংগত এই ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'বিধায়ক পুঁজিলৈ পুৰস্কাৰৰূপে সেই ধন দিয়া হ'ব। বিধায়কে আঠ পৃষ্ঠাত চাওক



*নিৰ্মাণ শ্ৰমিকৰ সুৰক্ষা নিশ্চিতৰ দাবীত বিক্ষোভ, মহানগৰীত সোমবাৰে।*

**■ আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ নকৰাত প্ৰতিবাদ**

## মাছ চুৰিৰ অভিযোগত গণপ্ৰহাৰ, মৃত্যুৰ পাছত পেলাই থৈ গ'ল চোতালত



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/চামগুৰি, ২১ মাৰ্চ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনস্থ বৰদলত যোৱা নিশা এজন লোকক প্ৰহাৰ কৰি হত্যা কৰে উন্মত্ত যুৱকৰ দল এটাই। মাছ চুৰিৰ অভিযোগত যুৱকৰ দলটোৱে গুৰুতৰভাৱে প্ৰহাৰ কৰাত লোকজনৰ মৃত্যু হোৱাৰ পাছত যুৱকৰ দলটোৱে চোতালতে মৃতদেহ পেলাই থৈ পলায়ন কৰে। উন্মত্ত যুৱকৰ দলটোৱে নিহত লোকজনৰ অসুস্থ বৃদ্ধ ১০ পৃষ্ঠাত চাওক

সংখ্যালঘু শিক্ষাৰ্থীবিহীন শিক্ষানুষ্ঠানৰো আবেদন

## সংখ্যালঘু বৃত্তিৰ ধন পুনৰ আত্মসাতৰ চক্ৰান্ত চলিছে জিলাই জিলাই

**ৰাজনৈতিক নেতা-বিষয়া জড়িতৰ সন্দেহ**

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ মাৰ্চ ঃ** বিগত বৰ্ষসমূহৰ দৰে চলিত ২০২১-২০২২তো সংখ্যালঘু ছাত্ৰ-ছাত্ৰী বৃত্তিৰ নামত ভয়াৱহ কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ অনুসৰি, নগাঁও, মৰিগাঁও, হোজাইকে ধৰি ৰাজ্যৰ প্ৰায়বোৰ জিলাতে অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডে সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বাবে আঠ পৃষ্ঠাত চাওক




**■ বাজেট বিতৰ্কৰ উত্তৰ প্ৰদান বিত্তমন্ত্ৰীৰ**

## অসমক শ্ৰেষ্ঠ ৰাজ্যৰ শাৰীলৈ নিয়াৰ ৰূপৰেখা বাজেটত ঃ নেওগৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ২১ মাৰ্চ ঃ** পৰিকল্পিত লক্ষ্যৰে অসমক ভাৰতৰ শীৰ্ষ ৰাজ্যবোৰৰ অন্যতমৰূপে প্ৰতিষ্ঠাৰ ৰূপৰেখা এইবাৰৰ ৰাজ্যিক বাজেটত দাঙি ধৰা হৈছে বুলি আজি বিধানসভাত মন্তব্য কৰে বিত্তমন্ত্ৰী অজন্তা নেওগে। যোৱা ১৬ মাৰ্চত উত্থাপন কৰা বাজেটক লৈ হোৱা চৰ্চাৰ অন্তত আজি নেওগে তেওঁৰ বক্তব্য দাঙি ধৰি লগতে কয় যে ৰাজহ বৃদ্ধি বাজেটখনৰ অন্যতম লক্ষ্য। শাসক-বিৰোধীৰ কমেও ৪০গৰাকী বিধায়ক-বিধায়িকাই অংশ লোৱা এই বিতৰ্কৰ উত্তৰত বিত্তমন্ত্ৰীয়ে কয়, 'অসমৰ ১২৬টা সমষ্টি আৰু ৩.৩ কোটি লোকৰ বাবে এই বাজেট প্ৰস্তুত কৰা হৈছে। আঠ পৃষ্ঠাত চাওক

## থানাতে ছাৰ্ভিচ পিষ্টলৰে গুলীয়াই আৰক্ষী বিষয়াৰ আত্মহত্যা

**বিশেষ সংবাদদাতা**


**শিলচৰ, ২১ মাৰ্চ ঃ** আজি কাছাৰ জিলাত এজন আৰক্ষী আঠ পৃষ্ঠাত চাওক





| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৫° | ২২° |
| ডিব্ৰুগড় | ৩১° | ১৯° |
| দিল্লী | ৩৭° | ২২° |
| কলকাতা | ৩৫° | ২৬° |
| মুম্বাই | ৩২° | ২৬° |
| চেন্নাই | ৩৫° | ২৭° |
| বাংগালুৰু | ৩২° | ২১° |
| শ্বিলং | ২৬° | ১৪° |

*২১ মাৰ্চ, ২০২২*



*ব্ৰহ্মপুত্ৰত জালত পৰিল বৃহদাকাৰৰ মাছ, জাঁজীমুখত সোমবাৰে।*


## বঞ্চিত ২১০৭ চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণৰ দাবী চৰকাৰক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ মাৰ্চ ঃ** অসমৰ সদ্য প্ৰাদেশীকৃত বিদ্যালয়ৰ ২,১০৭ জন চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ পদ শীঘ্ৰে নিয়মীয়াকৰণৰ আঠ পৃষ্ঠাত চাওক

**এন বীৰেন সিঙৰ শপতগ্ৰহণ ■ পৰাজিত হৈও আসনত পুষ্কৰ ধামী**

## মণিপুৰৰ পাছত উত্তৰাখণ্ড-গোৱাতো বিদায়ী মুখ্যমন্ত্ৰীকে পুনৰ দায়িত্ব







**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২১ মাৰ্চ ঃ** বিজেপিৰ তিনি মুখ্যমন্ত্ৰীয়ে দ্বিতীয়বাৰৰ বাবে ৰাজ্য চম্ভালিব। সদ্যঘোষিত বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পাছত দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰীয় নেতৃত্বই দায়িত্ব অৰ্পণ কৰা এই কেইজন হৈছে উত্তৰাখণ্ডৰ পুষ্কৰ সিং ধামী, গোৱাৰ প্ৰমোদ সাৱন্ত আঠ পৃষ্ঠাত চাওক



*জনপ্ৰিয় গায়ক শংকুৰাজ কোঁৱৰৰ সংগীতানুষ্ঠান, দেওবাৰে নিশা।*

## চেঙা তেল



*হেৰি, ভোট বিচৰা নাই দিয়ক! আছে যদি চেনি অকণমানকে দিয়ক, চাহকাপ বনাই খাও!*

আশাৰ পোহৰ দেখুৱালে শিৱসাগৰৰ অসমীয়া মাধ্যমৰ চৰকাৰী টাউন নিম্ন প্ৰাথমিক বিদ্যালয়ে ■ আসন লাভৰ বাবে হাহাকাৰ অভিভাৱকৰ

## দুনিশা শাৰী পাতি প্ৰপত্ৰ সংগ্ৰহ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ মাৰ্চ ঃ** ৰাজ্যত ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ে শিক্ষাখণ্ডত আধিপত্য বিস্তাৰ কৰাৰ সময়তেই আশাৰ পোহৰ দেখুৱালে শিৱসাগৰৰ এখন চৰকাৰী বিদ্যালয়ে। শিৱসাগৰৰ এখন অসমীয়া মাধ্যমৰ বিদ্যালয়ত আগন্তুক শিক্ষাবৰ্ষৰ প্ৰথম শ্ৰেণীত নামভৰ্তিৰ বাবে অভিভাৱকৰ মাজত চলা প্ৰ-পত্ৰ সংগ্ৰহৰ প্ৰতিযোগিতাই সম্প্ৰতি বিশেষ চৰ্চা লাভ কৰিছে। আনকি দুটাকৈ নিশা অভিভাৱকসকলে দীঘলীয়া শাৰী পাতি বিদ্যালয়খনৰ সন্মুখত পৰ দিয়াও দেখা যায়। ১৮৮২ত স্থাপন হোৱা শিৱসাগৰ নগৰৰ চৰকাৰী খণ্ডৰ এক নম্বৰ ১০ পৃষ্ঠাত চাওক


**মাজ আকাশত বিজুতি ■ সন্ধান নাপালে এজনো জীৱিতৰ ■ তদন্তৰ নিৰ্দেশ জিনপিঙৰ**

■ নতুন দিল্লীৰ পৰা ডোহাগামী বিমানৰ জৰুৰীভাৱে কৰাচীত অৱতৰণ ■ যাত্ৰীসকল সুৰক্ষিত

# ১৩২ যাত্ৰীসহ ভূপতিত হ'ল চীনা বিমান

**■ নিউজ ব্যুৰ'**

**বেইজিং, ২১ মাৰ্চ ঃ** চীনৰ দক্ষিণ অঞ্চলৰ পৰ্বতমালাৰ ওপৰেৰে ১৩২জন যাত্ৰীক কঢ়িয়াই উৰি থকা অৱস্থাতে ভাগি পৰিল এখন বিমান। ব'য়িং ৭৩৭-৮০০ বিমানখনৰ এজনো যাত্ৰী জীৱন্ত অৱস্থাত নাই বুলি উদ্ধাৰকৰ্মীসকলে প্ৰকাশ কৰিছে। চীনৰ দক্ষিণ-পশ্চিমৰ মহানগৰ কুংমিঙৰ পৰা হংকং সীমান্তৰ গুৱাংজ'লৈ যাত্ৰা



কৰিছিল এই বিমানখনে। এই ঘটনাত পাইলট-বিমানকৰ্মীসহ ১৩৩জন যাত্ৰীৰে মৃত্যু হোৱা বুলি নিশ্চিত কৰা হৈছে। কিয়নো উদ্ধাৰকাৰী বাহিনীয়ে সন্ধিয়ালৈ কোনো জীৱনৰ সন্ধান পোৱাৰ সামান্য আশাও দেখা নাই। বিমান দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ এই মুহূৰ্তলৈ স্পষ্ট হোৱা নাই। চীনৰ ইষ্টাৰ্ণ এয়াৰলাইন্সে এক বিবৃতিত কয় যে বিমানখন দুৰ্ঘটনাত ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২২ মাৰ্চ, মঙলবাৰ ২০২২ পৃষ্ঠা তিনি

## মাজুলী জেংৰাইমুখ মহাবিদ্যালয়ত খাদ্যত বিষক্ৰিয়াত আক্ৰান্ত পাঁচ ছাত্ৰী

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২১ মাৰ্চ ঃ** ২২ জেংৰাইমুখ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসত কালি খাদ্যত বিষক্ৰিয়াত আক্ৰান্ত হৈ চিকিৎসালয়ত চিকিৎসাধীন হোৱা পাঁচগৰাকী ছাত্ৰীয়ে নিজগৃহলৈ উভতিছে। আক্ৰান্তসকল হ'ল মহাবিদ্যালয়খনৰ প্ৰথম ষাণ্মাসিক ক'লা শাখাৰ গৰিমা পেগু, বিজ্ঞান শাখাৰ পল্লৱী পেগু, ক'লা শাখাৰ টিনা পেগু, মেৰিণা পেগু আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ উত্তৰা পেগু। উল্লেখ্য যে কুলামুৱা চাপৰি গাঁৱৰ পৰা সহপাঠীৰ ছয় পৃষ্ঠাত চাওক

## নগাঁও আদালতৰ ৰায় ঃ শিশু ধৰ্ষণকাৰীক ১০ বছৰ কাৰাদণ্ড

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ মাৰ্চ ঃ** আজি নগাঁৱৰ বিশেষ ন্যায়াধীশ ইপ্সিতা বৰঠাকুৰৰ আদালতে অখিল হাজৰিকা (২৫) নামৰ যুৱক এজনক ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত কৰি ১০ বছৰৰ কাৰাদণ্ড আৰু ২০ হেজাৰ টকাৰ জৰিমনা বিহে। উক্ত ৰায়টোত ২০ হেজাৰ টকা অনাদায়ে অতিৰিক্ত তিনিমাহ কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে। গোচৰটোৰ চৰকাৰী পক্ষৰ অধিবক্তা মানস জ্যোতি নেওগে সদৰী কৰা মতে, যোৱা ২০১৮ৰ ছয় পৃষ্ঠাত চাওক

## বিশিষ্ট আইনজ্ঞ, ক্ৰীড়া সংগঠক, সমাজকৰ্মী নীলাম্বৰ বৰাৰ বিয়োগ



**ষ্টাফ ৰিপ'টাৰ**
**তেজপুৰ, ২১ মাৰ্চ ঃ** ৰাজ্যৰ জাতীয় জীৱনৰ বিভিন্ন দিশৰে জড়িত তথা এজন প্ৰবীণ আইনজ্ঞ, সমাজকৰ্মী তথা সুদক্ষ ফুটবল খেলুৱৈ, ক্ৰীড়া সংগঠক নীলাম্বৰ বৰাৰ যোৱা নিশা প্ৰায় ৭:৪৫ বজাত ৮৭ বছৰ বয়সত বিয়োগ ঘটিছে। উল্লেখ্য যে ৰাজ্যৰ ভাষা আন্দোলনৰ পৰা অবৈধ বিদেশী বহিষ্কাৰৰ দাবীত হোৱা আন্দোলনলৈকে জড়িত এইজন ব্যক্তিৰ বিয়োগত তেজপুৰত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে তেজপুৰৰ হলেশ্বৰত ১৯৩৪ত জন্মগ্ৰহণ কৰা আৰু পৰৱৰ্তী সময়ত তেজপুৰ চহৰৰ সুবৰ্ণৰেখা পথত নিগাজিকৈ থাকিবলৈ লোৱা বিশিষ্ট আইনজ্ঞ তথা সমাজকৰ্মীজন কালি বিয়লি আকস্মিকভাৱে উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হোৱাত পৰিয়ালৰ লোকে গুৱাহাটীলৈ উন্নত চিকিৎসাৰ বাবে নিয়াৰ পথতেই শেষ নিশ্বাস ত্যাগ কৰে। ছাত্ৰাৱস্থাতেই এজন দক্ষ ফুটবল খেলুৱৈ হিচাপে আত্মপ্ৰকাশ কৰি দৰং মহাবিদ্যালয়ৰ পৰা সোণৰ পদক অৰ্জন কৰি পৰৱৰ্তী সময়ত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ আৰু আইনৰ স্নাতক ডিগ্ৰী গ্ৰহণ কৰা প্ৰয়াত বৰাই তেজপুৰ আদালতৰ প্ৰথম শ্ৰেণীৰ অধিবক্তা হিচাপে মৃত্যুৰ সময়লৈকে কৰ্মৰত হৈ আছিল। মৃত্যুৰ প্ৰাক মুহূৰ্তলৈকে কৰ্ম তৎপৰ হৈ থকাই নহয়, আইন সেৱাৰ লগতে অন্যান্য সামাজিক ক্ষেত্ৰত সক্ৰিয়তাৰে জড়িত আছিল। উল্লেখ্য যে কালি আকস্মিকভাৱে অসুস্থ হোৱা অশীতিপৰ লোকজনৰ ইয়াৰ আগলৈকে কোনো ধৰণৰ শাৰীৰিক অসুস্থতা নাছিল। সঁচা ছয় পৃষ্ঠাত চাওক

■ দৌলযাত্ৰা মহোৎসৱৰ অন্তিম দিনাও বটদ্ৰৱা থানত তীৰ্থযাত্ৰীৰ লানি নিছিগা সোঁত

# সমন্বয়ৰ বাৰ্তা বিলাই সামৰণি পৰিল দৌলযাত্ৰাৰ



*দেওমৰনৈত বিহু নৃত্যৰ আখৰাত ব্যস্ত নাচনী, সোমবাৰে।*

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ মাৰ্চ ঃ** বিশ্বশান্তি আৰু সমন্বয়ৰ বাৰ্তা বিলাই আজি সামৰণি পৰিল শ্ৰীশ্ৰী বটদ্ৰৱা থানত আয়োজিত পাঁচদিনীয়া দৌল যাত্ৰা মহোৎসৱৰ। ইয়াৰ পাছতে অশ্ৰু নিগৰাই গুৰুজনাৰ জন্মস্থানৰ পৰা বিদায় ল'লে হেজাৰ হেজাৰ ভক্ত-বৈষ্ণৱ আৰু তীৰ্থযাত্ৰীয়ে। যোৱা ১৭ মাৰ্চৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত অনুষ্ঠিত হৈছিল দৌলযাত্ৰা মহোৎসৱ। আজি পঞ্চম তথা অন্তিম দিনাও পুৱাৰে পৰা বটদ্ৰৱা থানত তীৰ্থযাত্ৰী, ভক্ত-বৈষ্ণৱৰ লানি-নিছিগা সোঁত বোৱা পৰিলক্ষিত হয়। পুৱাৰে পৰা বটদ্ৰৱাত গুৰুজনাৰ স্মৃতি বিজড়িত কীৰ্তন ঘৰ, পদশিলা, দৌল মন্দিৰত ভক্ত-বৈষ্ণৱসকলে ধূপ, দীপ, নৈবেদ্য আগবঢ়াই সেৱা জনোৱাৰ পাছতে আৰ্কষণীয় ৰঙৰ হাটত পৰিয়াল সহিতে বজাৰ-সমাৰ কৰি আনন্দ উপভোগ কৰে। ইপিনে, যোৱা নিশা আকাশীগংগাৰ পাৰৰ সাংস্কৃতিক মঞ্চত আয়োজিত বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে থান পৰিচালনা সমিতিৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি ভোগেশ্বৰ বৰাই। অনুষ্ঠানত বটদ্ৰৱাৰ দুই সত্ৰৰ সত্ৰাধিকাৰদ্বয় যোগেন্দ্ৰ নাৰায়ণ মহন্ত, দেৱানন্দ দেৱ গোস্বামী, সাধাৰণ সম্পাদক অৰূপ কুমাৰ শইকীয়া, সাংস্কৃতিক সঞ্চালকালয়ৰ উন্নয়ন বিষয়া সৌৰভ পানীফুকন, নগাঁৱৰ ভাৰপাপ্ত আৰক্ষী অধীক্ষক ধ্ৰুৱজ্যোতি বৰা, থান পৰিচালনা সমিতিৰ কাৰ্যনিবাহক সদস্য সুশীল খাউন্দ, সত্যজিত বৰা, মাণিক বৰা, পৰাণ কুমাৰ বৰুৱা, হিৰন নাথকৰ, দিপুল শইকীয়া, বিপিন বৰা, লক্ষ্মীকান্ত বৰা আদি উপস্থিত থাকে। বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সাংস্কৃতিক বিভাগৰ আহ্বায়ক ৰাজীৱ বৰঠাকুৰে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত বৰগীত, সত্ৰীয়া নৃত্য, ওজাপালি, বড়ো, তিৱা, চাহ জনগোষ্ঠীৰ নৃত্য, হোলী নৃত্য, 'বেহেৰবাৰী আউট প'ষ্ট'ৰ একাংশ শিল্পীৰ অভিনয়ে ওৰে নিশা দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখে। ইপিনে, আজি বটদ্ৰৱা দৌল মহোৎসৱৰ সামৰণিত দূৰ-দূৰণিৰ পৰা আহি দৌল মহোৎসৱ উপলক্ষে বটদ্ৰৱা থানত সেৱা আগবঢ়োৱা ভকত-বৈষ্ণৱসকলক গুৱাপাণেৰে সেৱা ধৰি ভকত বিদায় জনোৱাৰ পাছতে বটদ্ৰৱা দৌল মহোৎসৱৰ কাৰ্যসূচীৰ সামৰণি ছয় পৃষ্ঠাত চাওক

## নগাঁৱত ঔষধৰ অস্বাভাৱিক দাম বৃদ্ধিত সমস্যাৰ সন্মুখীন ৰাইজ

### প্ৰায় প্ৰতিবিধ ঔষধৰে দাম বৃদ্ধি ঘটাই ৰাইজক মাধমাৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ মাৰ্চ ঃ** নগাঁও জিলাত জীৱনদায়িনী ঔষধৰ মূল্য দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰাত সাধাৰণ ৰাইজে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। ঔষধ প্ৰস্তুতকাৰী কোম্পানীয়ে নিতৌ সকলো ধৰণৰ ঔষধৰ মূল্য বৃদ্ধি কৰিবলৈ ধৰাত ইয়াৰ প্ৰভাৱ পৰিছে সাধাৰণ ৰোগীৰ ওপৰত। এনে মূল্যবৃদ্ধিৰ বাবে ৰোগীয়ে চিকিৎসকৰ পৰামৰ্শ লৈ ফাৰ্মাচীলৈ যোৱাটো এতিয়া শংকাৰ কাৰণ হৈ পৰিছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধিয়ে সাধাৰণ লোকৰ জীৱন নিৰ্বাহত সমস্যাৰ সৃষ্টি কৰাৰ সময়তে অভাৱনীয় ঔষধৰ মূল্যবৃদ্ধি হোৱাত সাধাৰণ ৰোগীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। সাধাৰণ পেটৰ ৰোগৰ পৰা দুৰাৰোগ্য অসুখলৈকে সকলো ঔষধৰ মূল্য বৃদ্ধি কৰিছে কোম্পানীসমূহে। অবাধে ঔষধৰ দাম বৃদ্ধি ঘটোৱাৰ ক্ষেত্ৰত কোনো উত্তৰ খুচুৰা বা পাইকাৰী ঔষধ বিক্ৰেতাৰ হাতত নাই। উল্লেখ্য যে যকৃত (লিভাৰ)ৰ বাবে সততে ব্যৱহাৰ হোৱা 'ইউডিলিভ ৩০০' নামৰ ঔষধবিধৰ দাম এটা পেকেটত বৃদ্ধি কৰা হৈছে ৬৯৪.১৯ টকালৈকে। এমাহ পূৰ্বলৈকে এই ঔষধৰ দাম আছিল পাঁচশ টকা। একেদৰে এসপ্তাহ আগলৈকে 'ইউডিলিভ ১৫০ এম জিৰ দাম আছিল ৩৫৯.৯৯ টকা। এতিয়া বৃদ্ধি কৰা হৈছে ৩৯৫.৯৮ টকালৈ। প্ৰসূতিৰ বাবে প্ৰয়োজনীয় ডুফ'স্থান ১০ এমজি ৭৫৪.৩৮ টকালৈ বৃদ্ধি ছয় পৃষ্ঠাত চাওক

## ওৰাং ৰাষ্ট্ৰীয় উদ্যানত গঁড় পিয়ল ঃ উদ্যানত বৃদ্ধি পালে ২৪ টা গঁড়

**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ২১ মাৰ্চ ঃ** ওৰাং ৰাষ্ট্ৰীয় উদ্যানত বিগত দুদিনে চলি থকা গঁড়ৰ পিয়লৰ অন্তত গঁড়ৰ সংখ্যা বৃদ্ধি পোৱাৰ খবৰে বন আৰু বন্যপ্ৰাণী প্ৰেমী ৰাইজক আনন্দিত কৰি তুলিছে। লগতে পৰ্যটকসকললৈও ভাল খবৰ কঢ়িয়াই আনিছে। প্ৰাপ্ত তথ্য মতে ওৰাং ৰাষ্ট্ৰীয় উদ্যানত কালিৰে পৰা আৰম্ভ হয় দুদিনীয়াকৈ গঁড় গণনা প্ৰক্ৰিয়া। উদ্যানৰ সম্পূৰ্ণ ১৬টা ব্লকত হাতীৰ সহযোগত গঁড় গণনা কাৰ্য আৰম্ভ কৰিছে বন বিভাগৰ লগতে গণনাকাৰী দলে। উদ্যানখনত ২০১৮ত গণনা কৰি ১০১ টা গঁড় পাইছিল। এই বৰ্ষত গঁড়ৰ সংখ্যা আগৰ তুলনাত ২৪ টা বৃদ্ধি পোৱা বুলি প্ৰকাশ কৰিছে বন বিভাগে। এইবাৰ গণনাত ১২৫ টা গঁড় পাইছে উদ্যানখনত। ইয়াৰে মতা গঁড় ৪৩ টা, মাইকী গঁড় ৪৯ টা, পোৱালি গঁড় ২৩ টা আৰু মতা-মাইকী চিনাক্ত কৰিব নোৱাৰা ১০ টা গঁড় আছে। অৱশ্যে পূৰ্বৰ গণনাত ন টা গঁড়ৰ বিভিন্ন কাৰণত মৃত্যু হৈছে বুলি উদ্যানখনৰ ডি এফ অ' প্ৰদীপ্ত বৰুৱাই জনাইছে। ২০১৭ৰ পৰা এই বৰ্ষলৈ এটাও গঁড় চোৰাংচিকাৰীৰ কবলত পৰা নাই বুলিও জনায় বৰুৱাই।

### দ্বিতীয় দিনাও অস্বস্তিকৰ পৰিস্থিতি

## টাইৰুণ চাহ বাগিচাত কৰ্মবিৰতি পালনেৰে প্ৰতিবাদত বহিল চাহ শ্ৰমিক

**তিতাবৰ, ২১ মাৰ্চ ঃ** কেৱল শোষণ আৰু দমনমূলক নীতিৰে চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলক কৰ্তব্য কৰিবলৈ বাধ্য কৰা তিতাবৰৰ টাইৰুণ চাহ বাগিচাৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে আজি পুৱাই গৰজি উঠে বাগিচাখনৰ চাহ শ্ৰমিকসকল। বাগিচাখনত বসবাস কৰা চাহ শ্ৰমিকসকলৰ স্বাস্থ্যৰ প্ৰতি সামান্যতমো দায়িত্ব পালন নকৰি মানৱাধিকাৰ খৰ্ব কৰা বুলি বাগিচা কৰ্তৃপক্ষৰ বিৰুদ্ধে সদলবলে ওলাই আহি ন্যায্য অধিকাৰৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে চাহ



শ্ৰমিকসকলে। উল্লেখ্য যে কালি দিনৰ ভাগত বাগিচাখনৰ হাতীপাৰা ডিভিজনত দীপা তাঁতী নামৰ এগৰাকী ১৬ বছৰীয়া কিশোৰীৰ বাবে বাগিচা কৰ্তৃপক্ষই এখন এম্বুলেন্স যোগাৰ ছয় পৃষ্ঠাত চাওক

■ নলবাৰীত শ্ৰমিকৰ ন্যায্য প্ৰাপ্যৰ দাবীত বিক্ষোভ

## তিনি শতাধিক শ্ৰমিকে কঁপালে ৰাজপথ



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২১ মাৰ্চ ঃ** চিটুৰ উদ্যোগত আজি নলবাৰীত নিৰ্মাণ শ্ৰমিক আৰু অসংগঠিত শ্ৰমিকে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। নিৰ্মাণ শ্ৰমিক আৰু অসংগঠিত শ্ৰমিকৰ আহ্বানমৰ্মে নিৰ্মাণ শ্ৰমিকৰ আইনী সুবিধাবোৰ সময়মতে আদায় দিয়া, অনলাইন সমস্যা শীঘ্ৰে সমাধান কৰা আৰু অসংগঠিত শ্ৰমিকৰ সামাজিক সুৰক্ষা আইন ২০০৮ কাৰ্যকৰী কৰাৰ দাবীত নলবাৰীৰ শ্ৰম বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰা হয় এই প্ৰতিবাদী কাৰ্যসূচী। এই উপলক্ষে মহেশ্বৰ দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত এখন প্ৰতিবাদী সভাত বক্তব্য প্ৰদান কৰে বামপন্থী নেতা ৰবীন মিশ্ৰ, অনিল মহন্ত আৰু নৃপেন চন্দ্ৰ কলিতাই। বক্তাসকলে কয় যে বিজেপি চৰকাৰে ছয় পৃষ্ঠাত চাওক

## ভৱানীপুৰৰ দাতিৰবৰী পঞ্চায়তৰ প্ৰাক্তন সভাপতিক হত্যা কৰিলে সম্পৰ্কীয় ভ্ৰাতৃয়ে

**বিশেষ সংবাদদাতা**
**পাঠশালা, ২১ মাৰ্চ ঃ** ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত দাতিৰবৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি ৰহিম আলী (৫০)ক আজি পুৱতি নিশা নিজৰ বাসগৃহতেই দুষ্কৃতিকাৰীয়ে চোকা অস্ত্ৰেৰে ঘপিয়াই হত্যা কৰে। এই ঘটনাই সম্প্ৰতি সমগ্ৰ অঞ্চলটোতেই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এজন সম্পৰ্কীয় ভ্ৰাতৃয়ে এই হত্যাকাণ্ড সংঘটিত কৰা বুলি নিহত আলীৰ পৰিয়ালে অভিযোগ কৰিছে। অভিযোগ অনুসৰি, দাতিৰবৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি আলীয়ে টাংলা গাঁৱৰ নিজ গৃহত অকলশৰে নিশা শুই থকা অৱস্থাত তেওঁৰ গৃহৰ সমীপৰ সম্পৰ্কীয় ভ্ৰাতৃ মুবাৰক আলীয়ে দাৰে ঘপিয়ায়। পুৱতি নিশা প্ৰায় তিনি বজাত অভিযুক্ত মুবাৰক আলীয়ে বাসগৃহৰ ভিতৰত প্ৰৱেশ কৰি বিছনাত শুই থকা অৱস্থাত আলীক দাৰে ঘপিয়াই পলায়ন কৰে। ইয়াৰ পাছতে ছয় পৃষ্ঠাত চাওক

### ৮৩ বস্তা চোৰাং চাউলসহ বলেৰ' পিকআপ ভান জব্দ

## পাঠশালাৰ বামাখাটাত চোৰাং চাউলৰ ঘাটি উৎখাত



**বিশেষ সংবাদদাতা**
**পাঠশালা, ২১ মাৰ্চ ঃ** বজালী জিলা সদৰ পাঠশালাৰ সমীপৱৰ্তী বামাখাটাত আজি বজালী আৰক্ষীয়ে ৮৩ বস্তা চোৰাং চাউলসহ এখন বলেৰ' পিক আপ ভানৰ লগতে উক্ত ঘটনাত জড়িত তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। উক্ত ঘটনা সন্দৰ্ভত বজালী আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসে আজি সন্ধিয়া এক সংবাদমেল সম্বোধন কৰি কয় যে পাঠশালা আৰক্ষী চকীৰ অন্তৰ্গত বজালীৰ বামাখাটাত এজন লোকৰ ঘৰত আৰক্ষীৰ এটি দল উপস্থিত হৈ এখন বলেৰ' পিক আপ ভানত চোৰাং চাউলৰ বস্তা উঠাই চাউলসমূহ অন্য স্থানলৈ নিবলৈ ওলোৱা প্ৰত্যক্ষ ছয় পৃষ্ঠাত চাওক

## চতুৰ্থ নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২১ মাৰ্চ ঃ** চতুৰ্থ নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থমেলা আজিৰে পৰা আৰম্ভ হৈছে। আজি গ্ৰন্থমেলা উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চেতিয়াই। বিশ্ব কবিতা দিৱস উপলক্ষে অনুষ্ঠানটোৰ কবিতাৰ অন্তৰংগ আলাপ অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত সমল ব্যক্তি ৰূপে উপস্থিত থাকে কবি জীৱন নৰহ। মত বিনিময় অনুষ্ঠানটোত কবি নৰহে ছয় পৃষ্ঠাত চাওক

## অসম সেৱা (পেঞ্চন) বিধিৰ আধাৰত পেঞ্চন দিয়াৰ দাবী সন্মিলিত অ' বি বি শিক্ষক সন্থাৰ

**বিশেষ সংবাদদাতা**
**নগাঁও ২১ মাৰ্চ ঃ** সদৌ অসম সন্মিলিত অ বি বি শিক্ষক সন্থাৰ নগাঁও জিলা সমিতি গঠনৰ উদ্দেশ্যে আজি নগাঁও নৰ্মাল স্কুলত এখন সভা অনুষ্ঠিত হয়। শিক্ষক ধৰ্মেন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অ' বি বি (৭০৬৬) শিক্ষকসকলৰ সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই সভাত অংশগ্ৰহণ কৰি সন্থাৰ যুটীয়া সম্পাদক পবিত্ৰ বৰাই কয়, '১৯৯৬ত অসম চৰকাৰৰ শিক্ষা বিভাগে প্ৰকাশ কৰা বিজ্ঞাপন অনুযায়ী সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ পাছত ২০০১ত ৭০৬৬ গৰাকী শিক্ষকক প্ৰাথমিক স্তৰত নিযুক্তি দিছিল। এই শিক্ষকসকলৰ একাংশই ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে যদিও তেওঁলোকে অসম সেৱা (পেঞ্চন) বিধি ১৯৬৯ৰ আধাৰত পেঞ্চন লাভ কৰিবলৈ সক্ষম নহ'ল।' তেওঁ লগতে কয়, '২০১০ত একেখন নিৰ্দেশনাৰ ভিত্তিত অ'বিবি (৪০৪০) আৰু অ'বিবি (৭০৬৬) শিক্ষকসকলৰ পদসমূহ অসম চৰকাৰে নিয়মীয়া কৰে। পৰৱৰ্তী সময়ত অসম চৰকাৰৰ নিৰ্দেশ নম্বৰ পিএমএ/১৩৩/২০০৭/ পিএল/৪৩৯ৰ জৰিয়তে ৪০৪০ অ'বিবি শিক্ষকসকলক সংশোধিত প্ৰণালীৰে জ্যেষ্ঠতাৰ ছয় পৃষ্ঠাত চাওক

## বালিপৰাত দেওৰেকে হত্যা কৰিলে বৌৱেকক

**ষ্টাফ ৰিপ'টাৰ**
**তেজপুৰ, ২১ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ বালিপৰাৰ বামগাঁও চাহ বাগিচাৰ ঘোৰামাৰী লাইনত আজি পুৱতি নিশা এক লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হয়। আজি পুৱা পোহৰলৈ অহা এই ঘটনা সন্দৰ্ভত আৰক্ষী সূত্ৰে উল্লেখ কৰা মতে, যোগেন চাওতাল নামৰ যুৱকজনে চোকা অস্ত্ৰৰে ঘপিয়াই হত্যা কৰে বৌৱেক নিকিতা চাওতালক। উল্লেখ্য যে ছয় পৃষ্ঠাত চাওক

## সৰুক্ষেত্ৰীৰ বৰীয়াৰ পাথাৰত বিকল্প সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ উচ্ছেদ বন্ধ ৰখাৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**কয়াকুছি, ২১ মাৰ্চ ঃ** সৰুক্ষেত্ৰী সমষ্টিৰ বেতবাৰী মৌজাৰ অন্তৰ্গত বৰীয়াৰ পাথাৰৰ একাংশ ৰাইজক ইতিমধ্যে প্ৰশাসনে উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছে। ইয়াৰ পাছতে আজি বৰপেটা জিলা কৃষক সভাই উক্ত বৰীয়াৰ পাথাৰৰ লোকক বিকল্প সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ উচ্ছেদ কাৰ্য বন্ধ ৰখাৰ দাবী জনাই জিলা উপায়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সভাই স্মাৰকপত্ৰখনত উল্লেখ কৰে যে বেতবাৰী মৌজাৰ বৰীয়া পাথাৰসহ ৰিজাৰ্ভত বিভিন্ন গাঁৱৰ পৰা ভূমিহীন পৰিয়ালসমূহে আহি যুগ যুগ ধৰি বসবাস কৰি আছে। এতিয়া এইসমূহ পৰিয়ালক সময় নিৰ্ধাৰিতভাৱে বসতি কৰি থকা ৭৯১ বিঘা দুই কঠা ১৮ লেছা মাটিৰ পৰা নিজে নিজে আঁতৰি যাবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে উক্ত গাঁৱত চৰকাৰীভাৱে বিদ্যালয়, উপ-স্বাস্থ্য কেন্দ্ৰ, অংগনৱাড়ী কেন্দ্ৰ, ৰাস্তা-ঘাট আদি নিৰ্মাণ কৰা হৈছে। আনকি গাঁওখনত ইতিমধ্যে বৈদ্যুতিকৰণ কৰাও হৈছে। ইয়াৰ পূৰ্বেও বহুবাৰ এই ভূমিহীন পৰিয়ালসমূহক ভোগ দখল কৰি থকা মাটিৰ পট্টা দিয়াৰ বাবে আবেদন কৰা হৈছিল। কিন্তু আজিলৈকে প্ৰশাসনৰ পৰা কোনো ধৰণৰ ইতিবাচক ব্যৱস্থা হাতত লোৱা পৰিলক্ষিত ছয় পৃষ্ঠাত চাওক

### অসম কৃষি বিশ্ববিদ্যালয়ৰ অভিনৱ পদক্ষেপ

## কৃষি শিক্ষাৰ ১২ সহস্ৰাধিক পুৰণি মূল্যবান গ্ৰন্থ বিতৰণৰ প্ৰস্তুতি



**ষ্টাফ ৰিপ'টাৰ**
**যোৰহাট, ২১ মাৰ্চ ঃ** 'সময়ৰ দিশেৰে পুৰণি হ'লেও বিষয়বস্তুৰ দিশৰ পৰা বহুবোৰ কিতাপ অমূল্য। কিতাপৰ প্ৰয়োজনীয়তা সকলোৰে বাবে সময় আৰু স্থান সাপেক্ষে বেলেগ বেলেগ। সঠিক স্থানত নতুন গ্ৰন্থক ঠাই দিবৰ বাবে বহু সময়ত পুৰণি গ্ৰন্থৰ স্থান সলনি কৰিবলগীয়া হয়। কিন্তু এই স্থানান্তৰে পুৰণি গ্ৰন্থৰ প্ৰয়োজনীয়তা নোহোৱা নুবুজায়।' অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ কেন্দ্ৰীয় গ্ৰন্থাগাৰত আজিৰে পৰা কৃষি বিজ্ঞানৰ ছয় পৃষ্ঠাত চাওক

## হাজোত অগ্নিকাণ্ডত ভস্মীভূত বাসগৃহ

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২১ মাৰ্চ ঃ** কামৰূপ জিলাৰ হাজোৰ পাঠানচৰত নিশা ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। পাঠানচৰৰ এজন লোকৰ ঘৰত সংঘটিত হৈছে এই অগ্নিকাণ্ডৰ ঘটনা। এই বিধ্বংসী অগ্নিকাণ্ডত নিমিষতে জ্বলি ছাৰখাৰ হৈছে লোকজনৰ বাসগৃহ। চুৰমান আলী নামৰ লোকজনৰ ঘৰত সংঘটিত হৈছে এই অগ্নিকাণ্ডৰ ঘটনা। আখলৰ পৰা সূত্ৰপাত হোৱা এই জুইত লোকজনৰ তিনিটাকৈ টিনপাতৰ ঘৰ ভস্মীভূত হৈছে। কে'বালাখ টকাৰ সম্পত্তি জুইত ভস্মীভূত হোৱাৰ সন্দেহ কৰা হৈছে। কে'বা ঘণ্টাৰ অন্তত স্থানীয় ৰাইজৰ তৎপৰতাত নিৰ্বাপিত হৈছে জুই।

## ডিগাৰু বামুণখাটত তিৱা মহোৎসৱ আৰম্ভ



### উখল-মাখল মহোৎসৱথলী

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২১ মাৰ্চ ঃ** তিৱা জনগোষ্ঠীৰ ঐতিহ্য, পৰম্পৰা, ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, ঐক্য, শৈক্ষিক প্ৰগতি তথা উত্তৰণৰ লক্ষ্যৰে আজিৰে পৰা তিনিদিনীয়াকৈ ডিগাৰু বামুণখাটত অনুষ্ঠিত হৈছে তিৱা মহোৎসৱ ২০২২। তিৱা মহোৎসৱ পৰিচালনা সমিতিৰ উদ্যোগত আৰু বৃহত্তৰ কামৰূপ জিলা তিৱা ৰাইজৰ সহযোগত অনুষ্ঠিত মহোৎসৱৰ স'তে সংগতি ৰাখি তিৱাসকলৰ 'ফা মহাদেউ' মাংগলিক পূজাও অনুষ্ঠিত কৰা হৈছে। এই উপলক্ষে আজি মহোৎসৱৰ পতাকা উত্তোলন কৰে মহোৎসৱ পৰিচালনা সমিতিৰ সভাপতি স্বপন ৰামদেয়ে। জাতীয় ছহিদসকলৰ স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে পৰিচালনা সমিতিৰ সম্পাদক অনিৰুদ্ধ পাতৰে। ইয়াৰ পাছতে বন্তি প্ৰজ্বলনেৰে ছামাডি (ডেকাচাং) দ্বৈতভাৱে মুকলি কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি বশিষ্ঠ মুনি ৰামদে আৰু জ্যেষ্ঠ নাগৰিক ভানুৰাম লালুঙে। ইয়াৰ পাছতে বৃক্ষৰোপণ, মহোৎসৱৰ ছয় পৃষ্ঠাত চাওক

## সৰভোগত গাঁওবুঢ়াৰ শোষণ-দুৰ্নীতিৰ বিৰুদ্ধে ৰাইজমেল

### উৎকোচ নিদিলে ভুক্তভোগীয়ে নাপায় কোনো প্ৰমাণপত্ৰ



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২১ মাৰ্চ ঃ** বৰপেটা জিলাৰ সৰভোগ আৰক্ষী থানাৰ অন্তৰ্গত বগুৰিগুৰি আৰু ভেটুমাৰী টুপৰ গাঁওবুঢ়া ফকৰুদ্দিন আলী আহমেদৰ শোষণত অতিষ্ঠ হৈ দলে-বলে ওলাই আহিল ৰাইজ। ৰাইজমেল পাতি গাঁওবুঢ়াৰ বিৰুদ্ধে সাব্যস্ত কৰিলে তীব্ৰ প্ৰতিবাদ। ৰাইজৰ অভিযোগ, গাঁওবুঢ়া আহমেদে স্থানীয় দুখীয়া-দৰিদ্ৰ শ্ৰেণীৰ লোকক ভয়-ভাবুকিৰে ধন লুটি নিজৰ বিলাসিতাৰ বাবে অট্টালিকা সাজিছে, ব্যৱহাৰ কৰে বিলাসী বাহন। এখন প্ৰমাণপত্ৰ আনিবলৈ হ'লে গাঁওবুঢ়াক দিব লাগে ১০, ২০, ৫০ কিম্বা এক লাখলৈ টকা। যি পইচা যোগাৰ কৰিব নোৱাৰি তিনি বছৰলৈকে পিতৃৰ মৃত্যু প্ৰমাণপত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই ভুক্তভোগীয়ে। যাৰ বাবে স্থানীয় ৰাইজে গাঁৱত ৰাইজমেল পাতি বহু পুৰুষ-মহিলাই উত্থাপন ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, মঙলবাৰ ৭ চ'ত ১৪২৮ ভাস্কৰাব্দ ২২ মাৰ্চ ২০২২



# বিকল্প চিন্তাৰ প্ৰয়োজন

সম্প্ৰতি বিশ্বৰ দেশে দেশে প্ৰদূষিত পৰিৱেশৰ হেতুকে সাধাৰণ মানুহে নানাবকমৰ দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হৈছে। আনকি মাৰ্কিন যুক্তৰাষ্ট্ৰৰ দৰে তুলনামূলকভাৱে কম বসতিপূৰ্ণ অঞ্চলৰ জনসাধাৰণেও ভয়ংকৰ ভৱিষ্যতৰ দৃশ্য দেখিবলৈ পাইছে; কিন্তু মাৰ্কিন প্ৰশাসন আৰু সেই দেশৰ মাৰণাস্ত্ৰ নিৰ্মাতা ৰণোন্মাদ মহানায়কসকলৰ লগতে বৃহৎ কল-কাৰখানাৰ গৰাকীসকলৰ সেই লৈ ভ্ৰূক্ষেপ নাই। তাৎপৰ্যপূৰ্ণ যে আমেৰিকাৰ প্ৰদূষিত বায়ুৰে ভাৰতবৰ্ষৰ আকাশৰ বায়ুমণ্ডললৈকে সম্প্ৰসাৰিত হৈছে।

এইখন ছবিয়ে দাঙি ধৰিছে যে মানৱ জাতিৰ ভৱিষ্যত অন্ধকাৰাচ্ছন্ন। মহাত্মা গান্ধীয়ে তাহানিতে যান্ত্ৰিকতাৰ পৰা হ'ব পৰা বিপদৰ দিশটো সকীয়াইছিল। বহুতে তেওঁক সমূলঞ্চে যান্ত্ৰিকতাৰ বিৰোধী বুলি অভিযুক্ত কৰাৰ বিপৰীতে স্পষ্ট কৰি দিছিল যে তেওঁ যন্ত্ৰৰ বিৰোধী নহয়; কিন্তু যন্ত্ৰৰ পৰা হ'ব পৰা কুফলবহে বিৰোধী। ১৯৪৬ত গান্ধীজী অসম ভ্ৰমণলৈ আহোতে গুৱাহাটীৰ দক্ষিণ শৰণীয়া পাহাৰৰ ওপৰৰ প্ৰদূষণমুক্ত পৰিৱেশত নিশা কটাইছিল।

কল-কাৰখানা, যান-বাহন আদিৰ ব্যাপকতাৰ হেতুকে বায়ুমণ্ডলৰ অক্সিজেনৰ মাত্ৰা হ্ৰাস পাই আহিছে। হাইজা, বসন্তৰ লেখীয়া ব্যাধি নিয়ন্ত্ৰণ কৰাটো সম্ভৱ হৈছে যদিও প্ৰদূষণৰ ফলস্বৰূপে নতুন নতুন দুৰাৰোগ্য ব্যাধিৰ আৱিৰ্ভাৱ হৈছে। তদুপৰি অবাধ গতিত কৃষিভূমিত কৰা ৰাসায়নিক সাৰ প্ৰয়োগ আৰু কীটনাশক দ্ৰব্যৰ হেতুকে আগতে শুনিবলৈ নোপোৱা বৃক্ক ৰোগীৰ সংখ্যা এতিয়া ভয়াবহ ধৰণে বৃদ্ধি পাইছে। হৃদৰোগ, মস্তিষ্কৰ ৰক্তক্ষৰণ, হাওঁফাওঁৰ ৰোগ মাত্ৰাধিক হাৰত বৃদ্ধি পাইছে। মধ্যবিত্ত শ্ৰেণীৰ লোকেও উত্তপ্ত গৰমৰ পৰা ৰক্ষা পাবলৈ শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছে। তাৰ ফলস্বৰূপে সেই স্থান সমূহৰ পৰা নিৰ্গত হোৱা গৰম বতাহে বাহিৰৰ পৰিৱেশ অধিক ভয়াবহ কৰি তুলিছে। এই প্ৰদূষিত বায়ুৰে শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰৰ ব্যাপক প্ৰাচুৰ্যৰ নগৰ-মহানগৰসমূহতে এতিয়া সীমাবদ্ধ হৈ থকা নাই বৰঞ্চ গ্ৰামাঞ্চলৰ জলবায়ুকো দূষিত কৰি তুলিছে।

ইঞ্জিনৰ আৱিষ্কাৰৰ যে মানৱ জীৱনলৈ আমূল পৰিৱৰ্তন আনিছে, তাক অস্বীকাৰ কৰাৰ উপায় নাই। পৰিবহণ, যোগাযোগ আদিৰ ক্ষেত্ৰত ইঞ্জিনে অনবদ্য বৰঙণি যোগাইছে; কিন্তু সিয়েই যদি মুখ্যত সমগ্ৰ মানৱ জাতিলৈ মৃত্যু ঘণ্টা কঢ়িয়াই আনে, তেনে ক্ষেত্ৰত মানুহে নতুনকৈ চিন্তা-ভাৱনা কৰাৰ প্ৰয়োজন আহি পৰিছে। মহাত্মা গান্ধী আৰু নৰেন্দ্ৰ মোদী, দুয়ো গুজৰাটী হ'লেও দৃষ্টিভংগী সুকীয়া সুকীয়া। গান্ধীজীয়ে গ্ৰাম্য স্বৰাজৰ পোষকতা কৰিছিল; য'ত প্ৰত্যেকৰ বাবে শাৰীৰিক শ্ৰম অপৰিহাৰ্য হৈ পৰে আৰু বুনিয়াদী শিক্ষাৰ মাধ্যমত নিজকে আত্মনিৰ্ভৰশীল হ'বলৈ সক্ষম কৰি তোলে। ইয়াৰ বিপৰীতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্মাৰ্ট চিটীৰ পোষকতা কৰিছে। স্মাৰ্ট চিটীৰ অৰ্থই হ'ল কৃষিভূমি বেদখল কৰি বৃহৎ উদ্যোগ, বৃহৎ অট্টালিকা গঢ়ি তোলা। গ্ৰামাঞ্চলৰ কৃষকসকলে এই স্মাৰ্ট চিটীৰ চাহাবসকলৰ স্বাচ্ছন্দ্য জীৱন যাত্ৰাৰ বাবে যাবতীয় সেৱা আগবঢ়োৱাটোৱেই মুখ্য কৰ্তব্য। যন্ত্ৰই কম সময়তে বহু কাম কৰে সঁচা; কিন্তু যন্ত্ৰই লক্ষ লক্ষ লোকক কৰ্মহীন কৰিও তুলিছে আৰু আজিৰ ভয়াবহ প্ৰদূষিত পৰিৱেশৰ হেতুকে যন্ত্ৰই মূলতঃ জগৰীয়া। সেয়েহে ন্যূনতম পৰিৱেশ প্ৰদূষণ কৰা যন্ত্ৰৰহে মানুহে সন্ধান কৰিব লাগিব। সমগ্ৰ মানৱ জাতিৰ সমূখত আজি প্ৰশ্ন— প্ৰদূষণ নিয়ন্ত্ৰণ কৰাটো কিদৰে সম্ভৱ হ'ব? এই ক্ষেত্ৰত বিশ্বৰ কৰ্ণধাৰসকলক জগাই তোলাৰ বিকল্প নাই; কিন্তু কোনে সজাগ কৰি তুলিব? দ্বিতীয় মহাসমৰৰ প্ৰাক্‌ক্ষণত মহাত্মা গান্ধী, ৰোমা ৰোঁলা প্ৰমুখ্যে মানৱপ্ৰেমীয়ে যুদ্ধৰ বিৰুদ্ধে বিশ্ব জনমত গঢ়ি তুলিবলৈ চেষ্টা চলাইছিল। পাৰমাণৱিক যুদ্ধৰ বিভীষিকাৰ পৰা মানৱ জাতিক ৰক্ষা কৰিবলৈ মাত্ৰ এশগৰাকী সহযাত্ৰীক লগত লৈ মানৱ দৰদী বাৰ্ট্ৰাণ্ড ৰাছেলে বিশ্ববাসীক জগাই তুলিবলৈ আন্দোলনৰ কাৰ্যসূচী লৈছিল।

কিন্তু আজি তেনেকুৱা মানৱ হিতৈষী মনীষীসকলৰ অনুপস্থিতিত তথাকথিত বিকাশৰ নামত প্ৰদূষণকাৰী কাৰ্যকলাপৰ উদ্যোক্তাসকলক কোনে নিয়ন্ত্ৰণ কৰিব? এইসকলৰ সদিচ্ছা থকা হ'লে পৰিৱেশ প্ৰদূষণৰ বিকল্প উদ্ভাৱন কৰিবলৈ নিশ্চয় উদ্যোগ ল'ব পাৰিলেহেঁতেন। বৰ্তমানৰ এই ভয়ংকৰ পৰিস্থিতিত বিকল্প চিন্তা কৰাৰ ব্যতিৰেকে মুক্তিৰ কোনো পথ নাই; কিন্তু উদ্যোগ ল'ব কোনে? মাৰ্কিন প্ৰভাৱ ঠেলি মানৱতাৰ পক্ষত থিয় হ'বলৈ এই সন্ধিক্ষণত ৰাষ্ট্ৰসংঘ আগবাঢ়ি আহিব নোৱাৰাটোও দুৰ্ভাগ্যজনক।

## প্ৰয়োজনীয় খৰচ কৰ্তন কৰি ৰাহি কৰাটো সঠিক বিত্তীয় ব্যৱস্থাপনা হ'ব নোৱাৰে

# ৰাজ্যিক বাজেট ব্যৱস্থাপনা



অসবৰ্ণ



হীৰেন গগৈ

ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগে বাজেট ভাষণত কৈছিল যে যোৱা পাঁচটা বছৰত বৰ্ধিত বাজেট আবণ্টনৰ ফলস্বৰূপে ব্যয়ৰ প্ৰৱণতা উৰ্দ্ধগামী হৈছে আৰু সেয়া সম্ভৱ হৈছে ৰাজ্য চৰকাৰৰ বিচক্ষণ বিত্তীয় ব্যৱস্থাপনা আৰু সুপৰিকল্পিত ব্যয়ৰ বাবেহে। তেওঁ চৰকাৰৰ সাফল্যৰ ঢোলটো ঠিকেই বজালে, কিন্তু তথ্যপাতিবোৰৰ স'তেহে ভালকৈ তাল মিলাব নোৱাৰিলে। ২০২২-২৩ বৰ্ষৰ বাজেটখনত নিৰ্ধাৰিত আয়তকৈ (মুঠ ২৮৩৯১৪.৭৮ কোটি টকা) মুঠ ব্যয় ৪২০.১৪ কোটি টকা কমকৈ দেখুওৱা হৈছে (মুঠ ২৮৩৪৯৪.৬৪ কোটি টকা)। গতিকে এইখন এখন ৰাহি বাজেটহে। ৰাজকোষত পূৰ্বৰ ১০২০.৫০ কোটি টকাৰ আৰম্ভণি ঘাটি থকাৰ বাবেহে ৰাহি বাজেটখনতো ৬০০.৩৬ কোটি টকাৰ ঘাটিহে পৰিছে।

কিন্তু ৰাহি-ঘাটিৰ অংকৰ এই খেলখনতেই সন্দেহৰ প্ৰথম অৱকাশ আছে। চৰকাৰৰ পৰিকল্পিত ব্যয়ৰ ক্ষমতা যদি বৃদ্ধিয়েই পাইছে, তেনেহ'লে ২০২২-২৩ বৰ্ষৰ বাজেট প্ৰাক্কলনত ৰাহি দেখুৱায় কেনেকৈ? ৰাজ্যখনৰ উন্নয়ন বা আৰ্থিক বৃদ্ধিৰ বাবে খৰচহে বাঢ়িব লাগে, জমা নহয়। চৰকাৰে আৰম্ভণিৰ ১০২০.৫০ কোটি টকাৰ ঘাটি ৬০০.৩৬ কোটিলৈ কমোৱাৰ অৰ্থই হৈছে প্ৰাক্কলিত খৰচ হ্ৰাস কৰা। প্ৰশ্ন হৈছে, সেই ব্যয় হ্ৰাসৰ ফলত ক্ষতিগ্ৰস্ত হ'ব কোনখন ক্ষেত্ৰ? প্ৰয়োজনীয় খৰচ কৰ্তন কৰি ৰাহি কৰাটো সঠিক বিত্তীয় ব্যৱস্থাপনা হ'ব নোৱাৰে।

কথা আৰু আছে। চৰকাৰে বাজেটবোৰত যি পৰিমাণৰ ব্যয় আগতীয়াকৈ নিৰ্ধাৰণ কৰে, বছৰটোৰ ভিতৰত সিমান টকা সম্পূৰ্ণভাৱে কোনোটো বছৰতে খৰচ কৰিব পৰা নাই। যোৱা ২০২০-২১ৰ বাবে খৰচ নিৰ্ধাৰণ কৰা হৈছিল ১১৯০০০ কোটি টকা; কিন্তু চৰকাৰে খৰচ কৰিব পাৰিলে মাত্ৰ ৭৬৭৪৭ কোটি টকাহে (৬৪ শতাংশ)। এই বৰ্ষ (২০২১-২২) তো ব্যয়ৰ গতি একেটাই। বাজেটত ধাৰ্য কৰা হৈছিল ১.৩১ লাখ কোটি টকা, কিন্তু যোৱা ডিচেম্বৰলৈকে জনামতে ৫৫ হেজাৰ কোটি টকামানহে ব্যয় হৈছে। তাৰ লগত জানুৱাৰী-মাৰ্চ মাহ তিনিটাৰ খৰচ যোগ হ'বগৈ। সেই বুলি বছৰটোৰ মুঠ খৰচ বাঢ়ি গৈ এক লাখ কোটি টকাতো নহ'বগৈ! সেই হিচাপত ২০২২-২৩ৰ বাবে যি টকা নিৰ্ধাৰণ কৰা হৈছে, তাৰো এটা অংশহে কাৰ্যতঃ খৰচ হ'বগৈ। তাৰ ভিতৰত ৰাজহ শিতানৰ খৰচখিনি, অৰ্থাৎ কৰ্মচাৰীৰ দা-দৰমহা আৰু প্ৰতিষ্ঠানিক খা-খৰচবোৰতে সৰহখিনি টকা ব্যয় হ'বগৈ। সেই ব্যয় হৈছে অনুৎপাদনশীল ব্যয়। আনহাতে, উৎপাদনশীল মূলধনী শিতানবোৰত ব্যয় হ'বগৈ সামান্য। ৰাস্তা-ঘাট, মথাউৰি, দলং, বন্দৰ, কলেজ-বিশ্ববিদ্যালয়, ঐতিহ্যক্ষেত্ৰ আৰু আন কেতবোৰ আঁচনিৰ ৰূপায়ণতেই তাৰ সৰহখিনি টকা ব্যয় হ'বগৈ। কৰ্মসংস্থান সৃষ্টি কৰিব পৰা উৎপাদন আৰু ব্যৱসায় খণ্ডৰ বাবে বিশেষ টকা নাথাকিবগৈয়ে। কৃষি, উদ্যোগ, পৰ্যটন আদি খণ্ডবোৰেই হৈছে আৰ্থিক বৃদ্ধি আৰু কৰ্মসংস্থান সৃষ্টিৰ আচল ক্ষেত্ৰ; কিন্তু ২০২২-২৩ৰ বাজেটত এই খণ্ডবোৰৰ প্ৰতি ন্যায্য গুৰুত্ব দিয়া হোৱা নাই। পৰ্যটনৰ বিকাশৰ নামত কেইখনমান চাহ বাগিচা আৰু ব্ৰহ্মপুত্ৰৰ দাঁতিত অতিথিশালা নিৰ্মাণৰ বাবে ৫০ কোটি মান টকা ধাৰ্য কৰিয়েই সামৰা হৈছে। সেইদৰে কৃষিখণ্ডৰ বাবেও ধাৰ্য কৰা হৈছে মাত্ৰ ১৮২৩.১৩ কোটি টকা। তাৰ ভিতৰত কৃষকৰ ফচল বীমা যোজনাৰ টকাও আছে। আৰু আছে ১৯০০০ নলীনাদ বিতৰণৰ আঁচনি। সিমানেই। তাৰ দ্বাৰা কৃষকৰ আয় আৰু উৎপাদনশীলতা কেনেকৈ বৃদ্ধি পাব, বুজা টান। সেয়ে কৃষিত কৰ্মসংস্থান সৃষ্টিৰ সম্ভাৱনাও একপ্ৰকাৰ শূন্য। ৰাজ্যত কৃষিযোগ্য ভূমিৰ পৰিমাণো প্ৰতিবছৰে একলাখ হেক্টৰ মানকৈ কমি আহিছে। আৱাসিক গৃহ-নিৰ্মাণ আৰু ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰ স্থাপনৰ স্বাৰ্থত কৃষিভূমিৰ ব্যাপক হস্তান্তৰ আৰু শ্ৰেণী পৰিৱৰ্তন হৈ আছে।

উৎপাদনশীল খণ্ড তথা কাম-কাজবোৰৰ প্ৰতি চৰকাৰৰ পৰ্যাপ্ত মনোযোগ নাই বাবেই নিবনুৱা সমস্যাৰ সমাধানৰ বিষয়তো চৰকাৰ একপ্ৰকাৰ নিৰূপায়। চলিত বৰ্ষৰ বাবে যোৱাবাৰৰ বাজেটত এক লাখ চাকৰি সৃষ্টিৰ প্ৰস্তাৱ আছিল। এতিয়ালৈকে ১১ হেজাৰমান যুৱক-যুৱতীকহে চাকৰি দিয়া হৈছে আৰু অহা ৩১ মাৰ্চৰ ভিতৰত চৰকাৰৰ বিভিন্ন বিভাগে মুঠ ৫০৯৩০টা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰাৰ কথা। তদুপৰি তৃতীয় আৰু চতুৰ্থ বৰ্গৰ মুঠ প্ৰায় ২৭ হেজাৰ আৰু অসম লোকসেৱা আয়োগৰ অধীনস্থ গ্ৰেড-১ আৰু গ্ৰেড-২ শ্ৰেণীৰ মুঠ পাঁচ হেজাৰ মান খালী পদ পূৰণ কৰাৰ কথাও কোৱা হৈছে। তথাপি একলাখ নহয়গৈ। বাকীখিনি পূৰণ কৰাৰ কোনো উপায় বাজেটখনত নাই। কৰ্ম সংস্থানৰ অৱস্থা এইটো। ৰাজ্যত ২৪/২৫ লাখমান পঞ্জীয়নভুক্ত নিবনুৱা আছে। পঞ্জীয়ন নকৰাসকলৰ কথা বাৰু বাদেই। চৰকাৰে চৰকাৰী বিভাগবোৰত আৰু কিমানক চাকৰি দিব? চৰকাৰী চাকৰিয়ে মুঠ নিবনুৱা বাহিনীৰ দুই/এক শতাংশতকৈ অধিক সংখ্যকক সামৰি ল'ব নোৱাৰে। বিপুল সংখ্যক যুৱক-যুৱতীৰ বাবে বেচৰকাৰী উদ্যোগ, ব্যৱসায়, কৃষি, পৰ্যটন আদিত কৰ্মসংস্থানৰ সুযোগ মুকলি হ'ব লাগিব। তাৰ বাবে চৰকাৰৰ পৰ্যাপ্ত দৃষ্টি আৰু পুঁজিৰ বিনিয়োগ লাগিব। সেই ক্ষেত্ৰতে চৰকাৰখন দিশহাৰা আৰু বাজেটখনো নিষ্প্ৰভ।

কৃষি বিভাগৰ বাবে মাত্ৰ ১৮ শ কোটি টকা ধাৰ্য কৰাৰ বিপৰীতে শিক্ষা বিভাগৰ বাবে ধাৰ্য কৰা হৈছে ১৯৯৮২.৯২ কোটি টকা। দেশ বা ৰাজ্যখনত বুনিয়াদীৰ পৰা উচ্চ পৰ্যায়লৈকে শিক্ষাৰ বহুল সম্প্ৰসাৰণ হোৱা উচিত। সকলোৰে জীৱন ধাৰণৰ বাবে খাদ্যৰ দৰে শিক্ষাও অপৰিহাৰ্য হোৱা উচিত। সেই ফালৰ পৰা শিক্ষাখণ্ডত চৰকাৰী ব্যয় যিমানে বাঢ়ে সিমানেই ভাল; কিন্তু আজিৰ চাকৰি-বাকৰিৰ মহাৰ্ঘ্য বজাৰৰ দিনত কৰ্মমুখী বা বৃত্তিমুখী শিক্ষাইহে প্ৰাধান্য পাব লাগিব। তাৰ বাবে মাধ্যমিক স্তৰতে ছাত্ৰ-ছাত্ৰীৰ বৃত্তি নিৰ্ধাৰণৰ অনুশীলন চলা উচিত। চৰকাৰখনে সেই কাম কৰিব পৰা নাই আৰু তাৰ ফলত উচ্চ শিক্ষাত অসম্ভৱ ভিৰ লাগিছে। চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ বৰ্ধিত প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি কলেজ আৰু বিশ্ববিদ্যালয় পতাৰ অভিযানত নামি পৰিছে। এতিয়া জিলাই জিলাই একোখন মেডিকেল কলেজ, একোখন ইঞ্জিনীয়াৰিং কলেজ, একোখন বিশ্ববিদ্যালয় হয়তো স্থাপন হ'বগৈ। সেইবোৰৰ আন্তঃগাঁথনি কি হ'ব, পৰ্যাপ্ত সংখ্যক শিক্ষক-শিক্ষয়িত্ৰী তাৎক্ষণিকভাৱে ক'ৰ পৰা ওলাব, সেইবোৰৰ খা-খৰচ চৰকাৰে কিমান দিনলৈ বহন কৰিব, সেইবোৰৰ শিক্ষাৰ মান কি হ'ব, সেইবোৰ কথাৰ কোনো বাছ-বিচাৰৰে প্ৰয়োজন যেন এতিয়া চৰকাৰখনেই নোহোৱা কৰি পেলাইছে। পৰিণামত কি হ'বগৈ? জাকে-জাকে ডাক্তৰ, ইঞ্জিনীয়াৰ, স্নাতকোত্তৰ ডিগ্ৰিধাৰী আদিৰ সৃষ্টি নিশ্চয় হ'বগৈ; কিন্তু তেওঁলোকৰ প্ৰকৃত যোগ্যতা আৰ্জনৰ কোনো নিশ্চয়তা নাথাকিবগৈ আৰু চাকৰি-বাকৰিৰ প্ৰতিযোগিতাৰ বজাৰখনত তেওঁলোকৰ সৰহসংখ্যকেই হয়তো টিকিব নোৱাৰি শিক্ষিত নিবনুৱাৰ সংখ্যাহে বৃদ্ধি কৰিবগৈ।

**ঋণ ল'লে সুদ পৰিশোধৰ ক্ষমতাও চৰকাৰখনৰ থাকিব লাগে। তাৰ বাবে ঋণৰ উৎপাদনশীল ব্যৱহাৰ অপৰিহাৰ্য। উচ্চাংকাক্ষী মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ চৰকাৰখনে ঋণৰ সদ্ব্যৱহাৰ কৰি ঋণজালৰ পৰা বাচি থাকিব বুলিয়েই মোৰ বিশ্বাস। তেওঁৰ আকাংক্ষা, উদ্যম, আগ্ৰাসী মনোভাব আৰু দক্ষতাই তাৰ প্ৰতিশ্ৰুতি বহন কৰিছে।**

কেৱল বাজেটীয় ব্যয়ৰ ক্ষেত্ৰতহে যে চৰকাৰখন আংশিকভাৱে বিফল হৈ আহিছে, তেনে নহয়; বাজেট-নিৰ্ধাৰিত আয়ৰ ক্ষেত্ৰতো চৰকাৰৰ লক্ষ্য সম্পূৰ্ণ পূৰণ হোৱাৰ নজিৰ বোধকৰো নাই। বাজেট নিৰ্ধাৰিত ব্যয়বোৰ পূৰ্ণ কৰাত যে চৰকাৰ প্ৰতি বছৰে ব্যৰ্থ হৈ আহিছে তাৰ একমাত্ৰ কাৰণ হৈছে ৰাজহ আয়ৰ শিতানত সম পৰিমাণৰ ঘাটি। ২০২০-২১ৰ বাজেটত ধাৰ্য কৰা ৰাজহ সংগ্ৰহৰ লক্ষ্য ৬৪ শতাংশহে পূৰণ হৈছিল; উপাৰ্জন হৈছিল মাত্ৰ ৭৬,৭৪৮ কোটি টকাহে। সেইখিনিকে খৰচ কৰাও হৈছিল। ২০২১-২২ তো যোৱা ডিচেম্বৰলৈকে ৰাজহ সংগ্ৰহ হৈছে মাত্ৰ ৫৫০৭৮ কোটি টকা আৰু ব্যয় কৰাও হৈছে কেৱল সেইখিনিকেই। ৰাজ্যখনত ৰাজহৰ সংগ্ৰহ যে বাঢ়িছে, সিয়ো সঁচা কথা। সেই সংগ্ৰহ বঢ়াৰ বাবেহে চৰকাৰে অধিক হাৰত ব্যয়ো কৰিব পাৰিছে; কিন্তু চৰকাৰে বাজেটত ৰাজহ সংগ্ৰহৰ যি লক্ষ্য ধাৰ্য কৰে বা কৰিছে সেই লক্ষ্য আগতে কোনোদিনে পূৰণ হোৱা নাই আৰু আগলৈও পূৰণ নহয়। গতিকে ব্যয়ৰ ক্ষেত্ৰতো বহুখিনি কৰ্তন কৰিবলৈ চৰকাৰ বাধ্য হ'বই; কিন্তু কথা হৈছে, কোনবোৰ শিতানৰ ব্যয় চৰকাৰখনে কৰ্তন কৰিব? যিবোৰ আঁচনিয়ে চৰকাৰখনৰ জনপ্ৰিয়তা বঢ়াইছে, শাসক দলৰ বাবে ভোটাৰৰ সংখ্যা বঢ়াই আছে, তেনেবোৰ আঁচনি অনুৎপাদনশীল আৰু নিষ্কৰ্মা সৃষ্টিকাৰী হ'লেও সেইবোৰৰ বাজেট-নিৰ্ধাৰিত ধন চৰকাৰে পৰাপক্ষত কৰ্তন নকৰিব। চৰকাৰে খৰচ কমাবলগীয়া হ'লে আৰম্ভ কৰা উন্নয়নমূলক আঁচনিবোৰকে আধাতে এৰি দিব, ঠিকাদাৰসকলৰ প্ৰাপ্য ধন আদায় নিদিয়াকৈ ৰাখি থ'ব, ঠিকাভিত্তিক চাকৰিয়ালসকলক দৰমহা নিদিয়াকৈ থ'ব, পূৰণ নকৰিলেও চলি যোৱা কেতবোৰ প্ৰতিশ্ৰুতিৰ কথা পাহৰি থাকিব ইত্যাদি। সেয়ে চৰকাৰৰ বিত্তীয় ব্যৱস্থাপনাৰ সাফল্য প্ৰতিপন্ন হ'ব ৰাজহ সংগ্ৰহৰ লক্ষ্য পূৰণৰ জৰিয়তেহে আৰু তাৰ বাবে প্ৰয়োজন হোৱা চৰকাৰৰ বিত্তীয় আৰু প্ৰশাসনিক সংস্কাৰবোৰৰ মাজতহে। বৰ্তমান ড০ শৰ্মা চৰকাৰে গ্ৰহণ কৰা সংস্কাৰবোৰে সুফল দিবগৈ নে নিদিয়ে, সেইটো নিশ্চয় লক্ষ্যণীয় কথা হ'ব।

ৰাজহুৱা বা ব্যক্তিগত বিত্তীয় প্ৰতিষ্ঠানবোৰৰ পৰা লোৱা ঋণবোৰো চৰকাৰৰ বাজেটীয় আয়ৰ এটা উৎস। অসম চৰকাৰৰ মূৰত ইতিমধ্যে ১,০৮,৩৪৭.২৭ কোটি টকাৰ ঋণৰ বোজা এটা আছেই। এতিয়া অহা বিত্তীয় বৰ্ষত চৰকাৰে পুনৰ ১৯৩৫৪.৫৯ কোটি ঋণ লোৱাৰ প্ৰস্তাৱ বাজেটত সন্নিৱিষ্ট কৰিছে। Fiscal Responsibility and Budget Management-ৰ নিয়মমতে চৰকাৰ এখনে বাজেটৰ বিত্তীয় ঘাটি জিডিপিৰ তিনি শতাংশৰ ভিতৰতে সীমাবদ্ধ ৰাখিব লাগে। নহ'লে ঋণৰ পৰিমাণ বঢ়াই যাব লাগিব আৰু তাৰ নেতিবাচক প্ৰভাৱ বেংক আৰু ব্যক্তিগত বিনিয়োগকাৰীসকলৰ ওপৰত সুদৰ হাৰ বৃদ্ধিৰ জৰিয়তে অনুভূত হ'বগৈ। কেন্দ্ৰীয় বাজেটত এই নিয়ম ৰক্ষা কৰিব পৰা হোৱা নাই; কিন্তু অসম চৰকাৰে বাজেট ঘাটি বঢ়োৱা নাই, কমাইছেহে। গতিকে ঋণ গ্ৰহণ আৰু সুদ পৰিশোধৰ বাবে ৰাজ্য চৰকাৰ সক্ষম। মোৰ ধাৰণা, ড০ শৰ্মা চৰকাৰে আগন্তুক বিত্তীয় বৰ্ষত ঋণৰ পৰিমাণ আৰু বঢ়াব কেতবোৰ আঁচনিৰ ৰূপায়ণৰ স্বাৰ্থত। অৱশ্যে সেইটোৱে নিৰ্ভৰ কৰিব ৰাজহ সংগ্ৰহৰ পৰিমাণৰ ওপৰত। ঋণ ল'লে সুদ পৰিশোধৰ ক্ষমতাও চৰকাৰখনৰ থাকিব লাগে। তাৰ বাবে ঋণৰ উৎপাদনশীল ব্যৱহাৰ অপৰিহাৰ্য। উচ্চাংকাক্ষী মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ চৰকাৰখনে ঋণৰ সদ্ব্যৱহাৰ কৰি ঋণজালৰ পৰা বাচি থাকিব বুলিয়েই মোৰ বিশ্বাস। তেওঁৰ আকাংক্ষা, উদ্যম, আগ্ৰাসী মনোভাব আৰু দক্ষতাই তাৰ প্ৰতিশ্ৰুতি বহন কৰিছে।

*ফোন ঃ ৮৮১১৮২৭৪৩২*

# সীমা সমস্যাৰ বাবে কেৱল অসমেই দায়ীনে?

## অসমবাসীয়ে শান্তিপূৰ্ণ আলোচনাৰে সমস্যাটো সমাধান হোৱাৰ দিনটোলৈ আশাৰে বাট চাই আছে

‘দৈনিক অগ্ৰদূত’ৰ

ফণীধৰ পাঠক

**সীমা** সমস্যা দুখন ৰাজ্য বা দেশৰ মাজতো থকা দেখা যায়। সীমা ভাগ-বাটোৱাৰা কৰাৰ সময়তে আচলতে এই বিষয়টো নিষ্পত্তি কৰি ল'ব নোৱাৰিলে পাছত এটা কঠিন বিষয়ত পৰিণত হৈ পৰে। উদাহৰণৰূপে অসম-নগালেণ্ডৰ মাজত থকা সীমা বিবাদৰ কথাকে ক'ব পাৰি। যিসময়ত অসমৰ পৰা ওলাই গৈ নিজ ৰাজ্যৰ সৃষ্টি হ'ল সেই সময়তে সীমাৰ চিহ্ন নিৰ্ণয় কৰা হ'লে আজি সমস্যাই গুৰুতৰ ৰূপ ধাৰণ নকৰিলেহেঁতেন। নগালেণ্ডৰ দৰে মেঘালয়, অৰুণাচল, মিজোৰামৰ স'তে অসমৰ সীমা সমস্যা আছে আৰু এই ৰাজ্যসমূহৰ লগতো অসমৰ সংঘাত প্ৰায়ে হৈ থাকে। ইয়াৰ বাবে অৱশ্যে সকলো ৰাজ্যৰ শাসনকৰ্তাসকলক জগৰীয়া কৰিব পাৰি যদিও অসম এই ক্ষেত্ৰত বেছি জগৰীয়া বুলি ভবাৰ থল আছে। কাৰণ সেই ৰাজ্যসমূহ আগতে অসমৰে অন্তৰ্ভুক্ত আছিল। সেয়ে তেওঁলোকে অসমৰ পৰা ওলাই যোৱাৰ সময়তে সীমা নিৰ্ধাৰণ কৰি দিব লাগিছিল। আৰু সীমা নিৰ্ধাৰণ নোহোৱাকৈ ফালৰি কাটি যাবলৈ দিব নালাগিছিল; কিন্তু এই সাধাৰণ কামটোকে কি কাৰণত সেই সময়ৰ প্ৰশাসনে নকৰিলে সেয়া আমাৰ বাবে এক নুবুজা সাঁথৰ। কিন্তু তেওঁলোকে কৰি যোৱা ভুলৰ পৰিণতি আজি উত্তৰ পুৰুষে ভুগিব লাগিছে।

অৱশ্যে বৰ্তমানৰ অসম চৰকাৰে সীমা সমস্যা নিষ্পত্তি কৰাৰ বাবে আগবাঢ়িছে। যদি এতিয়াৰ চৰকাৰে সমস্যাটো সমাধান কৰিবলৈ সক্ষম হয় তেনেহ'লে চৰকাৰ সাৰ্থক হ'ব আৰু লগতে অসমীয়াৰ এক দীৰ্ঘদিনীয়া সমস্যাৰ অন্ত পৰিব। অসমবাসীয়ে শান্তিপূৰ্ণ আলোচনাৰে সমস্যাটো সমাধান হোৱাৰ দিনটোলৈ আশাৰে বাট চাই আছে।

সীমান্ত বিবাদ সম্পৰ্কে লেখক **প্ৰমোদ কাকতি**য়ে কয় যে দেশে-স্বাধীনতা লাভ কৰাৰ প্ৰথমাৰ্ধত থাকি যোৱা বিবাদসমূহ বৰ্তমানৰ চৰকাৰখনে অৱহেলা নকৰি সাৱধানেৰে সমাধান কৰা উচিত।

লেখক **মৃগেন শৰ্মা**ই কয়, সীমান্তত সুৰক্ষা ব্যৱস্থাটো কটকটীয়া হ'ব লাগিব।

লেখিকা **মণীষা শৰ্মা**ই কয় যে সাতভনীৰ মাজত চলি থকা সীমা বিবাদ অতি শীঘ্ৰে সমাধান হোৱাটো বিচাৰো।

লেখিকা **স্বৰ্ণলতা পাঠকে** কয় যে অসমৰ সীমা সমস্যাটো পৃথক ৰাজ্য গঠন হওঁতে যুগুতোৱা নথি-পত্ৰৰ ভিত্তিত সমাধা হ'ব লাগে।

লেখক **আব্দুল হালিম আহমেদে** কয় যে সীমা বিবাদ ৰাজনৈতিকভাৱে সমাধান হ'ব লাগিছিল যদিও তাকে নকৰি জীয়াই ৰখা হৈছে।

লেখক **দিলীপ বৰ্মনে** কয় যে অসমক সাতভনীৰ দেশ বুলি কোৱা হয় যদিও অসমৰ বাহিৰে বাকী ভনীকেইজনীয়ে নিজৰ ইচ্ছাত চলে। ফলত অসম ভগ্নীয়ে বহুত সহিবলগীয়া হয়। লেখক প্ৰদীপ কুমাৰ শৰ্মাই কয় যে দুৰ্বল ভূমি সম্পৰ্কীয় প্ৰশাসনিক ব্যৱস্থাৰ বাবেই অসমত সীমা সমস্যাই তীব্ৰ ৰূপ ধাৰণ কৰিছে।

গল্পকাৰ **অজিত ৰাজবংশী**য়ে কয় যে বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে অসম-মেঘালয়ৰ সীমা সমস্যা সমাধানৰ বাবে যেনেদৰে কাৰ্য ব্যৱস্থা হাতত লৈছে সেয়া গ্ৰহণযোগ্য।

লেখিকা **জুৰি গোস্বামী শৰ্মা**ই কয় যে ৰাজ্য সৃষ্টিৰ সময়তে যদি সীমা নিৰ্ধাৰণ নিকপকপীয়া কৰি দিলেহেঁতেন, তেতিয়াহ'লে আজি এই সমস্যাই দেখা নিদিলেহেঁতেন।

লেখক **আৰ্চি নাথে** কয় যে ড° হিমন্ত বিশ্ব শৰ্মাই কিছু এৰা-ধৰাৰ মাজেৰে সীমা সমস্যা সমাধান কৰিবলৈ লোৱাটো সমৰ্থনযোগ্য।

লেখক **পংকজ পল্লৱ শৰ্মা**ই কয় যে এক সুস্থিৰ সিদ্ধান্তৰ অভাৱতে সীমা সমস্যাৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত সংশ্লিষ্ট চৰকাৰসমূহে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰি সীমা সমস্যা সমাধান কৰা উচিত।

লেখক **খনীন্দ্ৰ নাথ দাসে** কয় যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক সীমা সমস্যাৰ সমাধান কৰি দিবলৈ বাধ্য কৰাব লাগে।

লেখিকা **মীনা তালুকদাৰে** কয় যে সীমা সমস্যাৰ বাবে সকলো ৰাজ্যই দায়ী যদিও এই ক্ষেত্ৰত অসমৰ ফালে ভৰটো বেছি।

লেখিকা **পংকজা দাসে** কয় যে বিভাজনৰ সময়ত সীমা ভালকৈ নিৰ্ধাৰণ নকৰাৰ ফলতে আজি সমস্যাৰ সৃষ্টি হৈছে।

লেখক **ৰমেন দাসে** কয় যে বৰ্তমানৰ অসম চৰকাৰখনে সীমা সমস্যা মীমাংসা কৰাৰ বাবে গুৰুত্ব-সহকাৰে আগবাঢ়ি অহাটো শুভ লক্ষণ।

লেখিকা **দীপ্তি ঠাকুৰ গোস্বামী**য়ে কয় যে সীমা সমস্যা সমাধান কৰিব লাগিলে সীমামূৰীয়া ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলে গুৰুত্বপূৰ্ণ আলাপ-আলোচনাৰ মাজেৰে সমাধান কৰিব লাগিব।

লেখিকা **জুৰি শইকীয়া**ই কয় যে আমাৰ ৰাজ্যলৈ আহিবলৈ তেওঁলোকৰ অনুমতিৰ প্ৰয়োজন নাই; কিন্তু আমি যাবলৈ হ'লে অনুমতি লাগে।

লেখক **জ্যোতিষ চন্দ্ৰ দত্ত**ই কয় যে সীমা বিবাদৰ মূল উৎস হ'ল চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি আওকাণ, ধৰ্মৰ উন্মাদনা, ৰাজনৈতিক মুনাফা আদি।

লেখিকা **অণু বৰা হাজৰিকা**ই কয় যে সীমামূৰীয়া গাঁৱৰ বাসিন্দাসকলৰ সঠিক নথি-পত্ৰ নথকা বাবে কোনে কোনখন ৰাজ্যৰ বাসিন্দা গম নাপায়।

লেখিকা **আশা আহমেদে** কয় যে অসমৰ পৰা আঁতৰি গৈ যি ৰাজ্য হ'ল তেওঁলোকৰ স'তে আলাপ-আলোচনা কৰি সীমা সমস্যাৰ স্থায়ী সমাধান উলিয়াব লাগে।

লেখক **কুলেন বৰ্মনে** কয় যে সীমা সমস্যা নিষ্পত্তি তথা সীমা বিবাদ সমাধান নোহোৱাৰ মূলতে হ'ল চৰকাৰৰ গা এৰা দিয়া মনোভাৱ।

লেখিকা **শিখা হাজৰিকা**ই কয় যে অসম চৰকাৰে যদি ৰাজ্যৰ সীমান্তৱৰ্তী অঞ্চলসমূহক ইমানদিনে এলাগী কৰি নাৰাখিলেহেঁতেন, তেন্তে চুবুৰীয়া ৰাজ্যকেইখনে সীমা দখল কৰিবলৈ সাহস নকৰিলেহেঁতেন।

লেখিকা **অঞ্জলিকা চক্ৰৱৰ্তী**য়ে কয় যে সীমা বিবাদ সমাধানৰ বাবে দ্বিপাক্ষিক আলোচনাৰে মীমাংসা কৰিব লাগে।

লেখিকা **ৰমিছা বেগমে** কয় যে অসমৰ সীমা সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লোৱা পদক্ষেপে অসমবাসীৰ মনলৈ আশাৰ সঞ্চাৰ কঢ়িয়াই আনিছে।

লেখিকা **ৰূপলেখা তামুলী**য়ে কয় যে এটা সময়ত সীমান্ত বিবাদৰ বাবে আওপকীয়াকৈ হ'লেও একমাত্ৰ অসমেই দায়ী বুলি নৱপ্ৰজন্মই ক'বলৈ বাধ্য হ'ব।

লেখিকা **অঞ্জনা দাস হাজৰিকা**ই কয় যে কোনো ৰাজ্যৰ মাজত সীমা বিবাদ থাকিলেও দুয়োখন ৰাজ্যৰ মুৰব্বীসকলে এৰাধৰাৰ মাজেৰে সমস্যা সমাধান কৰিব লাগে।

লেখক **বলোৰাম দাস,** লেখক **দিলীপ কুমাৰ শৰ্মা, ফণীন্দ্ৰ নাথ বৰ্মন, আদিত্য বড়োৱে** কয় যে বৰ্তমানৰ অসম চৰকাৰখনে সীমা সমস্যা সমাধানৰ বাবে যি পদক্ষেপ লৈছে সি আদৰণীয়।

লেখক **কিৰণ চন্দ্ৰ দাসে** কয় যে প্ৰতিখন চুবুৰীয়া ৰাজ্যৰ মুৰব্বীসকলে এৰা-ধৰাৰ মাজেৰে সীমা সমস্যা সমাধান কৰিব লাগে।

লেখক **অঞ্জন শৰ্মা**ই কয় যে অসমৰ সীমা সমস্যা সমাধান কৰাৰ বাবে অসমৰ ১৪ গৰাকী সাংসদ আৰু অসম চৰকাৰে সমস্যাটো সমাধান কৰি দিয়াৰ বাবে কেন্দ্ৰক বাধ্য কৰাব লাগে।

লেখিকা **জোৎস্না কলিতা**ই কয় যে অসমৰ সীমা সমস্যা সমাধান কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোৱা পদক্ষেপ আদৰণীয়।

লেখক **পৰাণ চন্দ্ৰ দাসে** কয় অসমৰ সীমা সমস্যাৰ সমাধান কৰিব নোৱাৰিলে সীমান্তবাসীয়ে সদায় ভয় শংকাত দিন অতিবাহিত কৰিব লাগিব। সেয়ে বৰ্তমানৰ অসমৰ মুখ্যমন্ত্ৰীয়ে সমস্যাটো শীঘ্ৰে সমাধান কৰিব লাগে।

# সংকটত কেৱল ইউক্ৰেইন?

অভিমত

**যোৱা** সাত মাৰ্চৰ ‘দৈনিক অগ্ৰদূত’ত প্ৰকাশিত ‘সংকটত কেৱল ইউক্ৰেইন?’ শীৰ্ষক নিৱন্ধটোত নিৱন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই ‘ইউক্ৰেইন ৰাছিয়া’ৰ যুদ্ধই যে সমগ্ৰ বিশ্ববাসীক এক অবাঞ্চিত সংকটত অৱতীৰ্ণ কৰিব, তাৰ ইংগিত সুন্দৰ আৰু সাৱলীলভাৱে উপস্থাপন কৰিছে। এই নিৱন্ধটোৰ আঁত ধৰি মোৰ মনৰ ভাব প্ৰকাশ কৰিলো।

ইউক্ৰেইন অস্তিত্বৰ সংকটত- ইয়াৰ আঁতিগুৰি বিচাৰ কৰিলে দেখা যায় যে ইউক্ৰেইনৰ আভ্যন্তৰীণ অন্তৰ কন্দলেই মূল কাৰণ। ইউক্ৰেইন প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ এখন দেশ। ইয়াৰ প্ৰধান সমস্যা হ'ল পানী আৰু বিজুলী বাতি। ইউক্ৰেইন প্ৰাকৃতিক সম্পদেৰে চহকী যদিও দুৰ্নীতি, কুশাসন, মিলাপ্ৰীতিৰ অভাৱ আদিৰ কাৰণে ই অন্য অনুন্নত দেশবোৰৰ ভিতৰৰে এখন। ২০১৩ত ইউক্ৰেইনৰ তদানীন্তন ৰাষ্ট্ৰপতি ভিক্টৰ য়ানুক'ভিচে ইউৰোপীয়ান ইউনিয়নৰ মতে আৰ্থিক সহযোগিতাৰ চুক্তি বাতিল কৰিবলৈ লোৱাৰ সময়ত উমি উমি জ্বলি থকা জুইকুৰা হঠাতে জ্বলি উঠে। ইউক্ৰেইন চৰকাৰে দমন নীতিৰে জনসাধাৰণৰ মাত বন্ধ কৰিবলৈ চেষ্টা কৰিলে; কিন্তু হিতেই বিপৰীত ৰূপ ল'লে। আন্দোলন তীব্ৰতৰ হ'ল। উপায়ান্তৰ হৈ ৰাষ্ট্ৰপতি ভিক্টৰ য়ানুক'ভিচ দেশ এৰি পলাবলৈ বাধ্য হ'ল।

খাল খান্দি ঘঁৰিয়াল মাতিলে। সুযোগ সন্ধানী ৰাছিয়াই সুযোগ গ্ৰহণ কৰি ৰুছ সৈন্য বাহিনীৰ দ্বাৰা ইউক্ৰেইনৰ ক্ৰিমিয়া অঞ্চল নিজৰ দখললৈ নিয়ে। ৰাছিয়াই কূটনৈতিক কৌশল প্ৰয়োগ কৰি ক্ৰিমিয়াক ৰাছিয়াৰ লগত সংযুক্ত কৰে। ইয়াতে সন্তুষ্ট নাথাকি ৰুছ সমৰ্থনকাৰীসকলৰ সহযোগত পূব ইউক্ৰেইনৰ ডনেস্ক আৰু লুহানস্ক কূটকৌশল ৰচনা কৰি গণভোটৰ মাধ্যমত স্বাধীন হিচাপে ঘোষণা কৰে।

ইউক্ৰেইনৰ ভাষা ইউক্ৰেনিয়ান; কিন্তু ইউক্ৰেইনৰ জনসাধাৰণৰ কিছু অংশই ৰুছ ভাষা কয়। ৰুছভাষীসকলে ইউক্ৰেনিয়ান ভাষা ক'বলৈ অস্বীকাৰ কৰে। সেয়ে মাজে-সময়ে দুয়োপক্ষৰ মাজত ভাষাৰ ভিত্তিত কাজিয়াৰ সূত্ৰপাত হয়। ৰুছভাষীসকলে ৰুছভাষা প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব প্ৰদান কৰে। ৰাছিয়াই ৰুছভাষীসকলক ইন্ধন যোগাই থাকে। ফলত ইউক্ৰেইনক অস্থিৰ কৰি তোলে।

ৰাছিয়াই ইউক্ৰেইন দখল কৰিবলৈ সুযোগ বিচাৰি আছিল। ইউক্ৰেইনে নাটোৰ সদস্য হ'ব খোজাৰ গইনা লৈ ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ কৰিলে। ইউক্ৰেইনেও প্ৰতি আক্ৰমণ কৰিলে। ৰাছিয়া-ইউক্ৰেইনৰ মাজত যুদ্ধ আৰম্ভ হ'ল। বিভিন্ন ৰাষ্ট্ৰৰ মুৰব্বীসকলে নানা ধৰণৰ মুখৰোচক কথাৰে যুদ্ধৰ অৱসান ঘটাবলৈ আপ্ৰাণ চেষ্টা কৰা বুলি বিশ্ববাসীক পতিয়ন নিয়াবলৈ বাতৰি কাকত, বৈদ্যুতিন মাধ্যম, সামাজিক মাধ্যম আদিত প্ৰচাৰ কৰিবলৈ ধৰিলে। বিশ্ব মানৱ অধিকাৰ সস্থা, ৰাষ্ট্ৰসংঘ আদিয়ে আলোচনা-বিলোচনা কৰিলে। সকলো ফুটুকাৰ ফেন। যুদ্ধ চলিয়ে থাকিল। আলোচনা বিফল হ'ল। ইয়াৰ কাৰণ পুংখানুপুংখভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰত্যেকখন ৰাষ্ট্ৰই নিজৰ নিজৰ স্বাৰ্থ পূৰণৰ বাবে উঠি পৰি লাগিছে। কিছুমানে ক্ষমতাৰ বাবে, কিছুমানে অৰ্থনৈতিক লাভালাভৰ বাবে, কিছুমানে শক্তিশালী ৰাষ্ট্ৰৰ ভয়ৰ বাবে নিৰপেক্ষ ভূমিকা ল'ব পৰা নাই। ৰাষ্ট্ৰসমূহৰ মাজতে যেতিয়া মতৰ মিল নাথাকে, গতিকে একগোট হৈ থিয় হোৱাৰ ক্ষমতা হেৰুৱাই পেলাইছে। ইয়ে বিশ্ববাসীলৈ অশনি সংকেত কঢ়িয়াই আনিছে।

ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধই তৃতীয় বিশ্বযুদ্ধৰ সূচনা বুলি বহুতে ক'ব খোজে। ৰাষ্ট্ৰসমূহৰ মাজত বিভাজনৰ ৰাজনীতিয়ে তাৰে ইংগিত বহন কৰিছে। যুদ্ধৰ ভয়াৱহতাৰ প্ৰতিচ্ছবি ইতিমধ্যে প্ৰথম বিশ্বযুদ্ধ আৰু দ্বিতীয় বিশ্বযুদ্ধৰ মাজেৰে বিশ্ববাসীক উদাহৰণ দাঙি ধৰিছে। তথাপি ক্ষমতাৰ বাবে এই বিধ্বংসী ধ্বংসযজ্ঞৰ আয়োজন কৰিছে। এই ধ্বংসযজ্ঞ প্ৰতিৰোধ কৰিবলৈ প্ৰত্যেকখন ৰাষ্ট্ৰই গৰ্ব, অহংকাৰ, ক্ৰোধ, অভিমান, ক্ষমতালিপ্সা, ভয়-ভীতি পৰিত্যাগ কৰি ভেদাভেদ পাহৰি বিশ্ববাসীৰ মংগলৰ বাবে এক হৈ থিয় হ'ব লাগিব। দেশ থাকিলেহে ক্ষমতা থাকিব। ইতিমধ্যে আমেৰিকাই শকুনিৰ ভাও লৈ ভাওনাৰ আখৰা আৰম্ভ কৰিছে। মহাশক্তিশালী চীনেও ধৃতৰাষ্ট্ৰৰ ভাও লৈ মৌনতা অৱলম্বন কৰিছে। আন আন ৰাষ্ট্ৰবোৰেও নিজৰ নিজৰ ভাওৰ বাবে পছন্দ চৰিত্ৰ বিচাৰি হাবাথুৰি খাইছে। কিছুমান ভাৱৰীয়াই ইতিমধ্যে ভাওনাৰ বচন আওৰাব ধৰিলে। কৃষ্ণৰ ভাও লোৱা ৰাষ্ট্ৰ বিচাৰি পোৱা নাই। ভাৰতবৰ্ষই ‘কৃষ্ণৰ ভাও’ ল'লে ভাল হ'ব বুলি বহুতে ক'ব খোজে। ইতিমধ্যে ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে কৈছে—‘যুদ্ধই সমস্যা সমাধান কৰিব নোৱাৰে, শান্তিৰ পৰিৱেশ গঢ়ি আলোচনাৰ মাধ্যমত সমস্যা সমাধানৰ পথ নিশ্চয় ওলাব।’ সেয়ে ভাৰতবৰ্ষই কৃষ্ণৰ ভাও লোৱা উচিত।

ইউক্ৰেইনে কেৱল সংকটত নহয়। যদি বিশ্বযুদ্ধ আৰম্ভ হয়, তেনেহ'লে ইয়াৰ বিষময় ফলসমূহ বিশ্বই ভুগিব লাগিব। ইউক্ৰেইনৰ আভ্যন্তৰীণ অন্তৰ কন্দলৰ বাবে ৰাছিয়াই সুযোগ গ্ৰহণ কৰি ইউক্ৰেইনক ধ্বংসস্তূপত পৰিণত কৰিলে।

**জ্যোতিষ চন্দ্ৰ দত্ত,** হাতীগাঁও
ফোন ঃ ৯৮৫৪০-৪১৮১৫

দৈনিক অগ্ৰদূত

# সাম্প্ৰদায়িক চিন্তা-ভাৱনা আৰু সমন্বয়-সম্প্ৰীতি

বিশ্বক উন্নত আৰু উন্নয়নশীল দুটা ভাগত ভগালেও মানুহবোৰৰ স্বভাৱ-চৰিত্ৰ দেশ-ভেদে একে নহ'লেও জন্ম, মৃত্যু, বিবাহ-মৈথুন, নিদ্ৰা আৰু ভ্ৰমণে মানুহক এক কৰি ৰাখিছে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত পৃথিৱীৰ মানুহে বুজিবলৈ চেষ্টা কৰিছিল যে পৃথিৱীক এখন সুখৰ নিলয় কৰিবলৈ হ'লে মানুহে সংঘাত আৰু সংঘৰ্ষ চিৰদিনলৈ বাদ দিব লাগিব অথবা তেনে পৰিস্থিতি এৰাই চলিব লাগিব। সেই কামটো কিন্তু কাহানিও নিয়াৰীকৈ কৰা হৈ নুঠিল।



অৱলোকন

ৰামচন্দ্ৰ চুতীয়া

আমি তেনেই সাধাৰণ মানুহ যদিও মাজে মাজে সময় পালেই আমাৰ জগতখনৰ মানচিত্ৰখনত এনেয়ে চকু ফুৰাই থাকো, তেতিয়াই দুটা এটা কথা শিকো বা স্কুলীয়া জীৱনত হাতত বাঁহৰ কাঠি এডাল লৈ ভূগোলৰ ছাৰে ব্লেকবৰ্ডত আঁৰি থোৱা মানচিত্ৰখনত যিখন ঠাই দেখুৱাবলৈ কয়, তাকে দেখুৱাই মনত বৰ ৰং পোৱাৰ কথা মনত পেলাওঁ। মানচিত্ৰত চাব খোজা ঠাইখন দেখুৱাব নোৱাৰিলে বৰ লাজ পাইছিলো, লগৰবোৰৰো সেয়ে দশা হৈছিল। সেই তাহানিখনতে হাতত কাহানিও চিটিপনি নোলোৱা, 'ৰসৰাজ' বিষ্ণু চাংমাই ছাৰে হাঁহি-ধেমালিৰ মাজেদি দিয়া ভূগোল বিষয়ৰ জ্ঞানৰ কথা আজিও আমাৰ মনত পৰে। সংসাৰত জীয়াই থাকোতে মানুহক ভৌগোলিক-জ্ঞানৰ কি প্ৰয়োজন তাক আজি সকলোৱে বুজে। সৰুতে সেই বাবেই সেই শিক্ষা আমাক দিয়া হৈছিল। ভূগোল বিষয়টো পঢ়োতে আমাৰ পৃথিৱীখনৰ বিশেষকৈ বিশ্বৰ দেশসমূহৰ বিষয়ে জানিবলৈ চেষ্টা কৰিছিলো। কোনখন দেশ ক'ত থাকে, কোন দিশে থাকে, কিয় বিখ্যাত সেইবোৰ ঠাইৰ সবিশেষ বিৱৰণ জানিবলৈ চেষ্টা কৰা হৈছিল। দেশে দেশে কি ধৰণৰ জলবায়ু, মানুহবোৰৰ স্বভাৱ-চৰিত্ৰ কেনে, জীৱ-জন্তু অথবা নৈসৰ্গিক বিশ্বৰূপৰ চিন্তা-ভাৱনাৰ কথা জনাত ভূগোলে আমাক শিক্ষা দিছিল।

বিশ্বক উন্নত আৰু উন্নয়নশীল দুটা ভাগত ভগালেও মানুহবোৰৰ স্বভাৱ-চৰিত্ৰ দেশ-ভেদে একে নহ'লেও জন্ম, মৃত্যু, বিবাহ-মৈথুন, নিদ্ৰা আৰু ভ্ৰমণে মানুহক এক কৰি ৰাখিছে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত পৃথিৱীৰ মানুহে বুজিবলৈ চেষ্টা কৰিছিল যে পৃথিৱীক এখন সুখৰ নিলয় কৰিবলৈ হ'লে মানুহে সংঘাত আৰু সংঘৰ্ষ চিৰদিনলৈ বাদ দিব লাগিব অথবা তেনে পৰিস্থিতি এৰাই চলিব লাগিব। সেই কামটো কিন্তু কাহানিও নিয়াৰীকৈ কৰা হৈ নুঠিল। আগৰ দিনৰ যুদ্ধ-বিগ্ৰহবোৰৰ উপৰি বিশ্বই চকুৰ আগতে দুখন বিশ্বযুদ্ধ দেখিও তাৰ পৰা একো শিক্ষা নল'লে। বিশ্বযুদ্ধ দুখনৰ পাছতো শক্তিশালী দেশবোৰে সদায় শিং ধৰাই থকা দেখা গ'ল। নাগাচাকি আৰু হিৰোচিমাৰ ধ্বংসলীলাৰ কথা মানুহে মনৰ পৰা আঁতৰাই থোৱা দেখা গ'ল। ইমান এটা ভয়ংকৰ দুৰ্ঘটনাকো কথা বুলিয়ে নধৰিলে। প্ৰতি বছৰে সেই বিভীষিকাময় ছবিখন তথাকথিত সভ্য মানুহবোৰে সমবেত হৈ মনত পেলালেও দেশবোৰে কিন্তু আণৱিক অস্ত্ৰ নবনোৱাকৈ নাথাকিল। এতিয়া যিমানবোৰ পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ মজুত কৰি ৰখা হৈছে, তাৰে গোটাছেৰেক নিক্ষেপ কৰিলেই আমাৰ ধুনীয়া পৃথিৱীখন নিমিষতে সম্পূৰ্ণ ধূলি-ধোঁৱা আৰু ছাইলৈ পৰিণত হ'ব। এই কথাটো নজনা কোনো মানুহ নাই, কিন্তু তথাপি তেওঁলোকৰ দম্ভ-অহংকাৰ অকণো কমা নাই। এই যুদ্ধ-উন্মাদ মানুহবোৰে আনৰ কথাতো ভাবিব নোৱাৰেই, আনকি নিজৰ ভৱিষ্যৎ প্ৰজন্মৰ কথাও এবাৰলৈও ভাবিব নোৱাৰে। চকুৰ আগতে বৰ্তমান বিশ্বত কি হৈ আছে, সেইবোৰ আমি দেখিয়ে আছো। মানৱ জাতি একবিংশ শতিকাত যিমান ওপৰলৈ উঠিল, সাৱধান নহ'লে সিমান ওপৰৰ পৰা অতল তললৈ খহি পৰি দাঁত-মুখ আটাইবোৰ ভাঙি পেলোৱাৰো পূৰ্ণ সম্ভাৱনা আছে। অগ্নিপিণ্ডই এফালৰ পৰা

যেতিয়া সকলো পুৰি ভস্মীভূত কৰিব, তেতিয়া মানুহে কিয় বিশ্বনিয়ন্তাইও মানুহক কোনোপধ্যে বিপদৰ পৰা ৰক্ষা কৰিব নোৱাৰিব। তথাপি জাতি-বৰ্ণ-ধৰ্মৰ নামত মানুহৰ অহংকাৰ কমা নাই। মানুহৰ অসহিষ্ণুতা ইমানেই বাঢ়িছে যে নিজৰ মাজতে যুঁজ-বাগৰ লাগি শক্তি ক্ষয় কৰিব লাগিছে। এখন দেশে আনখন দেশৰ বিৰুদ্ধে সন্ত্ৰাসবাদৰ দ্বাৰা হিংসা আৰু প্ৰতিশোধ লোৱাত কোনো দিন পাছ পৰা নাই। কেতিয়াবা আকৌ একোখন দেশৰ ভিতৰতে সংখ্যালঘু বা সংখ্যাগুৰুৰ বিৰুদ্ধে অঘোষিত যুদ্ধ ঘোষণা কৰি দেশৰ আভ্যন্তৰীণ শান্তিকো বিঘ্নিত কৰি তুলিছে। আমাৰ ভাৰততো সাম্প্ৰদায়িক বিষবাষ্প দ্ৰুত গতিত ইমূৰৰ পৰা সিমূৰলৈ বিয়পি পৰিছে। এনে এটা দিন কোনো কালে ভাৰতত আগতে সৃষ্টি হোৱা নাছিল। আৰ্য-অনাৰ্যৰ পূৰ্ণ সহযোগত দেশে এটা নতুন চৰিত্ৰৰ গঢ় লৈ বিশালতা তথা গভীৰ মানৱ প্ৰেমৰ আদৰ্শভূমি হৈ পৰিছিল। সেই আদৰ্শ আৰু অপূৰ্ব মিলনৰ ভাৰতবৰ্ষত সেয়েহে কোনোৱে সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিয়পাবলৈ চেষ্টা কৰিও আজিও সম্পূৰ্ণ সফল হ'ব পৰা নাই। কোটি কোটি নিৰন্ন আৰু দৰিদ্ৰই ভোকৰ ভাত মুঠিৰ কথা ভাবোতেই জীৱন পাত হোৱাৰ বেলিকা কোনো ৰামৰাজ্য নিৰ্মাণৰ সপোন দেখিবলৈও সাধাৰণ মানুহে সময় নাপায়। তেওঁলোকক ৰামতকৈ পেটৰ ভাত মুঠিহে প্ৰথম লাগিব। আজিৰ দিনত মুখ মেলিলেই কাৰ স্বাৰ্থ ক'ত থাকে, সেই কথা বুজি পোৱা মানুহৰ অভাব নাই। কোনেও কাকো চিৰকাল ভুল পথ দেখুৱাই স্বৰ্গলৈ যোৱাৰ পথ নিৰ্মাণ কৰিব নোৱাৰে। ধৰ্ম মানুহক লাগিব, কিন্তু সেই ধৰ্মই 'কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম'ৰ কথা ক'ব লাগিব। ধৰ্মৰ ভিত্তিত সমাজ ফালি কোনেও স্বৰ্গলৈ যাব নোৱাৰে। তেনে কাম কোনো ধৰ্মই কৰিব নোৱাৰে।

দেশ এখন শক্তিশালী হৈ থাকিবলৈ হ'লে দেশৰ সকলো নাগৰিকে সম-অধিকাৰ লাভ কৰি সুখ-শান্তিৰে কাল যাপন কৰিবলৈ সুবিধা পাব লাগিব। যি দেশত সমন্বয় আৰু সম্প্ৰীতিৰে সকলোকে একতাৰ ডোলেৰে বান্ধি ৰাখিব পাৰিছে, সেই দেশলৈ কোনেও আঙুলি টোঁৱাই কোনো ভাবুকি দিব নোৱাৰে। আমাৰ দেশখনত সকলো মানুহে নিজৰ দেশৰ বাবে প্ৰয়োজনৰ বেলা আপোন-প্ৰাণ পৰ্যন্ত ত্যাগ কৰিব পাৰে। তেনে কামত কোনো জাতি-বৰ্ণ-ধৰ্মৰ কথা নাহে। আঁহফলা মানুহবোৰে যিয়ে নকওক লাগে, দেশৰ জনতাই কিন্তু এতিয়াও ধৈৰ্য আৰু উদাৰতাৰে সকলোটি মিলিজুলি একেটি হৈ আছে। কাৰণ সেইটো আমাৰ দেশৰ ধৰ্ম। আগতেও কৈছো, আমাৰ দেশখনৰ বিশালতালৈ চাই আমি দেশখনক উপ-মহাদেশ বোলো। এই দেশৰ মানুহৰ সহনশীল গুণৰ কোনেও পৰীক্ষা ল'ব নালাগে। 'দেশতকৈ মোমাই ডাঙৰ নহয়' বোলাবোৰৰ লগতে সমগ্ৰ দেশখনৰ কোটি কোটি মানুহে দেশৰ জনপ্ৰতিনিধিৰ লগত সদায় সহযোগ কৰি গৈ আছে। ইয়াত কোনে জাতে কোনো জাতক হেঁচি ৰখা নাই, যি আগতে তেনে ভাব আছিল, শিক্ষাৰ আলোকেৰে তাক নোহোৱা কৰি লোৱা হ'ল। মানুহৰ মাজত মানুহৰ ভেদ ভাব নোহোৱা হোৱাৰ সময়তে দেশখনক কোনেও নানান অপকৰ্ম কৰি অশান্তিৰ মাজলৈ ঠেলি দিব নোৱাৰে। সেই কামটো

কৰিবলৈ হ'লে আমি ঐশ্বৰ্যশালী দেশখনৰ অনৈক্যৰ মাজতে যি সুদৃঢ় ঐক্য গঢ়ি তুলিছো, তাক ধ্বংস হ'বলৈ দিয়া উচিত নহ'ব।

আমাৰ দেশত বহুকেইটা ৰাজনৈতিক দল আছে, তেওঁলোকে নিজৰ নিজৰ দলৰ বিধিমতে দেশখন গঢ়িব খোজে, গঢ়ক- ভাল কথা। কিন্তু সেই কামটো কৰিবলৈ যাওঁতে দেশবাসীয়ে সাৱধানেৰে তেওঁলোকৰ গতিবিধি নিৰীক্ষণ কৰি থাকিব লাগিব। দেশৰ অমংগল হোৱা কোনো কামেই কোনো ৰাজনৈতিক দলে কৰা উচিত নহ'ব। এটা কথা সদায় মনত ৰাখিব লাগিব, দেশখন কোনো দলৰে পৈতৃক সম্পত্তি নহয়। ৰাজনীতিৰ যুদ্ধ কৰোতে কোনো দলে সাম্প্ৰদায়িক কথা-কাণ্ডবোৰৰ বিষয়ত সংঘাত হ'ব পৰা কথা কোৱা উচিত নহয়। প্ৰত্যেকেই প্ৰত্যেকক সন্মান কৰিবলৈ শিকা উচিত, এই দেশত যিসকল আছে তেওঁলোক প্ৰত্যেকেই নিজকে এইখন মহান দেশৰ নাগৰিক বুলি গণ্য কৰে। সেই কথাটো কোনো দলে পাহৰি যোৱা উচিত নহ'ব। নিজকে বেছি ভাৰতীয় বুলি ভবাসকলে বুজিব লাগিব এইখন দেশত কোনো মানুহেই কম ভাৰতীয় নহয়, সকলো সমান, সকলোৰে সম অধিকাৰ আছে। স্বাধীনতাৰ আগতে ৫৫৬খন ৰাজ্যত বহুধা বিভক্ত হৈ থকা দেশখন, এনেয়ে বতাহতে একেদিনাই এক হৈ এখন শক্তিশালী দেশ হোৱা নাই। ইয়াৰ বাবে আমাৰ অগ্ৰজসকলে নিৰন্তৰ সংগ্ৰাম কৰি প্ৰাণ পৰ্যন্ত বলি দি গৈছে। পূৰত আহোমে যিদৰে ছশ বছৰীয়া ৰাজ্য হেৰুৱাব লগা হৈছিল, সেইদৰে দেশখনৰ সকলোবোৰ স্বাধীনচিতীয়া অঞ্চলে নিজস্বতা হেৰুৱাই বা ত্যাগ কৰি শেষৰ ফালে দেশৰ



কাৰণে এক হোৱাটো কম গৌৰৱৰ কথা নহয়। দেশীয় ৰাজ্যবোৰক সুকীয়া সুকীয়া ৰাজফৈদে শাসন কৰাৰ ঐতিহাসিক সত্যটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বিদেশী শক্তিৰ হাতত এখনৰ পাছত আনখনে শিৰ অৱনত কৰি কেনেকৈ এটা পৰাধীন জাতি হৈ পৰিছিল তাৰ হৃদয়বিদাৰক কথাবোৰ পাহৰা অনুচিত। সেই পৰাধীনতা বা দাসত্বৰ পৰা মুক্ত হ'বলৈ কেৱল দেশখনৰ কোনো এটা সম্প্ৰদায়ে ব্ৰিটিছৰ বিৰুদ্ধে যুঁজা নাছিল। সকলোৱে যুঁজিছিল। স্বাধীনতা পোৱাৰ পাছত দেশবাসীয়ে যি অক্লান্ত-সংগ্ৰাম কৰি দেশ গঢ়িছিল, সেয়া কোনো এটা পৰিয়ালৰ দ্বাৰা মাত্ৰ হোৱা নাছিল, দেশখনে সমানে মিলিজুলি কৰিছিল। হিন্দু-মুছলমান প্ৰমুখ্যে যতবোৰ জাতি-উপজাতি আছে সকলোবোৰে মিলিজুলি দেশখন গঢ়ি আজিৰ অৱস্থাটো পোৱাইছেহি। সেইবোৰ কথা কোনোবাই নহয় বুলি ক'লেই তাক ইতিহাসে মানি নলয়। ইতিহাস নিৰ্মম, নিষ্ঠুৰ আৰু সদায় নিৰপেক্ষ। ইতিহাস সময়েহে সলনি কৰে, মানুহে নহয়। মানুহৰ জোৰকৈ ভঙা-পতাৰ পাছত, পুনৰ যি নতুন ইতিহাসে গঢ় লয়, সি হয় সত্য-সনাতন, নিৰ্মল আৰু সৰ্বজন গ্ৰহণীয়। তাকে গালিবে কৈছিল, ভূপেনদাৰ ভাষাত কওঁ; 'কাল ৰাত্ৰিৰ বুকুতে লুকাই আছে প্ৰভাত বুজিলানে নাই'? তিমিৰ বা আন্ধাৰ সদায় নাথাকে, এদিন কলীয়া ডাৱৰ আঁতৰি যাবই। সেই আশাত, জগত সদায় বন্দী হৈ থাকে।

দেশখন যে এক হ'ল, সেইটো সকলোৱে মানি আগলৈও যাতে সৰ্বদিন এক হৈ থাকে, তাৰ বাবে পৱিত্ৰচিত্তে কাম কৰিব লাগিব। জাত-পাতত দেশখনকে ফালিব খোজাবোৰে সেই কথাটো ভালকৈ হৃদয়ংগম কৰা উচিত। দেশ বিভাজনৰ সময়ত লক্ষকোটি মানুহৰ যি নৰক-যন্ত্ৰণা আৰু মৃত্যু হৈছিল, সেই কথা আজি সকলোৱে সোঁৱৰণ কৰি শিক্ষা ল'বলৈ চেষ্টা কৰা উচিত।

*ফোন ঃ ৯৪৩৫৪ ৮৬১৯৩*

# বৰ্তমান সময়

## মহানগৰবাসীৰ জীৱন আজি সঁচাকৈয়ে অসুৰক্ষিত হৈছে

ৰাজপথত বিলাসী গাড়ীৰ পয়োভৰ, লাখটকীয়া মটৰ চাইকেলৰ তীব্ৰ প্ৰতিযোগিতা। কিশোৰ, যুৱক সকলোৱে হাতে হাতে কে'বা হেজাৰটকীয়া স্মাৰ্ট ফোন। মুঠতে সকলো ফালে আধুনিকতাৰে জয়জয়, ময়ময়। কিন্তু মহানগৰীৰ চৌপাশে কেৱল নিৰাপত্তাৰ অভাৱ। দিনতেই দেখোন মহানগৰবাসীৰ জীৱনৰ নিৰাপত্তাৰ অভাব ঘটিছে। কিছু বছৰৰ মূৰে মূৰে আৰক্ষীয়ে গিজগিজাই থকা মহানগৰবাসীৰ বৰ্তমান সময়ত নিজৰ পদূলি মুখতে নিৰাপত্তাৰ অভাৱ ঘটিছে।



আলোকপাত

মানসী মিশ্ৰ



**একবিংশ** শতিকাৰ গুৱাহাটী মহানগৰী। বিশ্বায়নৰ দিনত গুৱাহাটী মহানগৰী। সকলো ফালে নিয়ন লাইটৰ পোহৰেৰে আলোকিত। ৰাজপথত বিলাসী গাড়ীৰ পয়োভৰ, লাখটকীয়া মটৰ চাইকেলৰ তীব্ৰ প্ৰতিযোগিতা। কিশোৰ, যুৱক সকলোৱে হাতে হাতে কে'বা হেজাৰটকীয়া স্মাৰ্ট ফোন। মুঠতে সকলো ফালে আধুনিকতাৰে জয়জয়, ময়ময়। কিন্তু মহানগৰীৰ চৌপাশে কেৱল নিৰাপত্তাৰ অভাৱ। দিনতেই দেখোন মহানগৰবাসীৰ জীৱনৰ নিৰাপত্তাৰ অভাব ঘটিছে। কিছু বছৰৰ মূৰে মূৰে আৰক্ষীয়ে গিজগিজাই থকা মহানগৰবাসীৰ বৰ্তমান সময়ত নিজৰ পদূলি মুখতে নিৰাপত্তাৰ অভাৱ ঘটিছে।


বিগত কে'বাটাও বৰ্ষ ধৰি যেন সকলো ফালৰ পৰাই অস্থিৰ, অসুৰক্ষিত গুৱাহাটী মহানগৰী আৰু ইয়াৰ বাসিন্দাসকল। গুৱাহাটী মহানগৰীৰ বুকুত ২০ লক্ষাধিক জনসাধাৰণে বসবাস কৰি আছে। প্ৰতিটো দিনতে কে'বাহেজাৰ লোক ভিন ভিন কামত গুৱাহাটী মহানগৰীলৈ আহে। কোনোৱে আহে চাকৰি, ব্যৱসায়ৰ কাম, কোনোৱে আহে চিকিৎসাৰ বাবে আৰু বহুজনে আহে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানসমূহ ভ্ৰমণৰ বাবে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা দৈনিক বহু হেজাৰ লোকে চাকৰি, ব্যৱসায়ৰ কামত গুৱাহাটী মহানগৰীলৈ অহা-যোৱা কৰে। এই গুৱাহাটী মহানগৰীতে প্ৰতিটো দিনতে তিলমানো নিৰাপত্তা নাই। ৮০-৯০ৰ উৰ্দ্ধৰ বয়স্ক লোকৰ পৰা কিশোৰী-যুৱতীসকলৰ পৰা বিদ্যালয়ৰ শিশুলৈকে সকলোৱে মাজত নিৰাপত্তাৰ অভাৱ। চুৰি-ডকাইতি যৌন উৎপীড়ন বলাৎকাৰ, হত্যাকাণ্ডলৈকে প্ৰতি নিয়ত সংঘটিত হয় এইখন মহানগৰীত। বছৰৰ ৩৬৫টা দিনৰ এনে এটা দিন হয়তো নোলাব, যিটো দিনত হত্যা, লুণ্ঠন, মহিলা উৎপীড়ন, চুৰি-ডকাইতিৰ ঘটনা নোহোৱাকৈ থকা নাই। অনবৰতে পুলিচ, মিলিটাৰীৰে গিজ্‌গিজাই থকা এইখন মহানগৰীত নিশাতো বাদেই দিন দুপৰতে এনে নিৰাপত্তাহীনতাই ৰাইজৰ মাজত নানা প্ৰশ্নৰ অৱতাৰণা কৰিছে। ইয়াৰ পৰা নিৰাপত্তা, আইন শৃংখলাৰ দিশটোৰ এখন দুৰ্বল ছবি স্পষ্ট ৰূপত প্ৰতিফলিত হয়। দিন দুপৰতে বিদ্যালয়ৰ পৰাই ছাত্ৰ-ছাত্ৰীক অপহৰণ কৰা আৰু অপহৰণ কৰিবলৈ চেষ্টা কৰাৰ ঘটনা কে'বাটাও সংঘটিত হ'ল এই মহানগৰীতে। ডিঙিৰ পৰা সোণৰ চেইন থপিয়াই লৈ যোৱা চিলনী চোৰৰ তাণ্ডৱ প্ৰতি দিনেই আছে বুলি ক'লেও নিশ্চয় বঢ়াই কোৱা নহ'ব। দুটামান বছৰৰ ভিতৰতে গুৱাহাটী মহানগৰীৰ ৰাজপথতে ব্যৱসায়ীক গুলীয়াই হত্যা কৰাৰ দৰে কৰুণ ঘটনা কে'বাটাও সংঘটিত হ'ল এইখন মহনগৰীত। ৰাজহুৱা আস্থান, চিটিবাছ এইসমূহৰ কথাটো বাদেই নিজৰ ঘৰৰ সমুখতে দিন দুপৰতে মহিলা যুৱতীৰ সুৰক্ষাৰ যথেষ্ট অভাৱ। নিজৰ আইতাকক হাস্পতালত পৰিচৰ্যা কৰিবলৈ অহা সময়ত, কলেজত ক্লাছ কৰিবলৈ চিটিবাছত গৈ থকা সময়ত দিন দুপৰতে চিটিবাছৰ ভিতৰতে যুৱতী, কিশোৰীৰ শ্লীলতা হানি হোৱাৰ ঘটনা সংঘটিত হৈছে। কিশোৰী যুৱতীৰ কথা বাদেই কণমানি কন্যা শিশুও এনে উৎপীড়নৰ পৰা বাদ পৰি যোৱা নাই। এয়া বিভিন্ন স্তৰত হৈ থকা মাত্ৰ কেইটামান উদাহৰণহে। যোৱাটো বৰ্ষৰ শেষৰ গুৱাহাটী মহানগৰীৰ ছাৰ্ভে অঞ্চলত ৮০ৰ উৰ্দ্ধৰ এজন অৱসৰপ্ৰাপ্ত অভিযন্তা আৰু তেওঁৰ বয়সিয়াল পত্নীক ঘৰৰ ভিতৰতে হত্যা কৰি থৈ যোৱা বৰ্বৰ ঘটনাই মহানগৰবাসীক হতচকিত কৰিছিল। এই ঘটনাৰ আগৰটো বছৰতো ৰাজধানী মহানগৰীৰ পৰা অৰ্থাৎ ৰাজধানী দিছপুৰৰ পৰা নাতি দূৰৈত অভিযন্তা এজনক যিগৰাকী ব্যক্তিৰ বয়স ৭৫ৰ বছৰ হৈছিল তেওঁক চোকা অস্ত্ৰেৰে ঘৰৰ ভিতৰতে হানি-খুচি হত্যা কৰি শৱদেহ বিছনাৰ ওপৰত লেপ,কম্বলেৰে ঢাকি থৈ গৈছিল। কেইবছৰমান আগতে কটন মহাবিদ্যালয়ৰ এগৰাকী অধ্যাপিকাক এটা ম'বাইল ফোনৰ বাবে হত্যা কৰিছিল। সৌ সিদিনা গুৱাহাটীৰ কালাপাহাৰত এগৰাকী শিক্ষিত, সম্ভ্ৰান্ত পৰিয়ালৰ অকলশৰীয়া মহিলাক দিন দুপৰতে হত্যা কৰি যোৱা ঘটনাই সমগ্ৰ মহানগৰবাসীকে শংকিত কৰি তুলিছে। ইয়াৰ উপৰি মহানগৰীৰ মাজমজিয়াত ব্যৱসায়ীক গুলীয়াই হত্যা, দিন দুপৰতে চিলনী চোৰৰ তাণ্ডৱ আৰু শেহতীয়াভাৱে মহানগৰীৰ গাড়ীগাঁৱত সংঘটিত ধৰ্ষণৰ জঘন্য কাণ্ডই সচেতন ৰাইজৰ চকু কপালত তুলিছে। এই ঘটনা প্ৰবাহে প্ৰমাণ কৰি দেখুৱাইছে যে প্ৰতিটো দিনতে ৰাইজৰ মাজত নিৰাপত্তাৰ অভাৱ। এই খিনিতেই উল্লেখ্য যে আমি এখন স্বাধীন গণতান্ত্ৰিক দেশৰ বাসিন্দা। গণতান্ত্ৰিক দেশৰ নাগৰিক ৰূপে আমাক কিছুমান সাংবিধানিক সুৰক্ষা আৰু অধিকাৰ প্ৰদান কৰিছে। উদাহৰণ স্বৰূপে নিজৰ ৰাজ্যৰ পৰিসীমাৰ ভিতৰত স্বাধীনভাৱে ঘূৰি ফুৰাৰ অধিকাৰ, নিৰাপত্তাৰ অধিকাৰ, অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ অধিকাৰ। আমাৰ এই অধিকাৰসমূহ সুনিশ্চিত কৰিবলৈ ৰাজ্যখনত গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত চৰকাৰ আছে। এই চৰকাৰখনৰ সম্পূৰ্ণ দায়িত্ব ৰাজ্য চৰকাৰখনৰ। চৰকাৰৰ কাম-কাজসমূহ পৰিচালনা কৰিবলৈ আৰু কোনোবাই এইসমূহ উলংঘন কৰিলে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব পৰা যায়। এই ক্ষেত্ৰত নিৰ্দিষ্ট আইনী ব্যৱস্থা আছে। জনসাধাৰণৰ নিৰাপত্তা আৰু আইন শৃংখলাৰ দিশটো পৰিচালনা কৰিবলৈ ৰাজ্যত বিয়াগোম আৰক্ষী বিভাগ এটা আছে যিটো মূলত গৃহ বিভাগৰ অন্তৰ্গত। ইয়াত অসংখ্য বিষয়া, কৰ্মচাৰী মহানগৰবাসীৰ নিৰাপত্তাৰ দায়িত্বত কৰ্তব্যৰত হৈ আছে। তেনেস্থলতো আমাৰ মহানগৰবাসীক সৰ্বসাধাৰণ ৰাইজক জীৱনৰ প্ৰয়োজনীয় নিৰাপত্তাখিনি প্ৰদান কৰাত চৰকাৰখন ব্যৰ্থ হৈছে নেকি? এই পৰিস্থিতি সমূহলৈ চালে, ভালদৰে বিশ্লেষণ কৰিলে নিজৰ মনতো এনে ধৰণৰ প্ৰশ্নৰে অৱতাৰণা হয়। নিশ্চয় সৰ্বসাধাৰণ ৰাইজৰো একেই অভিমত হ'ব প্ৰায়ে অভিযোগ উত্থাপিত হয় যে মহানগৰীৰ বিভিন্ন ঠাইত এই ধৰণৰ তৎপৰতা দেখা নাযায়। গণতন্ত্ৰত ৰাইজৰ স্বাৰ্থ সকলোতকৈ উৰ্ধ্বত থাকে, গতিকে ৰাইজৰ অভাৱ-অভিযোগ সদায়ে প্ৰাধান্যতা লাভ কৰা উচিত। যদি আৰক্ষী বিভাগত প্ৰয়োজন অনুসাৰে বিষয়া-কৰ্মচাৰীৰ সংখ্যা কম আছে তেন্তে চৰকাৰে সেই ঘাটি পূৰণৰ বাবে শীঘ্ৰে ফলপ্ৰসূ পদক্ষেপ ল'ব লাগে। সদায় জনসাধাৰণৰ স্বাৰ্থ আৰু সুৰক্ষাইহে অগ্ৰাধিকাৰ পোৱা উচিত। জনসাধাৰণক যদি বিপদৰ সময়ত বা প্ৰয়োজনৰ সময়ত ৰক্ষা কৰিব নোৱাৰে তেন্তে চৰকাৰে ইমান কোটি কোটি টকা ব্যয় কৰি বহুসংখ্যক কৰ্মচাৰী ৰাখি থোৱাৰ সাৰ্থকতাই ক'ত।

মুঠতে সকলো ফালৰ পৰাই অসুৰক্ষিত, নিৰাপত্তাহীন মহানগৰবাসী। সামাজিক দিশৰ পৰাই হওক, অথবা পাৰিপাৰ্শ্বিক দিশৰ পৰাই হওক প্ৰতিটো মুহূৰ্ততে যেন গভীৰ শংকা আৰু সংশয়ৰ মাজত থাকিবলগীয়া হয় ৰাইজ। গণতান্ত্ৰিক সমাজ ব্যৱস্থাত জীৱন ধাৰণৰ বাবে ন্যূনতম সুৰক্ষা বিচাৰি হাঁহাকাৰ কৰিবলগীয়া হৈছে নাগৰিকসকল। এই গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত চৰকাৰখনে ইতিমধ্যে থকা বিয়াগোম চৰকাৰী বিভাগসমূহৰ জৰিয়তে জনসাধাৰণক জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰক। একোটা ডাঙৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছত 'চোৰ গ'লে বুধি, বৰষুণ গ'লে জাপি'ৰ লেখীয়াকৈ বিভাগসমূহে সাৰ পালে কোনো কামত নাহে। চৰকাৰৰ প্ৰতিনিধিসকলে জনসাধাৰণক জীৱনৰ প্ৰয়োজনীয় ন্যূনতম সুবিধাখিনি নিশ্চিত কৰিবলৈ আগ্ৰহী আৰু অগ্ৰসৰ হওক।

*ফোন ঃ ৮৬৩৮০৬০৫৭৩*

যুদ্ধই সিদ্ধান্ত দিব নোৱাৰে কোন সঠিক নাইবা কাক আমি হেৰুওৱাব লাগিব। আধুনিক বিশ্বৰ যুদ্ধৰ মূল কাৰণ হৈছে কোন গৰাকী নেতাই যুদ্ধক সমৰ্থন কৰে তেওঁহে যুদ্ধৰ সূচনা কৰিব পাৰে। কম সংখ্যক নেতা আছে, যিয়ে শান্তি বিচাৰে। ৰাছেলে আধুনিক বিশ্বযুদ্ধৰ প্ৰবল বিৰোধিতা কৰিছিল আৰু তেওঁ ধ্বংসযজ্ঞ সৃষ্টি হোৱাৰ সপেক্ষে নাছিল। আধুনিক যুগৰ সভ্য মানুহে দুই প্ৰকাৰৰ সমস্যাৰ স'তে সংঘাতত লিপ্ত হৈছে। জ্ঞান আহৰণৰ বাবে প্ৰাকৃতিক শক্তিৰ ওপৰত নিয়ন্ত্ৰণ আহৰণ কৰিব বিচাৰিছে।







# যুদ্ধ আৰু সাহিত্য

পুলিন ডেকা

**দুখনকৈ** বিশ্বযুদ্ধই যাৰ চিন্তা, বৌদ্ধিক সত্তাক আলোড়িত কৰিছিল, সেইগৰাকী ন'বেল বঁটা প্ৰাপক সাহিত্যিক বাৰ্ট্ৰেণ্ড আৰ্থাৰ উইলিয়াম ৰাছেলে যুদ্ধৰ ভয়ংকৰ স্বৰূপ সাহিত্য মাজেৰে উদ্ভাসিত কৰি গৈছে। তেওঁ কৈছিল যুদ্ধই সিদ্ধান্ত দিব নোৱাৰে কোন সঠিক নাইবা কাক আমি হেৰুওৱাব লাগিব। আধুনিক বিশ্বৰ যুদ্ধৰ মূল কাৰণ হৈছে কোন গৰাকী নেতাই যুদ্ধক সমৰ্থন কৰে তেওঁহে যুদ্ধৰ সূচনা কৰিব পাৰে। কম সংখ্যক নেতা আছে, যিয়ে শান্তি বিচাৰে। ৰাছেলে আধুনিক বিশ্বযুদ্ধৰ প্ৰবল বিৰোধিতা কৰিছিল আৰু তেওঁ ধ্বংসযজ্ঞ সৃষ্টি হোৱাৰ সপেক্ষে নাছিল। আধুনিক যুগৰ সভ্য মানুহে দুই প্ৰকাৰৰ সমস্যাৰ স'তে সংঘাতত লিপ্ত হৈছে। জ্ঞান আহৰণৰ বাবে প্ৰাকৃতিক শক্তিৰ ওপৰত নিয়ন্ত্ৰণ আহৰণ কৰিব বিচাৰিছে। সামগ্ৰী আৰু অস্ত্ৰ উৎপাদনৰ বাবে দক্ষতাৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰিছে। যুদ্ধ সম্পৰ্কীয় সাহিত্যই আৱেগ-বুদ্ধিমত্তা আৰু জীৱন-মৃত্যুৰ মাজত সীমাবদ্ধ থাকে। সাহিত্যই যেতিয়া অধিক বৌদ্ধিক দিশলৈ গতি কৰে, তেতিয়া আৱেগ, অনুৰাগক অস্বীকাৰ কৰিবলৈ আৰম্ভ কৰে আৰু ই অনুৰ্বৰ, নিস্ফল, নিৰ্বোধ দিশলৈ গতি কৰে কোনো ধৰণৰ বিষয়গত ৰূপ ধাৰণ নকৰাকৈ। সাহিত্যৰ যিবোৰ উপাদানে এগৰাকী লেখকৰ সৃষ্টিশীলতাক অনন্য মাত্ৰা প্ৰদান কৰি আহিছে, সেই উপাদানসমূহৰ মাজত যুদ্ধৰ বিষয়বস্তু অন্যতম। যুদ্ধই অকল ধ্বংসাত্মক দিশেই প্ৰকট নকৰে। অৰ্থনীতি, সংস্কৃতি আৰু মানুহৰ আত্মিক সম্পৰ্কক নিশকতীয়া কৰি তোলে। সাহিত্যৰ ভেটিয়ে হৈছে সমাজ আৰু প্ৰাণীজগত। এখন যুদ্ধই যেতিয়া মানৱতাৰ বদ্ধভূমিলৈ ৰূপান্তৰিত কৰে, তেতিয়া এগৰাকী সৃষ্টিশীল লেখকে সেই ধ্বংসাত্মক স্বৰূপৰ মাজত নিহিত থকা আসুৰিক শক্তিক বিনাশ কৰাৰ মাজৰে শান্তিৰ অন্বেষণ আৰু পৰৱৰ্তী প্ৰজন্মৰ মাজত যুদ্ধ সম্পৰ্কত এক নেতিবাচক চিন্তাৰ বিয়পাই দি মানসিকতাৰ পৰিৱৰ্তন সাধনৰ নিমিত্তে নিজকে নিয়োজিত কৰিব বিচাৰে। তেনে দৃষ্টিভংগীৰে গ্ৰীক, ৰোমান আৰু হিব্ৰু সংস্কৃতিৰ মাজত যিবোৰ সাহিত্যৰ সূচনা হৈছিল, তাৰ মাজত যুদ্ধৰ বিষয়বস্তুক লৈ সাহিত্যৰ উন্মেষ সাধন হোৱা দেখিবলৈ পোৱা যায়।

ধ্ৰুপদী যুগৰ পৰাই যুদ্ধই সমাজ জীৱনক পৰ্যুদস্ত কৰি আহিছে। মহাভাৰতৰ যুদ্ধৰ আলমতে সৃষ্টি হৈছিল ধ্ৰুপদী গ্ৰন্থ মহাভাৰত। যিয়ে মানৱ সমাজলৈ শান্তিৰ অনন্য বাৰ্তা প্ৰেৰণ কৰি গৈছে। আকাডিয়ানে লিখা চুমেৰিয়ান মহাকাব্য 'গিলগামেছ'ত মহাকাব্যিক যুদ্ধৰ বৰ্ণনা কৰা হৈছে। যুদ্ধ-বিগ্ৰহৰ মাজেৰে সমাজ ৰূপান্তৰিত হৈ আহিছে। ধ্ৰুপদী যুগ আৰু মধ্যযুগত যুদ্ধৰ আধাৰত যিবোৰ সাহিত্যৰ সৃষ্টি হৈছিল, সেইবোৰ ৰাষ্ট্ৰৰ মাজত সংঘটিত হোৱা নাছিল। গোষ্ঠীবাদৰ আধাৰত যুদ্ধ সংঘটিত হৈছিল। হোমাৰৰ 'ইলিয়াড' এখন গ্ৰীক ষড়মাত্ৰিক মহাকাব্যিক কবিতা। ট্ৰজান যুদ্ধত নায়ক একিলিছে হেক্টৰক হত্যা কৰাৰ মাজেৰে ইয়াৰ আবেদন মৰ্মস্পৰ্শী কৰি তুলিছে। আনহাতে, ট্ৰজান যুদ্ধৰ আধাৰত ৰচিত ভাৰ্জিলৰ 'ঐনিয়' গ্ৰন্থই ঐতিহাসিক ৰোমান সাম্ৰাজ্যৰ পটভূমি তুলি ধৰে। ইউৰিপিডছে 'দ্য ট্ৰজেন ওমেন'ৰ জৰিয়তে এথেনিয়ান ঔপনিৱেশিক শাসকৰ নিৰ্মম প্ৰতিচ্ছবি এখন তুলি ধৰিছে। শ্বেইক্সপীয়েৰৰ ' হেনৰী ফাইভ' দেখিবলৈ পোৱা যায় এজিনক'ৰ্ট' যুদ্ধৰ বিভীষিকা। ঊনবিংশ শতিকাত যুদ্ধবিষয়ক সাহিত্যই চিন্তাৰ নতুন দিশ মুকলি কৰে। 'ৱাটাৰলু' যুদ্ধক লৈ ফৰাচী লেখক ষ্টেণ্ডহলছে লিখা 'চাৰ্টাৰহাইছ অৱ পাৰ্মা', ৰাছিয়াৰ নেপোলিয়নিক যুদ্ধক লৈ লিও টলষ্টয়ে লিখা ' ৱাৰ এণ্ড পিচ', আমেৰিকাৰ গৃহযুদ্ধক লৈ ষ্টিফেন ক্ৰেনে লিখা 'দ্য ৰেড বেজ অৱ কাৰেজ' আদি উপন্যাসৰ মাজেৰে যুদ্ধৰ ভয়াৱহতাৰ লগতে কেতবোৰ নৈতিক প্ৰশ্নও উত্থাপন কৰে। প্ৰেম, মৃত্যু, সময়, মানৱতাৰ আধাৰত এই শ্ৰেণীৰ সাহিত্যই বিশ্বজনীন ৰূপ ধাৰণ কৰিছে। যুদ্ধই সাহিত্যৰ ধাৰাক সলনি কৰি আহিছে। প্ৰথম বিশ্বযুদ্ধই ৰমন্যাসিক ধাৰাৰ সলনি কৰি এগৰাকী লেখকক আভ্যন্তৰীণ বিশ্বৰ সন্ধান কৰিবলৈ উৎসাহিত কৰে। প্ৰথম বিশ্বযুদ্ধৰ আলমত যিবোৰ সাহিত্যৰাজিৰ সৃষ্টি হৈছিল, তাত যুদ্ধৰ ভয়াবহতা তথা যুদ্ধৰ নেতিবাচক প্ৰভাৱ সম্পৰ্কত আলোকপাত কৰা হৈছিল। এগৰাকী লেখকে সেই যুদ্ধত জড়িত থাকি লাভ কৰা অভিজ্ঞতাক বাস্তৱ পৃথিৱীলৈ নিব বিচাৰিছিল। দ্বিতীয় বিশ্বযুদ্ধই গোষ্ঠীবাদ, শক্তি, গণতন্ত্ৰ আৰু মানৱীয় আচৰণ ইত্যাদিক সম্প্ৰৱীক্ষা কৰাৰ দিশত সাহিত্যৰ জগতখনত নতুন ধাৰাৰ সূচনা কৰে আৰু এগৰাকী লেখকে বাস্তৱবাদৰ সন্ধান কৰাৰ পথ প্ৰশস্ত কৰে। যুদ্ধৰ আলমত সৃষ্টি হোৱা সাহিত্যক গভীৰভাবে পৰ্যালোচনা কৰিলে দেখিবলৈ পোৱা যায় নিৰীহৰ মৃত্যু, ভ্ৰাতৃত্ববোধ আৰু সম্পৰ্ক, যুদ্ধৰ ভয়াৱহতা, ধৰ্মৰ স'তে মোহভংগ, প্ৰকৃতি, যুদ্ধৰ অযৌক্তিকতা, আৱেগ আৰু অনুভৱক মূলগত বিষয়বস্তু হিচাপে লোৱা হয়।

যুদ্ধৰ গ্ৰন্থসমূহে পাঠকৰ মনত এক অদ্ভুত শিহৰণৰ সৃষ্টি কৰে। ষ্টিফেন ক্ৰেনৰ ' দ্য ৰেড বেজ অৱ কাৰেজ' গ্ৰন্থখন ১৮৯৫ত প্ৰথম প্ৰকাশ পাইছিল। কিন্তু গ্ৰন্থখনৰ আবেদনে পাঠকক আকৰ্ষিত কৰি অহাৰ বাবে আজিও ইয়াৰ প্ৰকাশ হৈ আছে। প্ৰথম বিশ্বযুদ্ধত লাভ কৰা অভিজ্ঞতাৰ ভেটিত আৰ্ণেষ্ট হেমিংৱে লিখা ' এ ফেৰেৱেল টু আৰ্মাছ', ভিয়েটনাম যুদ্ধক লৈ টিম অ' ব্ৰিয়েনে লিখা ' দ্য থিংকছ ডে কেৰিদ' শীৰ্ষক উপন্যাসৰ জৰিয়তে যুদ্ধৰ বিভীষিকাই নহয়, মানৱতাবিৰোধী দিশসমূহ উদ্ভাষিত কৰা দেখা যায়। যুদ্ধ সম্পৰ্কত লিখা সাহিত্যৰাজিৰ মাজত শত্ৰুতাৰ বিষয়টোক বিশেষভাবে গুৰুত্ব আৰোপ কৰি এগৰাকী লিখকে চৰিত্ৰৰ সৃষ্টি কৰিব বিচাৰে। যুদ্ধৰ উদ্দেশ্য, বিশ্বাস, সাংস্কৃতিক মূল্যক তুলি ধৰি এগৰাকী সৈনিকৰ অভিজ্ঞতাক পটভূমি হিচাপে লৈ অৱক্ষয়ৰ ছবি এখন অংকিত কৰিব বিচাৰে। যুদ্ধৰ সাহিত্যৰ মাজেৰে মানৱ ইতিহাসৰ ক'লা মুহূৰ্তবোৰ তুলি ধৰাৰ প্ৰয়াস দেখা যায়। ঐতিহাসিক দিনৰে পৰা আধুনিক মুক্ত যুদ্ধ বিষয়ক সাহিত্য পৰ্যালোচনা কৰিলে দেখা যায় যে লেখকসকলে এটা সুনিৰ্দিষ্ট বিষয় নিৰ্বাচিত কৰি এক সম্যক প্ৰতিচ্ছবি প্ৰকাশ কৰাৰ প্ৰয়াস চলাই আহিছে। মধ্যযুগৰ পৰা বিভিন্ন গ্ৰন্থত যুদ্ধৰ বিষয়ে, যুদ্ধৰ বাবে আৰু যুদ্ধৰ বিৰুদ্ধে লিখাৰ সময়ত এগৰাকী লেখকে যুদ্ধই এখন সমাজ,ৰাষ্ট্ৰ তথা বিশ্ব মানৱৰ সন্মুখত এনে এখন ছবি অংকনৰ প্ৰয়াস চলাই য'ত ভৱিষ্যত প্ৰজন্মই ইয়াৰ নেতিবাচক দিশসমূহ উদঘাটন কৰিব পাৰে। যুদ্ধ বিষয়ক যিকোনো সাহিত্যই যে নিখুঁত এক প্ৰতিচ্ছবি তুলি ধৰিব পাৰে, সেই কথা দৃঢ়তাৰে ক'ব পৰা নাযায়। যুদ্ধৰ লিখনিসমূহ একাধিক ৰূপত উদ্ভাসিত হয়। সমালোচনামূলক, আশ্বৰ্য বিষয়বস্তু, বিতৃষ্ণা, অপ্ৰকাশ্য বিষয়সমূহৰ প্ৰতিনিধিত্ব কৰাৰ লগতে ইতিহাসৰ এটা সময়ৰ দলিল প্ৰস্তুত কৰাৰ বাবেও লেখকসকলে প্ৰয়াস কৰে।

*ফোন ঃ ৭০০২৫১৬৯৮৩*

## মঙললৈ মাস্কে কেতিয়া প্ৰেৰণ কৰিব মানৱক ? পুনৰ সলনি কৰিলে দিন




**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২১ মাৰ্চ ঃ** বিজ্ঞানীসকলে বহু বছৰ পূৰ্বে চন্দ্ৰত ভৰি দিছিল আৰু এইবাৰ মঙললৈ যোৱাৰ প্ৰস্তুতি চলাইছে। বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি তথা টেছলা আৰু স্পেচএক্সৰ স্বত্বাধিকাৰী এলন মাস্কৰ স্বপ্ন হৈছে মঙলত মানৱৰ বসতি স্থাপন কৰা। মাস্কে মঙলত কেৱল ভৰি দিয়াই নহয়, মঙলত বসবাসো কৰিব বিচাৰে। উল্লেখ্য যে পূৰ্বে মাস্কে ঘোষণা কৰি কৈছিল যে ২০২৪ত মঙল গ্ৰহত মানৱে ভৰি দিব। কিন্তু এইবাৰ মাস্কে মঙলত মানৱ অভিযানৰ দিন সলনি কৰিলে। ২০১৬ বৰ্ষত মাস্কে বিশ্ববাসীৰ আগত মঙলত মানৱৰ চহৰ নিৰ্মাণৰ পৰিকল্পনাৰ কথা সদৰী কৰিছিল। সেই সময়ত মাস্কে কৈছিল যে ২০২৪ৰ ভিতৰত মঙললৈ এক মানৱ অভিযান চলাব পৰা যাব। ইয়াৰ পাছৰে পৰা মাস্কৰ মহাকাশ গৱেষণা প্ৰতিষ্ঠান স্পেচএক্সে মঙললৈ যোৱাৰ বাবে প্ৰয়োজনীয় ৰকেটৰ নিৰ্মাণ আৰম্ভ কৰিছিল। কিন্তু নিৰ্দিষ্ট বৰ্ষত মাস্কে এই অভিযান সম্পন্ন কৰাটো সম্ভৱ নহ'ব পাৰে। টুইটাৰত এই বিষয়ত উত্থাপিত এক প্ৰশ্নৰ উত্তৰ দি মাস্কে শেহতীয়াভাৱে প্ৰকাশ কৰা অনুসৰি মানুহে ২০২৯ বৰ্ষৰ ভিতৰত মঙলত ভৰি দিয়াৰ সম্ভাৱনা আছে। অৰ্থাৎ ১৯৬৯ত চন্দ্ৰত প্ৰথমবাৰ মানুহে ভৰি দিয়াৰ ৬০ বছৰৰ পাছত এইবাৰ মানৱে ভৰি দিব মঙলত। উল্লেখ্য যে দ্বিতীয়বাৰৰ বাবে মাস্কে মঙলত মানৱ অভিযানৰ দিন সলনি কৰিলে।

## ৰাজস্থানৰ মুখ্যমন্ত্ৰীৰ পুত্ৰৰ বিৰুদ্ধে ৬.৮ কোটি টকাৰ বিত্তীয় প্ৰবঞ্চনাৰ গোচৰ




**নিউজ ব্যুৰ', জয়পুৰ, ২১ মাৰ্চ ঃ** ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গহলোটৰ পুত্ৰ বৈভৱ গহলোটৰ বিৰুদ্ধে বিত্তীয় প্ৰবঞ্চনাৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল। নাছিক আৰক্ষীয়ে ৰুজু কৰা এক গোচৰত বৈভৱ আৰু আন ১৪ জন লোকে ৰাজ্য চৰকাৰৰ অধীনস্থ বিভাগক ঠিকাৰ কাম প্ৰদানৰ প্ৰতিশ্ৰুতিৰে এজন ব্যক্তিক ৬.৮ কোটি টকাৰ প্ৰবঞ্চনা কৰাৰ অভিযোগ উত্থাপন কৰিছে। ৩৩ বছৰীয়া সুশীল ভালচন্দ্ৰ পাটিলে অলপতে অভিযোগ উত্থাপন কৰি কৈছিল যে ২০১৮ৰ পহিলা জানুৱাৰীৰ পৰা ২০২০ৰ পহিলা জানুৱাৰীৰ সময়ছোৱাত তেওঁক প্ৰবঞ্চনা কৰি বৈভৱ আৰু আন ১৪ জন লোকে ৬.৮ কোটি টকা আদায় লৈছিল। চৰকাৰী ই-টয়লেট আঁচনি বিনিয়োগৰ বাবে এই ধন তেওঁৰ পৰা লোৱা হৈছিল যদিও বৈভৱ আৰু তেওঁৰ সহযোগীয়ে উক্ত ধন সুশীলক ওভতাই নিদিলে। বৈভৱে আজি সংবাদ মাধ্যমৰ আগত কয় যে তেওঁৰ বিৰুদ্ধে উত্থাপন হোৱা এই অভিযোগ সম্পূৰ্ণ অসত্য।

## নিউজিলেণ্ডত নিষিদ্ধ হ'ল 'দ্য কাশ্মীৰ ফাইলছ'




**নিউজ ব্যুৰ', ৱেলিংটন, ২১ মাৰ্চ ঃ** ভাৰতত মুক্তিলাভৰ পাছৰে পৰা বিশেষভাৱে চৰ্চিত হৈ অহা হিন্দী চলচ্চিত্ৰ 'দ্য কাশ্মীৰ ফাইলছ' এইবাৰ নিউজিলেণ্ডতো চৰ্চিত হৈছে। দৰাচলতে নিউজিলেণ্ড চৰকাৰে এইখন ছবিৰ প্ৰদৰ্শনত নিষেধাজ্ঞা আৰোপ কৰিলে। প্ৰথমে 'দ্য কাশ্মীৰ ফাইলছ'ক 'এ' প্ৰমাণপত্ৰসহ মুক্তিৰ বাবে নিউজিলেণ্ডত অনুমতি দিয়া হৈছিল। কিন্তু মুছলমান সম্প্ৰদায়ৰ লোকে ছবিখন নিষিদ্ধ কৰাৰ দাবী উত্থাপন কৰা চেন্সৰ ব'ৰ্ডে 'দ্য কাশ্মীৰ ফাইলছ'ৰ প্ৰদৰ্শন নিউজিলেণ্ডৰ চিত্ৰগৃহত নিষিদ্ধ কৰে। চেন্সৰ ব'ৰ্ডৰ এই সিদ্ধান্তত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি নিউজিলেণ্ডৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি বিংষ্টন পিটাৰ্ছে কয়, 'ইছলামৰ নামত সন্ত্ৰাসবাদীক ৰক্ষণাবেক্ষণ কৰাটো উচিত নহয়। চলচ্চিত্ৰৰ প্ৰদৰ্শনত নিষেধাজ্ঞা আৰোপ কৰাটো সমগ্ৰ বিশ্ববাসীৰ স্বাধীনতাত আক্ৰমণ কৰা।'

## যুদ্ধৰ মাজতে পোলেণ্ড ভ্ৰমণসূচী ৰাষ্ট্ৰপতি বাইডেনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২১ মাৰ্চ ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ অব্যাহত থকাৰ সময়তে পোলেণ্ড ভ্ৰমণৰ কাৰ্যসূচী গ্ৰহণ কৰিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। হোৱাইট হাউছৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি অহা শুকুৰবাৰে মাৰ্কিন ৰাষ্ট্ৰপতি বাইডেনে ভ্ৰমণাৰ্থে পোলেণ্ডলৈ যাব। ইউক্ৰেইনত সামৰিক অভিযান সন্দৰ্ভত পোলেণ্ডৰ ৰাষ্ট্ৰপতি আন্দ্ৰেজ ডুডাৰ স'তে আলোচনাত অংশ ল'ব বাইডেনে। ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ সন্দৰ্ভত আমেৰিকাৰ লগতে নাটোৰ সদস্য দেশৰ প্ৰতিক্ৰিয়া কি সেই বিষয়তো পোলেণ্ড ভ্ৰমণতে ডুডাৰ স'তে আলোচনা কৰিব মাৰ্কিন ৰাষ্ট্ৰপতিয়ে।

## উচ্চ ৰক্তচাপ, মধুমেহত ভোগা লোকসকলৰ ক্ষেত্ৰত ক'ভিড পৰৱৰ্তী সমস্যা অধিক জটিল হৈছে ঃ 'লেনচেট'

# এবছৰলৈকে শৰীৰত থাকিব পাৰে কৰ'নাৰ প্ৰভাৱ ঃ গৱেষণাৰ তথ্য

**নিউজ ব্যুৰ' নতুন দিল্লী, ২১ মাৰ্চ ঃ** চীন, দক্ষিণ কোৰিয়া, হংকংসহ বিভিন্ন দেশত নতুনকৈ বিয়পিছে কৰ'নাৰ আতংক। বিশেষজ্ঞসকলৰ একাংশৰ মতে, ভাৰততো ক'ভিডৰ চতুৰ্থ ঢৌৰ আগমন ঘটিব পাৰে। ক'ভিড পৰৱৰ্তী ৰোগ সন্দৰ্ভত শেহতীয়াভাৱে এক চাঞ্চল্যকৰ তথ্য পোহৰলৈ আনিলে চিকিৎসক গৱেষকে। এই প্ৰতিবেদনৰ তথ্য অনুসৰি ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত সুস্থ হোৱা ৰোগীসকলৰ বহুতে পৰৱৰ্তী সময়ত নানা স্বাস্থ্যজনিত সমস্যাত আক্ৰান্ত হৈছে। ক'ভিড পৰৱৰ্তী ৰোগত অধিক আক্ৰান্ত হৈছে মহিলাসকল। উচ্চ ৰক্তচাপ, মধুমেহত ভোগা লোকসকলৰ ক্ষেত্ৰত ক'ভিড পৰৱৰ্তী সমস্যা অধিক জটিল হৈছে।

বিজ্ঞান পত্ৰিকা 'লেনচেট'ত প্ৰকাশিত প্ৰতিবেদনৰ মতে, ক'ভিডত আক্ৰান্ত হৈ চিকিৎসাধীন হোৱা ৰোগীসকল সুস্থ হোৱাৰ পাছত ১৬ মাহ পৰ্যন্ত নানা



অন্যান্য শাৰীৰিক সমস্যাত আক্ৰান্ত হৈছিল। ক'ভিড পৰৱৰ্তী সমস্যা হিচাপে এনে ব্যক্তিৰ শৰীৰত অৱসাদ, হতাশা, নিদ্ৰা ব্যাঘাত, ক্লান্তিবোধ আদিয়ে দেখা দিব পাৰে। অনেক সময়ত এনেবোৰ সমস্যা প্ৰাণঘাতকো হোৱাৰ শংকা আছে। গৱেষকসকলে এই বিষয়ত অধ্যয়ন চলাই প্ৰকাশ কৰা অনুসৰি কৰ'নাৰ প্ৰভাৱ এজন ব্যক্তিৰ শৰীৰত এবছৰৰো অধিক দিন থাকিব পাৰে। চিকিৎসকৰ মতে, ক'ভিডত পূৰ্বে আক্ৰান্ত হোৱা লোকসকলে স্বাস্থ্যসন্মত খাদ্যগ্ৰহণ, ব্যায়াম কৰা আৰু অন্যান্য ৰোগ থাকিলে তাৰ চিকিৎসা কৰা অতি জৰুৰী।

## ৰাছিয়াৰ বিৰুদ্ধে ক্ষোভ পোপৰ, আহত শিশুক চিকিৎসালয়ত সাক্ষাৎ



**নিউজ ব্যুৰ', ভেটিকান চিটি, ২১ মাৰ্চ ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা যুদ্ধৰ মাজতে আকৌ এবাৰ ৰুছ আক্ৰমণত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিলে খ্ৰীষ্ট ধৰ্মগুৰু পোপ ফ্ৰান্সিছে। ইতিমধ্যে ইউক্ৰেইনৰ পৰা পলায়ন কৰি অগণন লোকে প্ৰতিবেশী ৰাষ্ট্ৰসমূহত আশ্ৰয় লৈছে। ৰোমত এখন চিকিৎসালয়ত থকা আহত ইউক্ৰেইনৰ শিশুক সাক্ষাৎ কৰিলে পোপে। চিকিৎসালয়ত উপস্থিত হৈ পোপ ফ্ৰান্সিছে শিশুসকলক স্পৰ্শ কৰি আশীৰ্বাদ দিয়াৰ লগতে তেওঁলোকৰ সুন্দৰ ভৱিষ্যতৰ বাবে প্ৰাৰ্থনা জনায়। পোপে ৰাছিয়াক 'যুদ্ধবাজ' বুলি অভিহিত কৰি দেশখনক এই যুদ্ধ সৃষ্টিৰ বাবে কঠোৰভাৱে গৰিহণা দিয়ে। পোপে কয় যে ইউক্ৰেইনত ৰাছিয়াই দায়িত্বজ্ঞানহীন হত্যাকাণ্ড সংঘটিত কৰিছে। বিশ্ব শান্তিৰ স্বাৰ্থত ৰাছিয়াই অচিৰে যুদ্ধ বন্ধ কৰা উচিত বুলিও পোপে মন্তব্য কৰে।

## পঞ্জাৱত হৰভজন, ৰাঘৱসহ পাঁচজনক ৰাজ্যসভাৰ প্ৰাৰ্থিত্ব প্ৰদান আপৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মাৰ্চ ঃ** পঞ্জাৱত বিশাল জয়ৰ পাছত ৰাজ্যসভাৰ প্ৰাৰ্থী তালিকা প্ৰকাশৰে পুনৰ এক চমক দিলে অৰবিন্দ কেজৰিৱালৰ দল আম আদমী পাৰ্টি (আপ)য়ে। অহা ৩১ মাৰ্চত পঞ্জাৱত ৰাজ্যসভাৰ পাঁচ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। এই আসনকেইখনৰ দুখন কংগ্ৰেছৰ, দুখন আকালী দলৰ আৰু এখন বিজেপিৰ দখলত পূৰ্বে আছিল। পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত ৯২ সমষ্টিত জয়ৰ পাছত আপে ৰাজ্যসভাত পাঁচ আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। প্ৰাক্তন ক্ৰিকেট খেলুৱৈ হৰভজন সিং, আপৰ মুখপাত্ৰ ৰাঘৱ চান্দা, আই আই টি দিল্লীৰ সহযোগী অধ্যাপক চাণক্য সন্দীপ পাঠক, লাভলি প্ৰফেছনেল ইউনিভাৰছিটিৰ স্বত্বাধিকাৰী অশোক মিত্তল আৰু উদ্যোগপতি সঞ্জীৱ অৰোৱাক আপে ৰাজ্যসভাৰ নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিলে। প্ৰাৰ্থিত্ব লাভ কৰা আটাইকেইজন ব্যক্তি আপৰ স'তে জড়িত।


## চত্তিছগড়ত পুনৰ চি আৰ পি এফৰ শিবিৰত মাওবাদীৰ আক্ৰমণ




**নিউজ ব্যুৰ' ৰাইপুৰ, ২১ মাৰ্চ ঃ** চত্তিছগড়ৰ চুকমা জিলাৰ এলমাগুণ্ডা অঞ্চলত চি আৰ পি এফৰ শিবিৰত আক্ৰমণ সংঘটিত কৰিলে মাওবাদীয়ে। শিবিৰটোত মাওবাদীৰ অতৰ্কিত আক্ৰমণৰ ফলত তিনিজন চি আৰ পি এফ কৰ্মী গুৰুতৰভাৱে আহত হয়। বস্তাৰ আৰক্ষীয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি মাওবাদীয়ে চি আৰ পি এফৰ শিবিৰত প্ৰৱেশ কৰি দেশীয় বন্দুকৰে গুলিবৰ্ষণ কৰিছিল। লগে লগে নিৰাপত্তা বাহিনীয়েও গুলিৰে প্ৰত্যুত্তৰ দিয়াত উভয় পক্ষৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। পাছত আক্ৰমণকাৰী মাওবাদীয়ে জংঘললৈ পলায়ন কৰে।

## হিজাবৰ পাছত কৰ্ণাটকত গীতাক লৈ বিতৰ্ক ঃ মন্ত্ৰীয়ে ক'লে 'গীতা সাম্প্ৰদায়িক নহয়'

**নিউজ ব্যুৰ' বাংগালুৰু, ২১ মাৰ্চ ঃ** কৰ্ণাটকত হিজাব বিতৰ্কৰ পাছত এইবাৰ ভাগৱত গীতাক লৈ এক নতুন বিতৰ্কৰ সৃষ্টি হৈছে। উল্লেখ্য যে কিছুদিন পূৰ্বে গুজৰাট চৰকাৰে বিদ্যালয়ৰ পাঠ্যক্ৰমত ভাগৱত গীতাক অন্তৰ্ভুক্ত কৰাৰ কথা ঘোষণা কৰিছিল। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী বাসৱৰাজ ব'ম্মইয়ে পাঠ্যক্ৰমত গীতাক অন্তৰ্ভুক্ত কৰাৰ প্ৰতি সমৰ্থন ব্যক্ত কৰাৰ লগতে অচিৰে কৰ্ণাটকৰ বিদ্যালয়তো ভাগৱত গীতাৰ পাঠদান কৰা হ'ব বুলি ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীৰ এই ঘোষণাৰ পাছতে কৰ্ণাটকত গীতাক লৈ বিতৰ্কৰ সৃষ্টি হয়। আজি এই বিতৰ্কৰ প্ৰসংগত কৰ্ণাটকৰ শিক্ষামন্ত্ৰীয়ে কয়, 'যদি ভাগৱত গীতা নৈতিক শিক্ষাৰ অংশ হয়, তেন্তে আপোনাৰ আপত্তি ক'ত? গীতা সাম্প্ৰদায়িক নহয়, এই গ্ৰন্থত জীৱন-যাপনৰ কলাৰ কথা আলোচনা কৰা হৈছে। আজিৰ দিনত ছাত্ৰ-ছাত্ৰীসকলে নানা ধৰণৰ হেঁচাৰ মাজৰে জীৱন অতিবাহিত কৰিব লাগে আৰু এইসকল ছাত্ৰ-ছাত্ৰীৰ আত্মবিশ্বাস বৃদ্ধিৰ বাবে গীতাৰ পাঠদান জৰুৰী। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বাস্তৱ জীৱনত সমস্যাৰ পৰা সকাহ লাভ কৰিব। কংগ্ৰেছ নেতাই বন্দেমাতৰমকো সাম্প্ৰদায়িক বিবেচনা কৰে, কিন্তু মন্দিৰ ধ্বংস কৰা আকবৰ সাম্প্ৰদায়িক নহয়।'






## দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ১২ শতাংশ হ্ৰাস, এদিনত ৩১ জনৰ মৃত্যু

**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মাৰ্চ ঃ** সামান্য হ্ৰাস পালে ভাৰতৰ দৈনিক ক'ভিড সংক্ৰমণ। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ১,৫৪৯ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। দেওবাৰৰ তুলনাত সোমবাৰে দেশৰ দৈনিক সংক্ৰমণ ১২ শতাংশ হ্ৰাস পালে। বৰ্তমানে ভাৰতত ২৫,১০৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ২,৬৫২ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিল। আনহাতে, বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত মৃত্যু হ'ল ৩১ জন ক'ভিড ৰোগীৰ। অৱশ্যে মৃতকৰ ২০ জনৰ মৃত্যু পূৰ্বে হৈছিল যদিও তেওঁলোকৰ মৃত্যু পঞ্জীভুক্ত কৰা হোৱা নাছিল।

## হংকঙত ক'ভিডৰ নতুন আতংক ঃ বিশ্বৰ তুলনাত মৃত্যুৰ হাৰ পাঁচ গুণ অধিক



**নিউজ ব্যুৰ', ভিক্টৰিয়া, ২১ মাৰ্চ ঃ** হংকঙত কৰ'নাৰ ব্যাপক সংক্ৰমণে নতুন ত্ৰাসৰ সৃষ্টি কৰিছে। দক্ষিণ কোৰিয়াৰ পাছত সম্প্ৰতি হংকঙত বিশ্বৰ ভিতৰতে সৰ্বাধিক সংখ্যক ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছে। হংকঙত ক'ভিড আক্ৰান্তৰ সংখ্যাই ১০ লাখৰ সীমা অতিক্ৰম কৰিলে আৰু চলিত মাহতে সাত লাখ লোক কৰ'নাত আক্ৰান্ত হ'ল। কৰ'নাৰ সংক্ৰমণ ব্যাপক বৃদ্ধিৰ লগতে হংকঙত ক'ভিডত মৃতকৰ সংখ্যাও উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। মৃতকৰ সংখ্যা হঠাতে অধিক বৃদ্ধিৰ ফলত হংকঙত মৃতদেহৰ অন্তিম সৎকাৰৰ ক্ষেত্ৰত সমস্যাই দেখা দিছে। মৃতদেহ সংৰক্ষণৰ বাবেও মৰ্গৰ অভাৱত বহু মৃতদেহ ৰেফ্ৰিজাৰেটৰ শ্বিপিং কণ্টেইনাৰত ৰাখিব লগা হৈছে। হংকঙত সম্প্ৰতি দৈনিক ২২,০০০ লোক কৰ'নাত সংক্ৰমিত হৈছে। আমেৰিকাত ক'ভিডৰ চূড়ান্ত সংক্ৰমণৰ সময়ত যিমান সংখ্যক লোকৰ মৃত্যু হৈছিল তাৰ তিনিগুণ অধিক ক'ভিড ৰোগীৰ সম্প্ৰতি হংকঙত মৃত্যু হৈছে। নতুন আক্ৰান্তৰ ক্ষেত্ৰত হংকঙত মৃত্যুৰ হাৰ হৈছে ১.৪ শতাংশ, বিশ্বৰ ক'ভিডত মৃত্যুৰ হাৰ হৈছে ০.২৮ শতাংশ। অৰ্থাৎ বিশ্বৰ মৃত্যুৰ হাৰৰ তুলনাত হংকঙত ক'ভিডত মৃত্যুৰ হাৰ পাঁচ গুণ অধিক হৈছে। যোৱা পহিলা জানুৱাৰীৰ পৰা হংকঙত ৫,০০০ৰো অধিক ক'ভিড ৰোগীৰ মৃত্যু হৈছে। ২০২০ আৰু ২০২১ বৰ্ষত হংকঙত মাত্ৰ দুশ ক'ভিড ৰোগীৰ মৃত্যু হৈছিল।

## পাক অধিকৃত কাশ্মীৰ ভাৰতৰ অংশ হ'ব, দাবী কেন্দ্ৰীয় মন্ত্ৰীৰ




**নিউজ ব্যুৰ', জম্মু, ২১ মাৰ্চ ঃ** 'পাক অধিকৃত কাশ্মীৰক স্বাধীন কৰিব বিজেপিয়ে। ভাৰতৰ অংশ হ'ব পাক অধিকৃত কাশ্মীৰ।' এইদৰে দাবী কৰিলে কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিঙে। উল্লেখ্য যে দেওবাৰে জম্মুত এটা মূৰ্তি উন্মোচন কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীজন কাশ্মীৰলৈ গৈছিল। জম্মুৰ কাথুৱা জিলাত মহাৰাজা গোলাব সিঙৰ এটা ২০ ফুট দৈৰ্ঘৰ মূৰ্তি সিঙে উন্মোচন কৰে। ইয়াৰ পাছত ভাষণ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰীজনে কয়, '১৯৯৪ বৰ্ষত সদনত সৰ্বসন্মতক্ৰমে এটা প্ৰস্তাৱ গৃহীত হৈছিল। উক্ত প্ৰস্তাৱত কোৱা হৈছিল যে অবৈধভাৱে দখল কৰি থকা কাশ্মীৰৰ অংশৰ পৰা আঁতৰি যাব লাগিব পাকিস্তান। পাক অধিকৃত কাশ্মীৰক স্বাধীন কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। যেতিয়া আমি ৩৭০ ধাৰা অৱলুপ্তিৰ কথা কৈছিলো, তেতিয়া সেয়া বহুতৰ বাবে কল্পনাৰ বাহিৰত আছিল। কিন্তু বিজেপিয়ে নিজৰ প্ৰতিশ্ৰুতি অনুসৰি ৩৭০ ধাৰা প্ৰত্যাহাৰ কৰিলে। পাক অধিকৃত কাশ্মীৰক স্বাধীন কৰাৰ প্ৰতিশ্ৰুতিও পালন কৰিব এই চৰকাৰে।'

## মোদীৰ ঘোষণাত চত্তিছগড়ত বিজেপিৰ টিকট লাভৰ পৰা বঞ্চিত হ'ব বহু নেতাৰ আত্মীয়

**নিউজ ব্যুৰ', ৰাইপুৰ, ২১ মাৰ্চ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে ঘোষণা কৰি কৈছিল যে বিজেপিয়ে দলৰ নেতা-কৰ্মীৰ পৰিয়ালৰ লোকক কেতিয়াও নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে টিকট প্ৰদান নকৰে। পাঁচ ৰাজ্যৰ সদ্যসমাপ্ত বিধানসভাৰ নিৰ্বাচনত বিজেপিৰ কে'বাজনো জ্যেষ্ঠ নেতাৰ পুত্ৰ, কন্যা, পত্নী আদিয়ে প্ৰতিদ্বন্দ্বিতাৰ বাবে টিকট বিচাৰিছিল যদিও একমাত্ৰ মোদীৰ হস্তক্ষেপতে এইসকল নেতাৰ আত্মীয়ই বিজেপিৰ টিকট লাভ নকৰিলে বুলি অলপতে প্ৰধানমন্ত্ৰীয়ে নিজে স্বীকাৰ কৰিছিল। প্ৰধানমন্ত্ৰীৰ এই ঘোষণাৰ পাছত চত্তিছগড়ৰ বিজেপিৰ একাংশ জ্যেষ্ঠ নেতা শংকিত হৈছে। ৰাজ্যখনৰ কে'বাজনো জ্যেষ্ঠ নেতাই নিজৰ স্বাস্থ্যজনিত কাৰণ প্ৰদৰ্শনৰে চত্তিছগড়ৰ বিধানসভাৰ আগন্তুক নিৰ্বাচনত নিজৰ সন্তানক ৰাজনীতিৰ স'তে জড়িত কৰোৱাৰ পৰিকল্পনা লৈছিল। এইসকল প্ৰভাৱশালী নেতাই সন্তান, পত্নী আদিক বিজেপিৰ টিকটত নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় কৰাব বিচাৰিছে। কিন্তু মোদীৰ পৰিবাৰবাদ বিৰোধী স্থিতিৰ ফলত বিজেপিৰ এইসকল নেতা শংকিত হৈছে। চত্তিছগড়ৰ প্ৰাক্তন মন্ত্ৰী ৰামবিচাৰ নেতাম, প্ৰেমপ্ৰকাশ পাণ্ডেয় আৰু গৌৰীশংকৰ আগৰৱালৰ লগতে আন কে'বাজনো নেতাই নিজৰ সন্তানক সক্ৰিয় ৰাজনীতিলৈ আনিব বিচাৰিছে। পুত্ৰ-কন্যাৰ বাবে বিধানসভাৰ আগন্তুক নিৰ্বাচনত দলৰ টিকট বিচাৰিবলৈকো এইসকল নেতাই সিদ্ধান্ত লৈছিল। কিন্তু বিজেপিয়ে কেতিয়াও পৰিবাৰবাদক সমৰ্থন নকৰে আৰু মন্ত্ৰী-বিধায়কৰ আত্মীয়ক দলৰ টিকট দিয়া নহ'ব বুলি মোদীয়ে স্পষ্টভাৱে ঘোষণা কৰাত চত্তিছগড়ৰ বিজেপিৰ এইসকল জ্যেষ্ঠ নেতা চিন্তিত হৈছে। অৱশ্যে মোদীৰ এই ঘোষণাই নিষ্ঠাবান বিজেপি কৰ্মীসকলক উৎসাহিত কৰিছে। বিজেপিৰ সক্ৰিয় সদস্য হিচাপে কৰ্মৰত তৃণমূলৰ নেতা-কৰ্মীয়ে এইবাৰ চত্তিছগড়ত নিজৰ পাৰদৰ্শিতাৰ বলৰে দলৰ টিকট লাভ কৰিব বুলি আশাবাদী হৈছে।



## ইমৰানৰ বাবে ২৫ মাৰ্চ হ'ব গুৰুত্বপূৰ্ণ দিন ঃ সন্মুখীন হ'ব অনাস্থাৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ২১ মাৰ্চ ঃ** পাকিস্তানৰ ইমৰান খান নেতৃত্বাধীন চৰকাৰে অহা ২৫ মাৰ্চৰ সদনত বিৰোধীৰ অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হ'ব লাগিব। প্ৰধানমন্ত্ৰী হিচাপে ইমৰানৰ বাবে এই দিনটো এক গুৰুত্বপূৰ্ণ দিন বিবেচিত হ'ব পাৰে। উল্লেখ্য যে পাকিস্তানৰ বিৰোধী দলে কেৱল ইমৰানৰ বিৰুদ্ধে নহয়, নেচনেল এছেম্বলিৰ অধ্যক্ষ অছদ কেইছৰৰ বিৰুদ্ধেও অনাস্থা প্ৰস্তাৱ দাখিল কৰিছে। অহা ২৫ মাৰ্চত ইমৰানৰ লগতে কেইছৰৰ ৰাজনৈতিক ভৱিষ্যৎ নিৰ্ধাৰণ হ'ব। উল্লেখ্য যে যোৱা ২৮ মাৰ্চত বিৰোধীয়ে চৰকাৰৰ বিৰুদ্ধে অনাস্থা উত্থাপনৰ অনুমতি বিচাৰিছিল। পাকিস্তানৰ নেচনেল এছেম্বলীৰ অধ্যক্ষই সংবিধানৰ ৫৪ (৩) আৰু ২৫৪ অনুচ্ছেদৰ অধীনত অনাস্থা প্ৰস্তাৱ দাখিলৰ বাবে বিৰোধীক অনুমতি দিছিল।

## কাশ্মীৰী পণ্ডিতৰ স'তে যি হৈছিল সেয়া বেদনাদায়ক ঃ মন্তব্য আমিৰৰ




**নিউজ ব্যুৰ', মুম্বাই, ২১ মাৰ্চ ঃ** মুক্তিৰ পাছৰে পৰা দেশৰ বক্স অফিচত ১৫০ কোটি টকাৰো অধিক ব্যৱসায় কৰি বিশেষভাৱে চৰ্চিত হৈছে বিবেক অগ্নিহোত্ৰী পৰিচালিত 'দ্য কাশ্মীৰ ফাইলছ' ছবিখনে। এইবাৰ 'দ্য কাশ্মীৰ ফাইলছ'ক বিশেষভাৱে প্ৰশংসা কৰিলে বলিউডৰ আগশাৰীৰ অভিনেতা-নিৰ্মাতা আমিৰ খানে। সম্প্ৰতি সংবাদ মাধ্যমৰ এক সাক্ষাৎকাৰত আমিৰে কয় যে 'দ্য কাশ্মীৰ ফাইলছ' ছবিখন যি বিষয়ক লৈ নিৰ্মিত, সেই কথা দেশৰ জনগণে অৱগত হোৱাটো ভাল। প্ৰত্যেকজন ভাৰতীয়ই এইখন ছবি অৱশ্যে চোৱা উচিত মন্তব্য কৰি আমিৰে কয়, 'মই এতিয়াও ছবিখন চোৱা নাই, কিন্তু শীঘ্ৰে চাম। কাশ্মীৰী পণ্ডিতৰ স'তে যি হৈছিল সেয়া সঁচাকৈয়ে অত্যন্ত বেদনাদায়ক। এই ঘটনা ভাৰতীয় ইতিহাসৰ এক হৃদয় বিদাৰক অংশ। ই গভীৰ ক্ষতৰ সৃষ্টি কৰিছিল। মই ভাবো এনে বিষয়ক লৈ ছবি নিৰ্মাণ হোৱা উচিত। এই ছবিৰ সকলো কৰ্মকৰ্তাক শুভেচ্ছা জনালো।'

## অবৈধ বিত্তীয় লেনদেনৰ গোচৰত মলিকৰ ন্যায়িক জিম্মা চাৰি এপ্ৰিললৈ বৃদ্ধি



**নিউজ ব্যুৰ', মুম্বাই, ২১ মাৰ্চ ঃ** মাফিয়া ডন ডাউদ ইব্ৰাহিমৰ আত্মীয়ৰ স'তে অবৈধ বিত্তীয় লেনদেনৰ গোচৰত মহাৰাষ্ট্ৰৰ মন্ত্ৰী তথা এন চি পিৰ নেতা নবাব মলিকৰ ন্যায়িক জিম্মাৰ ম্যাদ চাৰি এপ্ৰিললৈ বৃদ্ধি কৰিলে আদালতে। অৱশ্যে আদালতে মলিকক ন্যায়িক জিম্মাত থকাৰ সময়ত বিছনা, তুলি, চকীৰ সুবিধা প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে মলিকৰ অধিবক্তাই আদালতত দাবী কৰি কৈছিল যে মন্ত্ৰীজনৰ পিঠিৰ বিষৰ সমস্যা আছে আৰু সেয়েহে তেওঁক বিছনাত নিদ্ৰাগ্ৰহণৰ অনুমতি দিয়া উচিত। মলিকে ঘৰত তৈয়াৰ কৰা খাদ্যগ্ৰহণৰ বাবে অনুমতি বিচাৰিছিল যদিও আদালতে আজি এই বিষয়ত শুনানি গ্ৰহণ নকৰিলে। উল্লেখ্য যে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ যোৱা ২৩ ফেব্ৰুৱাৰীত পি এম এল এ আইনৰ অধীনত মলিকক গ্ৰেপ্তাৰ কৰিছিল।



# টেঙাখাত সৰুঅভয়পুৰীয়া গাঁৱৰ পথৰ বিধ্বস্ত অৱস্থা

## ■ পথত প্ৰকাণ্ড গাঁত ■ জীয়াতু ভুগিছে স্থানীয় ৰাইজ ■ পুনৰ নিৰ্মাণৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ২১ মাৰ্চ ঃ** দুলীয়াজান সমষ্টিৰ অন্তৰ্গত টেঙাখাত গাঁও পঞ্চায়তৰ অধীনৰ সৰুঅভয়পুৰীয়া গাঁৱৰ ঘাইপথৰ বিধ্বস্ত অৱস্থাই স্থানীয় লোকক জীয়াতু ভোগাইছে। ভাটাৰ ৰঙা ইটা গাঁঠনি কৰি নিৰ্মাণ কৰা পথটোৰ মাজে মাজে ইটা এৰাৰ ফলত গাঁতৰ সৃষ্টি হৈছে। কে'বা বছৰ নিৰ্মাণ কৰা পথটো যানবাহন চলাচলত ইটাবিলাক ক্ষয় হোৱাত বাৰিষাকালত পিছল হৈ পৰাৰ লগতে পানী জমা হয়। বিধ্বস্ত পথটো ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজে যাতায়াত কৰিবলগীয়া হয়। টেঙাখাতৰ ঘাইপথৰ লগত সংযোগ এই পথটো টেঙাখাত উন্নয়ন খণ্ড কাৰ্যালয়লৈ যোৱা বিকল্প পথৰূপে টেঙাখাত অঞ্চলৰ ৰাইজে ব্যৱহাৰ কৰি আহিছে। এনে এটা গুৰুত্বপূৰ্ণ পথ নিৰ্মাণ কৰিবলৈ জনপ্ৰতিনিধিৰ গুৰুত্ব নিদিয়াৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। সৰুঅভয়পুৰীয়া গাঁৱৰ মহিলাসকলৰ পথটো নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ স্থানীয় বিধায়ক তেৰছ গোৱালক আবেদন জনাইছিল যদিও আজিলৈকে কোনো ব্যৱস্থা কৰা নাই। অতি সোনকালে ব্লক ইটাৰ পথটোৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰি সৰুঅভয়পুৰীয়া গাঁৱৰ ৰাইজৰ লগতে টেঙাখাতবাসী ৰাইজক উপকৃত কৰিবলৈ জনপ্ৰতিনিধিক আহ্বান জনাইছে স্থানীয় ৰাইজে।




*মাহমৰাত যুৱ-ছাত্ৰ পৰিষদৰ নেতাৰ ঘৰত দুৰ্বৃত্তই অগ্নিসংযোগ কৰাৰ ফলত বিধ্বস্ত গৃহ, সোমবাৰে।*

# আজিৰ সমাজত ন্যায়পৰায়ণ মানুহৰ অভাৱ ঘটিছে ঃ হাজৰিকা

## ■ কলিয়াবৰত ডঃ ঘনকান্ত ভাগৱতীৰ 'মহাভাৰতত-বীৰ ভগদত্ত আৰু মহাত্মা বিদুৰ' গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২১ মাৰ্চ ঃ** 'আজিৰ সমাজত ন্যায়পৰায়ণ মানুহৰ অভাৱ ঘটিছে। বিদুৰৰ দৰে ভাল পৰামৰ্শদাতা থাকিলে বহু অন্যায় কৰ্মৰ পৰা ৰক্ষা পাব পাৰি।' কালি কলিয়াবৰ সাহিত্য কাননৰ উদ্যোগত আয়োজিত গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থ উন্মোচন কৰি কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক গুণীন হাজৰিকাই এইদৰে মন্তব্য কৰে। কলিয়াবৰ সাহিত্য কাননৰ সভাপতি বিপুল চন্দ্ৰ ভট্টাচাৰ্যৰ সভাপতিত্বত আক্ৰোইচুকস্থিত বাসগৃহত বিশিষ্ট গৱেষক-লেখক ডঃ ঘনকান্ত ভাগৱতী প্ৰণিত অন্যতম গ্ৰন্থ 'মহাভাৰতত-বীৰ ভগদত্ত আৰু মহাত্মা বিদুৰ' গ্ৰন্থখন উন্মোচন কৰি সাহিত্যিক হাজৰিকাই প্ৰাচীন কামৰূপৰ বীৰ ভগদত্ত আৰু মহাভাৰতৰ অন্যতম চৰিত্ৰ বিদুৰৰ বিষয়ে গৱেষণামূলক গ্ৰন্থ প্ৰণয়ন কৰা ডঃ ভাগৱতীৰ প্ৰচেষ্টাক প্ৰশংসা কৰি এনে ঐতিহাসিক চৰিত্ৰসমূহৰ বিষয়ে বৰ্তমান সময়ত সকলোৱে জনাটো প্ৰয়োজন বুলিও মন্তব্য কৰে। নগাঁৱৰ বঢ়মপুৰ নিবাসী ডঃ ভাগৱতীয়ে ত্ৰিভাষিক শব্দকোষ, প্ৰাচীন ভাৰতৰ মধুৰ কাহিনী, কালিদাসৰ অভিজ্ঞান শকুন্তলম্, ভাসৰ বালচৰিতম্, কবি ভাসৰ স্বপ্নৱাসৱদত্তম্'ৰ অসমীয়া অনুবাদ, পদ্মপুৰাণোক্ত শ্ৰীশ্ৰীমদ্ভাগৱত মাহাত্ম্যম্' (পদবন্ধ) , মুকুতা মণি (শিশু সাহিত্য), শংকৰাচাৰ্য, ভাগৱতত ভগৱান শ্ৰীকৃষ্ণ, সাহিত্যৰ পাতে পাতে, সাহিত্য সিন্ধু (প্ৰবন্ধ সংকলন), বিজ্ঞানৰ জয়যাত্ৰাত ভাৰত, ভক্তি বিবেকক প্ৰমুখ্য কৰি কে'বাখনো গৱেষণাধৰ্মী, তত্ত্ব গধুৰ গ্ৰন্থ প্ৰণয়ন কৰিছে। আজি উন্মোচিত 'মহাভাৰতত বীৰ ভগদত্ত আৰু মহাত্মা বিদুৰ'খনৰ জৰিয়তে বহুতো ঐতিহাসিক ঘটনাৰ বিষয়ে পাঠক অৱগত হ'ব পাৰিব বুলি ডঃ ভাগৱতীয়ে মন্তব্য কৰে। কলিয়াবৰ সাহিত্য কাননৰ সম্পাদক ৰবিৰাম শইকীয়াই আঁত ধৰা অনুষ্ঠানত কলিয়াবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভূপেন শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক ধনীৰাম দাসে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ৰাণুমণি বৰা, পবিত্ৰ হাজৰিকা, দিগন্ত মহন্ত, প্ৰমোদ বৰঠাকুৰ প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে।



# পঢ়িয়া মাধৱ আতাৰ তিথিত বৰহেৰামদো সত্ৰত পালনামৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ২১ মাৰ্চ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী ৰাজহ চক্ৰৰ অধীনৰ মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ স্থাপিত বৰহেৰামদো সত্ৰত কালি প্ৰথম বাৰ্ষিক পালনাম (যুগল কীৰ্তন) অনুষ্ঠিত হয়। বৰহেৰামদো সত্ৰৰ প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ পঢ়িয়া মাধৱ আতাৰ তিথি উপলক্ষে অনুষ্ঠিত পালনাম ভাৰত মহন্তই পৰিচালনা কৰে। অনুষ্ঠানত সত্ৰৰ উপদেষ্টা গুৱাহাটী নিৱাসী কণিকা পাঠক, বুঢ়া সত্ৰাধিকাৰ উমেশ মহন্ত, ডেকা সত্ৰাধিকাৰ ধীৰেন মহন্ত, সভাপতি জীতেন মহন্ত, সম্পাদক মুকুল মহন্ত, সহকাৰী সম্পাদক সৰ্বানন্দ দাস, প্ৰাক্তন তথা বৰ্তমান বিষয়ববীয়াকে ধৰি ৰাইজ, আইমাতৃ, যুৱকসকল উপস্থিত থাকে। ইয়াৰ উপৰি সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশা বৰহেৰামদো চৌতালী নামৰীয়া দলে নাম পৰিবেশন কৰি অনুষ্ঠানৰ সামৰণি মাৰে।

# বৰভাগত সাতদিনীয়া বিহু কৰ্মশালাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ২১ মাৰ্চ ঃ** স্থানীয় বৰভাগ সংগীত মহাবিদ্যালয় আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সোণকুৰিহা যুৱকজ্যোতি সংঘৰ উদ্যোগত বৰভাগত সাতদিনীয়াকৈ বিহু কৰ্মশালাৰ আয়োজন কৰা হৈছে। সোণকুৰিহা যুৱকজ্যোতি সংঘৰ বাকৰিত অহা একৰ পৰা সাত এপ্ৰিললৈকে অনুষ্ঠিত কৰা হ'ব এই বিহু কৰ্মশালা। কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব লখিমপুৰ নিৱাসী আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পী জিতু বৰা, তিতাবৰৰ প্লাৱন শইকীয়া, যোৰহাটৰ ৰীমা মুছাহাৰী আৰু সহযোগী প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব নলবাৰীৰ অমযাপুৰ নিৱাসী জয়ন্ত ডেকা। ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলক আয়োজক মণ্ডলীয়ে ৯১০১৬-৭৭২০৫, ৯৮৬৪৪-০০০৮৫, ৯১০১৪-০৬৫২৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। কৰ্মশালাত প্ৰশিক্ষাৰ্থীক বিহু নৃত্যৰ উপৰি ঢোল-পেঁপা-গগনা আদিৰ লগতে বিহুৰ লগত জড়িত লোকবাদ্যৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিছে বৰভাগ সংগীত মহাবিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ফণীন্দ্ৰনাথ চক্ৰৱৰ্তীয়ে।

# যজ্ঞভূমিত আত্মজীৱনী 'জীৱন এষণাৰ ছাঁ পোহৰত' উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২১ মাৰ্চ ঃ** নলবাৰী জিলাৰ যজ্ঞভূমিত কালি সেউজী সাহিত্য কাননৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত সাহিত্যসেৱী নিত্যানন্দ শৰ্মাৰ আত্মজীৱনী 'জীৱন এষণাৰ ছাঁ পোহৰত' উন্মোচন কৰে। সাহিত্যিক অশ্বিনী কুমাৰ শৰ্মাই। তদুপলক্ষে সেউজীৰ সভাপতি হিতেশ বৈশ্যৰ সঞ্চালনাত আৰু সম্পাদক বসন্ত মজুমদাৰে আঁত ধৰা অনুষ্ঠানত প্ৰগতিশীল কবি শান্তনু শৰ্মা, সাপ্তাহিক লুইতজ্যোতি কাকতৰ সম্পাদক অৰূপ শৰ্মা, উপ-সভাপতি ৰবীন তালুকদাৰ, সহ সম্পাদক মৃদুল বৈশ্য, বিত্ত সম্পাদক মিণ্টু শৰ্মা, পত্ৰিকা সম্পাদক প্ৰদীপ কুমাৰ হালৈ সাংস্কৃতিক সম্পাদক নগেন তামুলী, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল শৰ্মা, শিক্ষাবিদ মধুনাথ শৰ্মা, ধীৰেন্দ্ৰ নাথ শৰ্মা, দধিৰাম ডেকা, নাট্যশিল্পী যাদৱ চন্দ্ৰ ডেকা, সাহিত্যসেৱী প্ৰভাত চক্ৰৱৰ্তী, জিতেন্দ্ৰ কুমাৰ শৰ্মা, প্ৰণৱ প্ৰাণ বাচ্চচ, অনিল ডেকা, নুৰবস্ক আলী, শিল্পী নৱ শৰ্মা, খগেন মহন্ত সহ বহুসংখ্যক সাহিত্যসেৱী ৰাইজ উপস্থিত থাকে। সাহিত্যসেৱী উমেশ বৰ্মনে বন্তি প্ৰজ্বলন আৰু কল্পনা বৈশ্যৰ গীত, ত্ৰৈলোক্য নাথ শৰ্মাৰ বাদ্য সংগতৰে আৰম্ভ হোৱা অনুষ্ঠানটোত আত্মজীৱনী গ্ৰন্থখন উন্মোচন কৰি সাহিত্যিক অশ্বিনী কুমাৰ শৰ্মাই কয় যে জীৱন যাপন কৰা সহজ নহয়। সকলো ভাল কামৰ অনুকৰণ কৰিব পাৰিলেহে জীৱন যাপন কৰিব পাৰি। তেওঁ লগতে প্ৰখ্যাত সাহিত্যিক প্ৰয়াত হোমেন বৰগোহাঞিৰ আত্মকথাৰ উদাহৰণ দি এক বিশেষ ব্যাখ্যা আগবঢ়াই কয় নিত্যানন্দ শৰ্মাৰ প্ৰয়াস সফল হ'ল বুলি দোহাৰে। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে ভাষণ ৰাখি শিক্ষাহিতৈষী, কবি জিতেন্দ্ৰ কুমাৰ জৈনে কয় যে আত্মজীৱনী যদি নিজে লিখো বুলি লিখে সফল হ'বই আৰু প্ৰচাৰ হ'বই বুলি ব্যক্ত কৰে।

# বাইহাটা চাৰিআলিত ঈদ মেহফিল আয়োজন

**অগ্ৰদূত বাৰ্তা**

**কমলপুৰ, ২১ মাৰ্চ ঃ** কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ অন্তৰ্গত বাইহাটা চাৰিআলিত এক এপ্ৰিলত ৩৬ সংখ্যক ঈদ মেহফিলৰ আয়োজন কৰিছে।স্থানীয় বহ্নিমান সংঘৰ কাৰ্যালয়ৰ ক্ৰীড়াক্ষেত্ৰত দিনজোৱা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে ঈদ মেহফিল। উদ্‌যাপন সমিতিৰ সভাপতি ইমৰাণ হুছেইন খণ্ডকৰ, কাৰ্যকৰী সভাপতি নৃপেন্দ্ৰ ডেকা আৰু সম্পাদক জুৱেল খণ্ডকৰে জনোৱা অনুসৰি নগাঁও বহ্নিমান সংঘৰ পতাকা উত্তোলন। ঈদ মেহফিল উদ্‌যাপন সমিতিৰ পতাকা উত্তোলনৰ পাছত স্মৃতিতৰ্পণ, বৃক্ষৰোপণ, স্বচ্ছ ভাৰত অভিযান, সন্ধিয়া স্বৰ্গীয় মেঘালী বৰ্মন মহন্ত সোঁৱৰণী মঞ্চ উদ্বোধন, সাংস্কৃতিক মঞ্চ উদ্বোধন, স্মৃতিগ্ৰন্থ আজান উন্মোচন আৰু নিশা জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ আৰু উত্তৰ প্ৰদেশ আৰু মুম্বাইৰ কণ্ঠশিল্পী বিজয় আজিজ আৰু শীৰ্ষা ৰক্ষীতৰ গীতৰ শৰাই।

# বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত বিহুনামৰ কৰ্মশালা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২১ মাৰ্চ ঃ** দুটা বছৰৰ পাছত ক'ভিড পৰিস্থিতি তথা আতংক মাৰ যোৱাৰ পাছত সকলোৱে বাপতি সাহোন ৰঙালী বিহু উদ্‌যাপনৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব মাথোঁ সাংবাদিক সংগঠন হিচাপে সীমাবদ্ধ নাথাকি বিভিন্ন সময়ত সামাজিক দায়বদ্ধতাৰে বিভিন্ন সামাজিক, সাংস্কৃতিক, শৈক্ষিক আদি কামতো জড়িত হৈ আহিছে। আগন্তুক ৰঙালী বিহুৰ প্ৰতি লক্ষ্য ৰাখি অহা ২৪ মাৰ্চত বিহুনামৰ এক কৰ্মশালা আয়োজন কৰা হৈছে। সকলোৰে বাবে মুকলি থকা এই কৰ্মশালা বিনামূলীয়া হ'ব। ডিব্ৰুগড় মূৰ্চ্ছনা সংগীত বিদ্যালয় আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত হ'ব লগা এই কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে বিশিষ্ট অনাতাঁৰ শিল্পী ভুৱন গগৈ উপস্থিত থাকিব। বিয়লি তিনি বজাৰ পৰা নিশালৈকে অনুষ্ঠিত হ'ব লগা কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি লেখক, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়া উপস্থিত থাকিব। কৰ্মশালাত উপস্থিত তথা অংশগ্ৰহণ কৰি সাফল্যমণ্ডিত কৰি তুলিবলৈ অনুৰোধ জনাইছে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক তথা ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে।

# বামুন্দীত আছুৰ উদ্যোগত বিহুনাচ কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ মাৰ্চ ঃ** প্ৰত্যেক বছৰৰ দৰে এইবছৰো পশ্চিমবংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত, বামুন্দী শাখা ছাত্ৰ সন্থাৰ সহযোগত অহা তিনি এপ্ৰিলৰ পৰা, বামুন্দী হাইস্কুল প্ৰাংগণত আবেলি তিনি বজাৰ পৰা অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা বিহুনাচ কৰ্মশালাৰ আয়োজন কৰা হৈছে। অনুষ্ঠান উদ্বোধন কৰিব অসমীয়া ছবিজগতৰ মোহময়ী অভিনেত্ৰী বৰষা ৰাণী বিষয়াই। অনুষ্ঠানত উপস্থিত থাকিব সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতাৰ লগতে বিশিষ্ট কে'বাগৰাকী লোকে। যিসকলে বিহু নাচ কৰ্মশালাত অংশগ্ৰহণ কৰিব বিচাৰে তেওঁলোকক পশ্চিমবংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰুবুল কলিতাৰ (৬৯০০২৫০৮৫৯) আৰু বামুন্দী শাখা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল কলিতাৰ (৮৮৭৬৫৫৫৯৯৪)লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# দৰংগামেলাত প্ৰাকৃতিক জলধাৰাত অবৈধ পকী বেৰ নিৰ্মাণ

## ■ প্ৰশাসনৰ নিৰ্দেশকো কেৰেপ নকৰে ব্যৱসায়ীয়ে

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২১ মাৰ্চ ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভুটান সীমান্তৰ ইতিহাস প্ৰসিদ্ধ দৰংগামেলাৰ পূব দিশেৰে ভুটান পাহাৰৰ পৰা নামনিলৈ বৈ অহা এটি প্ৰাকৃতিক ডোঙৰ বুকুত এজন ব্যৱসায়ীয়ে অবৈধভাৱে এখন পকী দেৱাল নিৰ্মাণ কৰাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে দৰংগামেলা অঞ্চলত। প্ৰাকৃতিকভাৱে বৈ অহা ডোঙটোৰ বুকুত অবৈধভাৱে পকী বেৰ নিৰ্মাণ কৰাৰ ফলত ডোঙটোৰ গতি সলনি হৈ পাৰত থকা দৰংগামেলা বজাৰ, এখন কবৰস্থানৰ লগতে কে'বা গৰাকী পৰিয়ালৰ বাসগৃহৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ অভিযোগ আনিছে স্থানীয় বাসিন্দাসকলে। দৰংগামেলাৰ নুৰ মহম্মদ নামৰ এগৰাকী ব্যৱসায়ীয়ে দৰংগামেলাস্থিত পুৰণা গৰুৰ বজাৰ অঞ্চলত এটি ভঙা- চিঙা সামগ্ৰীকে ধৰি প্লাষ্টিকৰ সা-সামগ্ৰীৰ গুডাম খুলি ব্যৱসায় কৰি আহিছে। শেহতীয়াভাৱে ব্যৱসায়ী জনে তাতে এটুকুৰা মাটি ক্ৰয় কৰি ভঙা-চিঙাৰ এটি ক্ষুদ্ৰ উদ্যোগো স্থাপন কৰিছে। এই ক্ষুদ্ৰ উদ্যোগৰ পাছফালেৰে বৈ অহা মেনকা হোলা নামৰ প্ৰাকৃতিক ডোঙটোৰ বুকুত গৰাখহনীয়া ৰোধৰ নামত এখন বৃহৎ পকী দেৱাল নিৰ্মাণ কৰি নিজৰ মাটি টুকুৰাৰ লগতে উদ্যোগটোক গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ এনেদৰে দিহা কৰিছে। ব্যৱসায়ীজনে সম্পূৰ্ণ অবৈধভাৱে এনেদৰে পকী দেৱাল নিৰ্মাণ কৰাত স্থানীয় বাসিন্দাসকলে বাধা প্ৰদান কৰে যদিও তেওঁ নিজৰ মইমতালিৰে পকী বেৰ নিৰ্মাণৰ কাম আগবঢ়াই নিয়ে। ব্যৱসায়ীজনৰ মইমতালিত অতিষ্ঠ হৈ স্থানীয় লোকসকলে তামুলপুৰ জিলা উপায়ুক্ত, আৰক্ষী প্ৰশাসনৰ লগতে বনবিভাগক ব্যৱসায়ীজনৰ বিৰুদ্ধে অভিযোগ দাখিল কৰে। ৰাইজৰ অভিযোগৰ ভিত্তিত তামুলপুৰ জিলাৰ উপায়ুক্তগৰাকীয়ে ৰাজহুৱা অভিযোগৰ চৰজমিন তদন্ত কৰিবলৈ তামুলপুৰ ৰাজহ চক্ৰ বিষয়াক দায়িত্ব দিয়ে। ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে ইতিমধ্যেই ৰাইজৰ অভিযোগ অনুসৰি মেনকা হোলাত অবৈধভাৱে নিৰ্মাণ কৰা পকী দেৱালৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। ইপিনে, দৰংগামেলাৰ ৰাইজে কুমাৰীকাটা বনাঞ্চলিক বিষয়া, দৰংগামেলা আৰক্ষী চকী আৰু স্থানীয় বিধায়কজনক এই বিষয়ে অৱগত কৰে। বনবিভাগে পকী দেৱাল নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি নিৰ্মাণৰ কাম বন্ধ ৰাখিবলৈ দিছে যদিও ব্যৱসায়ীজনে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত স্থানীয় দৰংগামেলাৰ ৰাইজ ব্যৱসায়ীজনৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে । বাৰিষাৰ পূৰ্বেই প্ৰাকৃতিক ডোঙৰ বুকুত নিৰ্মাণ কৰি থকা বেৰখন ভাঙি পেলাবৰ বাবে জিলা প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে দৰংগা মেলাৰ স্থানীয় বাসিন্দাসকলে। স্থানীয় কেইগৰাকীমান ব্যৱসায়ীয়ে উল্লেখ্য যে, দেৱালখন নিৰ্মাণৰ ফলত দৰংগামেলা উপ-পশু চিকিৎসা কেন্দ্ৰ, এটি অংগনৱাড়ী কেন্দ্ৰ, প্ৰাথমিক বিদ্যালয়, গৰু বজাৰ অঞ্চল, দৰংগামেলাৰ পূব দিশত অৱস্থিত কবৰ স্থানৰ উপৰি স্থানীয় বাসিন্দাসকলৰ বাৰীবস্তীলৈ ভৱিষ্যৎ দিনত ভাবুকি কঢ়িয়াই আনিব।



# শিৱসাগৰত ঘৰচিৰিকা দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ মাৰ্চ ঃ** প্ৰকৃতিপ্ৰেমী সংস্থা নেচাৰ্ছ বেকনৰ ৰংপুৰ আঞ্চলিকৰ উদ্যোগত কালি শিৱসাগৰৰ দীননাথ বেজবৰুৱা পথৰ ৰূপম কলাকেন্দ্ৰত বিশ্ব ঘৰচিৰিকা দিৱস উপলক্ষে ঘৰচিৰিকা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত ঘৰচিৰিকা সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে বক্তব্য প্ৰদান কৰি নেচাৰ্ছ বেকনৰ শিৱসাগৰৰ মুখ্য সমন্বয়ক জেহিৰুদ্দিন খানে ঘৰচিৰিকাৰ বাঁহ নিৰ্মাণৰ প্ৰণালী প্ৰদৰ্শন কৰে। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত প্ৰকৃতিপ্ৰেমী ব্ৰজেন ফুকন, মুছফিক হাজৰিকা, জাকিৰ খান, অংকুৰজ্যোতি দত্ত, ঋতুপ্ৰিয়ম, চিত্ৰশিল্পী ৰূপম বেজবৰুৱাকে ধৰি অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# সাহিত্য সভাৰ পঞ্চম বাৰ্ষিক বক্তৃতা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা,**

**হোজাই ২১ মাৰ্চ ঃ** কালি হোজাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত নৱ চন্দ্ৰ বৰাৰ পঞ্চম বাৰ্ষিক সোঁৱৰণী বক্তৃতা অনুষ্ঠানত ডঃ সূৰ্যকান্ত হাজৰিকাই 'উনবিংশ শতিকাৰ প্ৰকাশিত গ্ৰন্থৰ ইতিহাস' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। হোজাই সাহিত্য সভাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ প্ৰেক্ষাগৃহত শাখাৰ সভাপতি ডাঃ চামছুল হকৰ সভাপতিত্বত অনুষ্ঠিত সভাত তেওঁ উনবিংশ শতিকাৰ অসমীয়া, বঙলা, ইংৰাজী আদি এহেজাৰ এশ চল্লিশখন গ্ৰন্থৰ বিষয়ে ব্যাখ্যা কৰি এহেজাৰ বছৰীয়া গ্ৰন্থৰ ইতিহাস নিৰ্মোহ বিশ্লেষণ দাঙি ধৰে। জিলা সাহিত্য সভাৰ সম্পাদক অনুপ কুমাৰ বৰঠাকুৰে আঁতধৰা সভাখনত হোজাই জিলা সাহিত্য সভাৰ প্ৰথম সভাপতি ডঃ সাৰদানন্দ দেৱগোস্বামীৰ লগতে শাখা আৰু জিলা সমিতিৰ বিষয়ববীয়া সকলে যোগান কৰে ।

# বামুণীগাঁও সাহিত্য সভাৰ ২৫ গৰাকী আজীৱন সভ্যক মানপত্ৰ প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**ছয়গাঁও, ২১ মাৰ্চ ঃ** কামৰূপ জিলাৰ বামুণীগাঁও সাহিত্য সভাৰ বিশেষ সাধাৰণ সভা আজি বামুণীগাঁও প্ৰদীপ সংঘৰ সভা গৃহত অনুষ্ঠিত হয়। কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন ভাগৱতীয়ে ভাষণ ৰখা সভা বামুণীগাঁও শাখা সাহিত্য সভাৰ সভাপতি তৰুণ চন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সাধাৰণ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক গিৰীন্দ্ৰ শৰ্মাই। সভাত কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ভাগৱতীৰ উপৰি সাংগঠনিক সম্পাদক ৰমেশ মহন্ত, জিলা সাহিত্য সভাৰ সহঃসম্পাদক হিৰণ্য কুমাৰ মজুমদাৰ, শিলচৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নগেন বড়ো, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ সদস্য কমলেশ্বৰ দলৈকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তিয়ে ভাষণ ৰাখে। এই সভাতে বামুণীগাঁও শাখা সাহিত্য সভাৰ জৰিয়তে অসম সাহিত্য সভাৰ আজীৱন সভ্যপদ লাভ কৰা ২৫ গৰাকী সভ্যলৈ প্ৰমাণপত্ৰসমূহো বিতৰণ কৰা হয়। সভাত এটি গীত পৰিবেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে ক্ষীৰোদ কলিতাই। সভাত অধ্যাপক ক্ৰমে উপেন ডেকা, লক্ষ্য শৰ্মা, ডঃ ফণীন্দ্ৰ কলিতা, ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰাপক দেবেন বড়ো প্ৰমুখ্য ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# বিশ্বনাথত সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ প্ৰতিনিধি সভা



**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২১ মাৰ্চ ঃ** সদৌ অসম গৰিয়া জাতীয় পৰিষদ বিশ্বনাথ চাৰিআলি আঞ্চলিক সমিতিৰ ব্যৱস্থাপনাত বিশ্বনাথ জিলা সমিতি আৰু ভগ্নী সংগঠন 'গৰিয়া ওমেন জাষ্টিছ ফ'ৰাম'ৰ আজি প্ৰতিনিধি সভা অনুষ্ঠিত হয়। বিশ্বনাথ চাৰিআলিস্থিত সাহিত্য সভা ভৱনত অনুষ্ঠিত সভাত 'সদৌ অসম গৰিয়া জাতীয় পৰিষদ'ৰ বিশ্বনাথ জিলা সমিতি পুনৰ গঠন আৰু ভগ্নী সংগঠন 'গৰিয়া ওমেন জাষ্টিছ ফ'ৰাম'ৰ বিশ্বনাথ জিলা গঠন কৰা হয়। উল্লেখ্য যে ত্ৰয়োদশ শতিকাতে প্ৰথম 'গৰিয়া' শব্দৰ প্ৰচলন হোৱাৰ কথা অসম বুৰঞ্জীত উল্লেখ আছে। তাই ৰাজকোঁৱৰ চাওলুং ছুকাফা যেতিয়া পাটকাই পৰ্বত পাৰ হৈ তাহানিৰ অসমৰ সৌমাৰপীঠত ভৰি থৈছিলহি, তেতিয়াই তেওঁ চেংচাই নামৰ গৰিয়া এজনক বাটত লগ পাই নিজৰ প্ৰশাসনৰ আওতাত থিতাপি দিছিল আৰু তেওঁৰ পৰিয়ালকে পাছলৈ বকতিয়াল বুলি জনা গৈছিল। চেংচাই (গৰিয়া) কিন্তু মুছলমান নাছিল। আৰু এই কথা হিতেশ্বৰ বৰবৰুৱাই লিখা 'আহোমৰ দিন' নামৰ বুৰঞ্জীখনত উল্লেখ আছে। এইসকল গৰিয়া জনগোষ্ঠীৰ লোকসকলক আগুৰি ইতিমধ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সমিতিসমূহ গঠন কৰা হৈছে। সমান্তৰালকৈ বিশ্বনাথ জিলা আৰু জিলাখনৰ বিভিন্ন প্ৰন্তত সিঁচৰতি হৈ থকা গৰিয়াসকলক একত্ৰিত কৰি গঠন কৰা হৈছে কমিটী। চতিয়া, বিশ্বনাথ চাৰিআলি, বিশ্বনাথ ঘাট, বৰগাং, বিহালী, গহপুৰকে আদি কৰি জিলাখনৰ আন কে'বাটাও প্ৰান্তত গঠন কৰা হৈছে আঞ্চলিক সমিতিৰ। সেই অনুযায়ী আজি অনুষ্ঠিত এই প্ৰতিনিধি সভাত পুৰণি কমিটী ভংগ কৰি নতুন কমিটী গঠন কৰা হয়। সভাই সৰ্বসন্মতিক্ৰমে আফতাবউদ্দিন আহমেদক পুনৰ বিশ্বনাথ জিলাৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰে আৰু মোজাম্মিল আজাদক কাৰ্যকৰী সভাপতি আৰু নেকিব আহমেদক সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰি ২১ জনীয়া সমিতি গঠন কৰা হয়। নতুনকৈ গঠন হোৱা 'গৰিয়া ওমেন জাষ্টিছ ফ'ৰাম'ৰ বিশ্বনাথ জিলা সমিতি গঠন কৰি ছৈয়দা উম্মে মুছফিকা বেগমক জিলা সভানেত্ৰী আৰু ৰাবিয়া বেগমক সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰা হয়। উল্লেখ্য যে প্ৰতিনিধি সভাত সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ ৰাজ্যিক সমিতিৰ সভাপতি অধিবক্তা মইনুল ইছলাম উপস্থিত থাকে।

# স্বচ্ছ মনৰ অধিকাৰীসকলহে প্ৰকৃত শিল্পী ঃ দত্ত

## ■ কমলপুৰত ১০ দিনীয়া বিহুৰ কৰ্মশালা আৰম্ভ



**অগ্ৰদূত বাৰ্তা**

**কমলপুৰ, ২১ মাৰ্চ ঃ** 'স্বচ্ছ মনৰ অধিকাৰীসকলহে প্ৰকৃত শিল্পী। গীত গালে, নৃত্য কৰিলে অথবা ঢোল-পেঁপা আদি বিভিন্ন বাদ্যযন্ত্ৰ বজালেই একোজন লোক শিল্পী নহয়। শিল্পী হ'বলৈ সুন্দৰ মনৰ অধিকাৰী হ'ব লাগিব।' কালি কামৰূপ জিলাৰ কমলপুৰত বিশিষ্ট অভিনেত্ৰী প্ৰাঞ্জনা দত্তই এই মত প্ৰকাশ কৰে। কমলপুৰ জনপ্ৰিয় ক্লাবৰ উদ্যোগত আৰু কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ সহযোগত কমলপুৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত বিহু নৃত্যৰ কৰ্মশালাৰ আৰম্ভ কৰি মোহময়ী অভিনেত্ৰীগৰাকীয়ে কয় যে মন্দিৰত গ'লেই যেনেদৰে এজন লোক ধাৰ্মিক নহয়, তেনেদৰে গীত গালে, নৃত্য কৰিলে অথবা ঢোল পেঁপা আদি বিভিন্ন বাদ্যযন্ত্ৰ বজালেই একোজন লোক শিল্পী নহয়। সেয়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰা সকলো শিক্ষাৰ্থীয়ে শুদ্ধ মনেৰে সংস্কৃতিৰ আৰাধনা কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত বিধায়ক কলিতাই কমলপুৰত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিহুৰ কৰ্মশালাই নতুন প্ৰজন্মৰ লোকসকলক বিহুৰ খুঁটি-নাটিসমূহ শিকাই তুলিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। সকলো বয়সৰ প্ৰশিক্ষাৰ্থীৰ বাবে কৰ্মশালা মুকলি থাকিব বুলি উল্লেখ কৰি বিধায়ক কলিতাই প্ৰতি বছৰে কমলপুৰত বিহুৰ কৰ্মশালা আয়োজন কৰা হ'ব বুলিও সদৰী কৰে। প্ৰায় ডেৰ শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাত ঢোল-পেঁপা-গগনা-বিহুনৃত্য আদি অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা ১০ দিন প্ৰশিক্ষণ প্ৰদান কৰিব। অনুষ্ঠানত কমলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বীৰেন বৰুৱা, জনপ্ৰিয় ক্লাবৰ সভাপতি দীপক দাস, সাধাৰণ সম্পাদক ৰমেন ডেকা, ক্লাবৰ কৰ্মকৰ্তা প্ৰদীপ কুমাৰ ভৰালী, ভবতোষ ডেকা, বিপুল ডেকা, দিগন্ত চৰকাৰ, বুবুল ডেকা, হেমন্ত বৰা, গীতাৰ্থ ডেকা, হৰেশ্বৰ দাস, কুমুদ কাকতিকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

# ডিমৌ ৰাইচাইত যুৱ সমাজৰ মুকলি বিহু উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ২১ মাৰ্চ ঃ** ডিমৌ কোঁৱৰ দিহিঙীয়া, ৰাইচাই আৰু কাষৰীয়া কেওখন গাঁৱৰ যুৱ সমাজ আৰু ৰাইজৰ উদ্যোগত অহা তিনি ব'হাগত ৰাইচাইত মুকলি বিহু উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। যোৱা ২০ মাৰ্চত এই উপলক্ষে ৰাইচাই গ্ৰাম্য ক্ৰীড়াংগনত জ্যেষ্ঠ সাংবাদিক অৰুণ শৰ্মাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। আহ্বায়ক বৈকুণ্ঠ ফুকনে উদ্দেশ্য ব্যাখ্যা কৰা ৰাজহুৱা সভাত উপস্থিত স্থানীয় যুৱক দীপাংকৰ কোঁৱৰ, ডিমৌ টাউন হাইস্কুলৰ প্ৰধান শিক্ষক ভাৰত শৰ্মা, অতুল কোঁৱৰ, কোঁৱৰ দিহিঙীয়া প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী পদ্মলাহন চেতিয়া, স্থানীয় যুৱক যুগল শৰ্মা, পাপু দুৱৰীয়ে মুকলি বিহু উদ্‌যাপনৰ সন্দৰ্ভত সহমত প্ৰকাশ কৰে। সভাৰ সৰ্বসন্মতিমৰ্মে ভাৰত শৰ্মা সভাপতি, বৈকুণ্ঠ ফুকনক কাৰ্যকৰী সভাপতি, পাপু দুৱৰীক মুখ্য সম্পাদকৰূপে লৈ এখন মুকলি বিহু উদ্‌যাপন সমিতি গঠন কৰে। উক্ত সভাতে মুকলি বিহুত স্থানীয় কণ কণ ছাত্ৰ-ছাত্ৰীৰে বিহু প্ৰদৰ্শন কৰিবৰ বাবে স্থানীয় যুৱকসকলে এটা চেমনীয়া বিহু দলক প্ৰশিক্ষণ দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে এটা স্থানীয় মহিলাসকলৰ দ্বাৰা জেং বিহু দলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। সভাত অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিক ৰবীন চেতিয়া, লক্ষী বৰুৱাকে ধৰি বহুকেইজন ব্যক্তি উপস্থিত থাকে। অহা ২২ মাৰ্চত একে স্থানতে উদ্‌যাপন সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। আগন্তুক মুকলি বিহু উদ্‌যাপনৰ' ক্ষেত্ৰত সমূহ ৰাইজৰ সহযোগিতা একান্তই কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

■ ঠিকাদাৰৰ জৰিয়তে বাগিচাখনৰ গছ কাটি তহিলং কৰিছে ঃ আছা

# শালবাৰীৰ ফাতেমাবাদ বাগিচাত মালিকৰ বিৰুদ্ধে আছাৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২১ মাৰ্চঃ** মানাহৰ সমীপতে থকা তথা বাগ্‌সা জিলাৰ শালবাৰীৰ বাঁহবাৰীস্থিত ফাতেমাবাদ চাহ বাগিচাত বাগিচাখনৰ মালিকৰ বিৰুদ্ধে আজি প্ৰতিবাদ সাব্যস্ত কৰে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ বাঁহবাৰী আঞ্চলিক সমিতিয়ে। বাগিচাখনৰ মালিক ৰাজেশ জালানৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে সংগঠনটোৰ একাংশ নেতা-কৰ্মীয়ে। জালানে বাগিচাখনত একনায়কত্ববাদ চলোৱাৰ অভিযোগ উত্থাপন তেওঁলোকে কয়, 'বাগিচাখনত কৰ্মচাৰীসকলক সঠিক সময়ত পাবলগা ধনৰাশি আদায় নিদিয়া, নতুন পদ পূৰণ নকৰাকে ধৰি এতিয়াও বহু সমস্যাই আছে যদিও সেইসমূহ সমস্যা সমাধানৰ কোনো গুৰুত্ব নাই বাগিচা কৰ্তৃপক্ষৰ। যাৰ বাবে এতিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ বিচাৰিছে সংগঠনটোৱে। উল্লেখ্য যে বাগিচাখনৰ মালিক জালানে একাংশ ঠিকাদাৰৰ সৃষ্টি কৰি চাহ বাগিচাখনৰ গছ কাটি তহিলং কৰাৰো অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে।



# গোলাঘাট জিলা মইনা পাৰিজাতৰ শিশু বিজ্ঞান মেলা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২১ মাৰ্চ ঃ** গোলাঘাট জিলা মইনা পাৰিজাতৰ উদ্যোগত কমাৰগাঁও আঞ্চলিক মইনা পাৰিজাতৰ আতিথ্যত দিন জোৰা কাৰ্যসূচীৰে শিশু বিজ্ঞান মেলা গোলাঘাটৰ মুহুৰামুখ প্ৰাথমিক বিদ্যালয়ত সম্পন্ন হয়। উল্লেখ্য যে বিজ্ঞান মেলাৰ দ্বাৰ উন্মোচন কৰে শিশু মহীয়ান মহেশ্বৰ শইকীয়াই। কমাৰগাঁও আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি জগত দত্তই পতাকা উত্তোলন কৰে আৰু স্মৃতিতৰ্পণ কৰে কমাৰগাঁও আঞ্চলিক মইনা পাৰিজাতৰ উপ-সভাপতি লোকদা হাজৰিকাই। বিজ্ঞান প্ৰদৰ্শনীৰ বিচাৰক হিচাপে থাকে মেদিনী মোহন শইকীয়া আৰু পৰিস্মৃতা ফুকনে। শিশুসকলৰ মাজত বিজ্ঞান চৰ্চা বৃদ্ধিৰ মহান উদ্দেশ্যৰে গোলাঘাট জিলা মইনা পাৰিজাতৰ সভাপতি যোগেন দত্তৰ সভাপতিত্বত অনুষ্ঠিত আলোচনাচক্ৰত মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰে বিজ্ঞান শিক্ষক প্ৰাঞ্জল হাজৰিকা আৰু সদৌ অসম মইনা পাৰিজাতৰ সাংগঠনিক সম্পাদক পিংকু শইকীয়া। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে শিশু বন্ধু বীৰেন্দ্ৰ নাথ শইকীয়াই বক্তব্য ৰাখে জিলা সম্পাদক চিৰণকুমাৰ বৰাই। সম্পাদক খগেন ফুকনে আঁত ধৰা সভাত শ্ৰেষ্ঠ বিবেচিত কমাৰগাঁও আঞ্চলিক মইনা পাৰিজাতৰ মইনা জোনাক প্ৰিয়া খাৰঘৰীয়া আৰু অন্বেষা শইকীয়া প্ৰথম আৰু সমুদ্ৰ কাশ্যপ শইকীয়া দ্বিতীয়, চেমনীয়া শাখাত কমাৰ গাঁও আঞ্চলিকৰ সুদৰ্শন শইকীয়া প্ৰথম আৰু মৰঙী আঞ্চলিকৰ সৌৰভ মাহিলী আৰু সাগৰ দৰ্জী দ্বিতীয় স্থান লাভ কৰাত প্ৰমাণপত্ৰ আৰু গ্ৰন্থৰে পুৰস্কৃত কৰা হয়। অনুষ্ঠানত সাফল্যমণ্ডিত কৰা সকলোকে আঞ্চলিক সভাপতি জগত দত্তই ধন্যবাদ জ্ঞাপন কৰে।



*আৰক্ষী বিভাগত নিযুক্তিৰ বাবে বিশ্বনাথত প্ৰাক্তন উগ্ৰপন্থী কেডাৰৰ প্ৰশিক্ষণ, সোমবাৰে।*

# ঢেকিয়াজুলিৰ গড়মাৰাত লিম্বু মহাসভাৰ দুদিনীয়া কৰ্মশালাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২১ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ গড়মাৰাত যোৱা ১৯ মাৰ্চৰ পৰা অনুষ্ঠিত লিম্বু মহাসভাৰ কৰ্মশালাৰ সামৰণি পৰে। লিম্বু মহাসভাৰ অসমৰ কেন্দ্ৰীয় সমিতি আৰু শোণিতপুৰ জিলা সমিতিৰ যুটীয়া উদ্যোগত গড়মৰাৰ তিনি নম্বৰ গংগাপুৰ প্ৰাথমিক বিদ্যালয়ত 'লিম্বু জনজাতি ধৰ্মশাস্ত্ৰ মুধুমৰ' শীৰ্ষক কৰ্মশালাখন অনুষ্ঠিত হয়। লিম্বু মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি লক্ষী লিম্বুৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মশালাত ছিকিমৰ ৰূপলাল খানডাক, ছিকিমৰ ভাষাবিদ কৰ্ণহাং লিম্বু, ছিকিমৰ চোনা চাওদেং, কেন্দ্ৰীয় সমিতিৰ সম্পাদক কৃষ্ণ চুব্বা, প্ৰতিষ্ঠাপক সভাপতি অজয় খাবুহাং আদিকে ধৰি পাঁচগৰাকী উপদেষ্টা থাকে। কৰ্মশালাত লিম্বু জাতিৰ জন্ম, বিবাহ আৰু মৃত্যুলৈকে মুধুমৰ শাস্ত্ৰৰ কি কি নীতি-নিয়ম পালন কৰা হয় সেই বিষয়ত সমল ব্যক্তি হিচাপে উপস্থিত থকা ৰূপলাল খানডাকে বিশদভাৱে বিশ্লেষণ কৰে। কৰ্মশালাত নৱপ্ৰজন্মক শাস্ত্ৰ মুধুমৰ বিষয়ে অৱগত কৰোৱা হৈছে প্ৰধান লক্ষ্য। ফেদামাং, বিজুৱা, এৱাসকলৰ অন্তৰৰ পৰা লাভ এখন ধৰ্মশাস্ত্ৰ হ'ল মুধুমৰ। এইখন শাস্ত্ৰৰ নীতি-নিয়ম অনুসৰি লিম্বুসকলে পৰিচালিত হৈ আহিছে। লিম্বু জাতিটোৰ সংবিধান স্বৰূপ মুধুমৰ। মুধুমৰ নীতি-নিয়ম পালন নহ'লে জাতিটোৰ অস্তিত্ব নাথাকিব বুলি প্ৰকাশ কৰে। জন্ম, বিবাহ আৰু মৃত্যুলৈকে লিম্বুসকলে মানি চলিবলৈ সকলোকে আহ্বান জনায়। কৰ্মশালাত শদিয়া, তিনিচুকীয়া, ধেমাজি, লখিমপুৰ, বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, গোলাঘাট, নগাঁও, বাগ্‌সা, ওদালগুৰি, চিৰাং, কোকৰাঝাৰ, গোৱালপাৰা, কামৰূপ, কাৰ্বি আংলং, শোণিতপুৰ জিলাৰ পৰা লিম্বু জাতিৰ লোকসকল উপস্থিত থাকে। কৰ্মশালাৰ মাজতে লিম্বুসকলৰ ফেদংমা (পুৰোহিত)সকলে ধৰ্মীয় সাজ-পোছাক পৰিধান কৰি ধৰ্মীয় নৃত্য পৰিবেশন কৰে। ইফালে উক্ত কৰ্মশালাখনত ছিকিমত অনুষ্ঠিত হোৱা য়াকথুং আইডেল বিজিতা শদিয়াৰ পিংকি পেগাক সম্বৰ্ধনা জ্ঞাপন কৰে।

# কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন ডিমৌ ২০২২ উদ্‌যাপন উপলক্ষে সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**


**ডিমৌ, ২১ মাৰ্চ ঃ** ডিমৌ প্ৰেছ ক্লাবকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীয় দল-সংগঠন একত্ৰিত হৈ বিগত বছৰৰ দৰে ডিমৌ ৰাজহুৱা খেলপথাৰত উদ্‌যাপন কৰি অহা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন ডিমৌ ২০২২ এইবছৰো উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। যোৱা ২০ মাৰ্চত এই উপলক্ষে ডিমৌ প্ৰেছ ক্লাবত শিক্ষক ছায়ানাথ বৰাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। আহ্বায়ক শেখৰজ্যোতি দুৱৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ডিমৌৰ তাই আহোম ছাত্ৰ সন্থা, তাই যুৱ পৰিষদ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, আদিবাসী ছাত্ৰ সন্থা, বেংগলী যুৱ ছাত্ৰ ফেডাৰেছনকে আদি কৰি বহুকেইটা দল-সংগঠনৰ বিষয়ববীয়াই দুটা বছৰৰ ক'ভিড পৰিস্থিতিৰ বাবে উদ্‌যাপন কৰিব নোৱাৰা বিহু সন্মিলনখন এইবাৰ আটকধুনীয়াকৈ উদ্‌যাপনত সহমত প্ৰকাশ কৰে। সভাত বিহু সন্মিলন আয়োজনৰ সন্দৰ্ভত বক্তব্য ৰাখে কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন ২০২২ উদ্‌যাপন সমিতিৰ মুখ্য পৃষ্ঠপোষক অজয় কুমাৰ গগৈৰ লগতে দেৱেন শেনচোৱা, সুমিত কুমাৰ সন্দিকৈ, ললিত তাঁতী, উৎপল দুৱৰা, শৈলেন চাংমাই, দীপাংকৰ চেতিয়া, ছায়ানাথ বৰা, সুনিত ফুলকোঁৱৰ, গোবিন গগৈ আদিয়ে বক্তব্য ৰাখে। সভাৰ সৰ্বসন্মতিক্ৰমে আগন্তুক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন ডিমৌ ২০২২ উদ্‌যাপন সমিতিৰ দেৱেন শেনচোৱাক সভাপতি, নৱ চাংমাইক কাৰ্যকৰী সভাপতি, শেখৰজ্যোতি দুৱৰী, সুমিত কুমাৰ সন্দিকৈক মুখ্য সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হয়।

# আকাশ বিজ্ঞান কেন্দ্ৰত জল প্ৰদূষণৰ ওপৰত সজাগতামূলক সভা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২১ মাৰ্চ ঃ** বিশ্বনাথ চাৰিআলিৰ হাটখোলাস্থিত আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা কেন্দ্ৰত বৰ্তমান সময়ত সৃষ্টি হোৱা ভয়াবহ পানী প্ৰদূষণৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতামূলক ক্ৰিয়াকলাপ অনুষ্ঠিত কৰা হয়। আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা কেন্দ্ৰৰ সম্পাদক ৰিপুঞ্জয় বৰদলৈয়ে আঁত ধৰা সভাত সভাপতিত্ব কৰে আকাশ শিশু বিজ্ঞান অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সভাপতি ক্ষীৰধৰ বৰুৱাই। ক্ষীৰধৰ বৰুৱাই জল প্ৰদূষণৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ কৰণীয়তাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰি দৃশ্য-শ্ৰব্য মাধ্যমৰে বক্তব্য দাঙি ধৰে। বিশিষ্ট বিজ্ঞানকৰ্মী ৰাণা প্ৰসাদ হাজৰিকাই বিশ্ব জল দিৱস ২০২২ৰ মূল বিষয় 'ভূ-জল অদৃশ্যক দৃশ্যমান কৰা'ৰ ওপৰত বিশ্বনাথ জিলাৰ শতাধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজৰ আগত সাৱলীলভাৱে ব্যাখ্যা কৰে। বিশ্বনাথ জিলাৰ বিদ্যালয়সমূহৰ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ মাজত 'জল প্ৰদূষণ'ৰ ওপৰত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা জ্যোতিকণা দাস তামুলী, মধ্য ছয়দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক দুৰ্গা নেপাল, চেঙামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ৰিপুঞ্জয় বৰদলৈয়ে কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে। বক্তৃতা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে লিটল ষ্টাৰ স্কুলৰ কাট্ৰায়নী কৃষ্ণাত্ৰেয় প্ৰথম, বিশ্বনাথ অভ্যসন বিদ্যাপীঠৰ ভাস্বতী বাঢ়ৈয়ে দ্বিতীয় আৰু বিশ্বনাথ জ্ঞান ভাৰতী স্কুলৰ আলমিৰাজ হুছেইনে তৃতীয় স্থান লাভ কৰে। কুইজ প্ৰতিযোগিতাৰ প্ৰথম বিশ্বনাথ জ্ঞান ভাৰতীয় স্কুলৰ আয়ুস সুবেদী, ৰাহুল গৌতম, আলমিৰাজ, হুছেইনৰ দল, দ্বিতীয় লিটল ষ্টাৰ স্কুলৰ বৰ্ণভ ডেকা, কাট্ৰায়নী কৃষ্ণত্ৰয়ৰ দল আৰু তৃতীয় স্থান লাভ কৰে শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ দিগন্ত কলিতা, কৌশিক বাঢ়ৈ, কৌস্তৱ মণি কেওটৰ দলে। বিশিষ্ট বিজ্ঞান কৰ্মী প্ৰীতি বৰুৱা, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ড° মহেশ শৰ্মা, মামুদ আহমেদ, পৰ্জন্য বৰদলৈয়ে জল প্ৰদূষণৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ মাজত আকাশ বিজ্ঞান কেন্দ্ৰই অনুষ্ঠিত কৰা এনে সজাগতামূলক কাৰ্যসূচীক ভূয়সী প্ৰশংসা কৰে।

# দেওমৰনৈত পাঁচদিনীয়া বিহু কৰ্মশালা



**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ২১ মাৰ্চ ঃ** দৰং জিলাৰ দেওমৰনৈত মৰনৈ ডান্স একাডেমীৰ উদ্যোগত বিহুনাচ আৰু বিহুঢোল বাদনৰ বিশেষ পাঁচদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈছে। মৰনৈ ডান্স একাডেমীৰ উদ্যোগত তথা বিনীতা চহৰীয়াৰ নেতৃত্বত দেওমৰনৈ ক্ষুদ্ৰ ক্ৰীড়াংগনত অনুষ্ঠিত উক্ত কৰ্মশালাত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত বিহুৱা দ্বীপজ্যোতি নাথ আৰু সংগীবৃন্দই প্ৰশিক্ষণ প্ৰদান কৰে। কালি কৰ্মশালাখন উদ্বোধন কৰে দেওমৰনৈ সামূহিক স্বাস্থ্য কেন্দ্ৰৰ উপ-অধীক্ষক ডাঃ কমলাকান্ত শৰ্মাই। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বিহুৰ পতাকা উত্তোলন কৰে দেওমৰনৈ কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মতিৰাম শইকীয়াই। আনহাতে, বন্তি প্ৰজ্জ্বলন কৰে দেওমৰনৈ কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰবক্তা সীমান্ত কুমাৰ ডেকাই। উক্ত কৰ্মশালাৰ আৰম্ভণিতে অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ মুখ্য কাৰ্যালয় সহায়ক চক্ৰধৰ বৰুৱা, কাৰ্যালয় সহায়ক দিগাম্বৰ ডেকা, দেওমৰনৈ মডেল ইংলিছ স্কুলৰ অধ্যক্ষ তপন চন্দ্ৰ বৰুৱা, ভূড়াৰগড় হাইস্কুলৰ সহকাৰী শিক্ষক প্ৰমোদ কলিতা, দেওমৰনৈ বি এড মহাবিদ্যালয়ৰ কৰ্মচাৰী কবিন কলিতা, স্বাস্থ্য বিভাগৰ কৰ্মচাৰী পৰেশ চহৰীয়াৰ লগত কে'বাজনো বিশিষ্ট লোক উপস্থিত থাকি বিহু কৰ্মশালাৰ প্ৰাসংগিকতাৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। উক্ত প্ৰশিক্ষণত শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

# ভাটিপাৰা প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ভাটিপাৰা প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কালি বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ মনোৰঞ্জন কলিতাৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমানৰ প্ৰধান শিক্ষক ফজৰ আলীৰ তত্ত্বাৱধানত অনুষ্ঠিত সভাখনত মনোৰঞ্জন কলিতাক সভাপতি, ছৈয়দ মহম্মদ আদীব আৰু ৰন্টু পাঠকক উপ-সভাপতি, আব্দুল হাকিমক সম্পাদক প্ৰধান আৰু ৰঞ্জিত পাঠকক কোষাধ্যক্ষৰূপে লৈ এখন প্ৰাক্তন ছাত্ৰ সন্মিলনৰ কমিটী গঠন কৰা হয়। সভাখনত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা সাহিত্যিক কেৰামত আলী শ্বেখৰ লগতে কে'বাগৰাকী বিশিষ্ট লোক উপস্থিত থাকি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। ইপিনে, সোণালী জয়ন্তী বৰ্ষ পালন উপলক্ষে অহা ২৫ মাৰ্চৰ দিনৰ এক বজাত উদ্‌যাপন সমিতি গঠনৰ বাবে দ্বিতীয়খন বৈঠক অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে ১৯৭৩ত শ্ৰীশ্ৰীসূৰ্য পাহাৰ মহাপীঠ স্থানৰ সমীপৰ ভাটিপাৰা গাঁৱৰ মাজমজিয়াত স্থানীয় শিক্ষাপ্ৰেমী ৰাইজে প্ৰাথমিক বিদ্যালয়খন স্থাপন কৰিছিল।

# চৰ চাপৰি সাহিত্য মঞ্চৰ গোৱালপাৰা জিলা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ মাৰ্চ ঃ** অসম চৰ চাপৰি সাহিত্য মঞ্চৰ গোৱালপাৰা জিলা সমিতি গঠনৰ উদ্দেশ্যে যোৱা ১৯ মাৰ্চত গোৱালপাৰা সাহিত্য ভৱনত এখন প্ৰতিনিধিত্বমূলক সাধাৰণ সভা অনুষ্ঠিত হয়। প্ৰায় অৰ্ধশতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাখনত দেৱান জয়নাল আবেদিন, আব্দুল মজিদ খান, ডাঃ আব্দুল কাদিৰ, ড° আবুল হুছেইন আৰু ছজিমুদ্দিন আহমেদক উপদেষ্টা, আব্দুৰ ৰহিম ভূএঞাক সভাপতি, অৱসৰপ্ৰাপ্ত অধ্যাপক নৌজেস খান আৰু ৰুহুল আমিনক উপ-সভাপতি, অধ্যাপক জালাল উদ্দিন আহমেদক সম্পাদক, হবিবৰ ৰহমানক যুটীয়া সম্পাদক, আব্দুল ছালামক সাংগঠনিক সম্পাদক হিচাপে লৈ এখন ২৫ জনীয়া জিলা সমিতি গঠন কৰা হয়। সভাত কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি নাজিৰ সৰকাৰ, সাধাৰণ সম্পাদক ৰফিকুল হাছান, সাংগঠনিক সম্পাদক মজনুৰ ৰহমান, সম্পাদক গোলাম ছৰোৱাৰ মণ্ডল, কাৰ্যকৰী সদস্য অধ্যাপক নুৰ আলাম আৰু আলতাব মজুমদাৰে পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। ৰফিকুল হাছানে উদ্দেশ্য ব্যাখ্যা কৰা সভাত অধ্যাপক নজিৰ হুছেইন সৰকাৰ, দেৱান জয়নাল আবেদিন, ডাঃ আব্দুল কাদেৰ, ড° আবুল হুছেইন, অধ্যাপক নূৰ আলম, অধ্যাপক জালালুদ্দিন, অধ্যাপক ৰুহুল আমীন, অধ্যাপক নোৱাজিশ আলী খান আৰু আব্দুল ৰহিম ভূএঞা আদিয়ে বক্তব্য ৰাখে। ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত কৃতী শিক্ষক তথা বিশিষ্ট সাহিত্যিক আব্দুল মজিদ খানে পৌৰোহিত্য কৰা সভাখনত শলাগৰ শৰাই আগবঢ়ায় ছজিমুদ্দিন আহমেদে।

# বিনা বেতনে অৱসৰ লোৱা এজাৰগুৰি গড়মূৰ মধ্য ইংৰাজী বিদ্যালয়ৰ দুই শিক্ষকক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ২১ মাৰ্চ ঃ** যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ অন্তৰ্গত এজাৰগুৰিত ১৯৮৬ত প্ৰতিষ্ঠা লাভ কৰা এজাৰগুৰি গড়মূৰ মধ্য ইংৰাজী বিদ্যালয়ত কালি অনুষ্ঠিত হয় এক ব্যতিক্ৰমী সম্বৰ্ধনা অনুষ্ঠান। কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰশান্ত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে উদ্‌যাপন সমিতিৰ সম্পাদক ৰাকেশ বৰাই। উল্লেখনীয় যে ১৯৮৬ত স্থানীয় শিক্ষিত যুৱক প্ৰয়াত উপেন শইকীয়া, দিলীপ হাজৰিকা, জয়সিং ৰবিদাস আৰু নন্দেশ্বৰ বৰাৰ আপ্ৰাণ চেষ্টাত বানে গৰকা অঞ্চলটোত বট বৃক্ষৰূপী শিক্ষানুষ্ঠানখনে প্ৰতিষ্ঠা লাভ কৰে। ৩৪-৩৫ বছৰে বিনা বেতনে এসাগৰ সপোন বুকুত বান্ধি শিক্ষাৰ পোহৰ বিলাই অঞ্চলটোৰ বহুজনক মানুহ হিচাপে গঢ় দিলে, কিন্তু পৰিতাপৰ বিষয় যে এনেবোৰ শিক্ষানুষ্ঠানত নিয়োজিত সেইসকল শিক্ষকৰ কথা ভাবিবলৈ আহৰি নহ'ল কোনো এখন চৰকাৰৰ। অঞ্চলটোৰ কলবাৰী, কুমাৰভেটি, সাতপুখুৰী এজাৰগুৰিকে ধৰি প্ৰায় পাঁচখন গাঁৱৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি থকা বিদ্যালয়খনৰ পৰা বিনা বেতনে অৱসৰ লোৱা শিক্ষক দিলীপ হাজৰিকা, জয়সিং ৰবিদাসক কালি ৰাজহুৱাভাৱে বিদায় সম্বৰ্ধনা জনায়। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানত শিক্ষকদ্বয়ক স্বগৃহৰ পৰা পুৱা গায়ন-বায়নে আদৰি আনি বিদ্যালয়ৰ বাকৰিত অনুষ্ঠিত মুকলি সভাত বস্ত্ৰ, কিতাপৰ টোপোলা, নগদ ধনেৰে সম্বৰ্ধনা জনায়। জীৱনৰ অধিকাংশ সময় শিক্ষা জগতৰ লগত জড়িত হৈ এটা বৃহৎ শূন্য হাতত লৈ বিদায় লোৱাৰ বিপৰীতে আজি বজাৰে বজাৰে শকা-পাচলি বিক্ৰী কৰি পৰিয়াল পোহপাল দিবলগীয়া কাণ্ডত চকুলো নিগৰিছে শিক্ষকদ্বয়ৰ লগতে উপস্থিত ৰাইজৰ। সভাত টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ ৰাজু কুমাৰ শইকীয়া, কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জিত দত্ত, শিক্ষক ৰমেন শৰ্মা, উদ্‌যাপ'ন সমিতিৰ সভাপতি অতুল হাজৰিকা, শিক্ষক বেনিমাধৱ বুঢ়াগোহাঁই, শিক্ষক দিপাংকৰ হাজৰিকাৰ লগতে বহু ব্যক্তি উপস্থিত থাকে।

# মাজুলীত মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ চেক্ বিতৰণ বিধায়ক গামৰ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২১ মাৰ্চ ঃ** মাজুলীৰ গড়মূৰ বংশীগোপাল নাট্য মন্দিৰত কালি অনুষ্ঠিত এখন সভাত বিধায়ক ভুৱন গামে মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনৰ ৮০ গৰাকী হিতাধিকাৰীৰ মাজত চেক্ প্ৰদান কৰে। জিলা বিজেপিৰ সাধাৰণ সম্পাদক দেৱব্ৰত দত্তই আঁত ধৰা চেক্ বিতৰণী সভাত বিধায়ক গামে ৩৫ গৰাকী হিতাধিকাৰীক চেক্ প্ৰদান কৰে। সভাত জিলা বিজেপিৰ সভাপতি লোকনাথ কুটুমৰ লগতে হিতাধিকাৰীসকল আৰু দলৰ কৰ্মীসকল উপস্থিত থাকে। চেক্ প্ৰদান কৰি বিধায়ক গামে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মাজুলী প্ৰীতিৰ কথা উল্লেখ কৰি মাজুলীৰ উন্নয়নৰ লগতে মাজুলীৰ আধৰুৱা সকলো কাম শীঘ্ৰে সমাপ্ত কৰা হ'ব বুলি উল্লেখ কৰে। চেক্ গ্ৰহণ কৰা সকলোকে কৃতজ্ঞতা জনাই সাহায্য পুঁজিৰ ধন খৰচৰ ক্ষেত্ৰত মিতব্যয়ী হ'বলৈ আহ্বান জনায়। জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত জিলা পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভুৱন গামে। সাংসদ আৰু বিধায়কদ্বয়ে জিলাখনত চলি থকা উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ লগতে নিৰ্মাণৰত আঁচনিৰ কাম যাতে সময়মতে সমাপ্ত হয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ জিলা উপায়ুক্তক আহ্বান জনায়।

# ৰংমনৰ উদ্যোগত বিহুনাচ-ঢোলবাদনৰ কৰ্মশালা আৰম্ভ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ মাৰ্চ ঃ** শিৱসাগৰৰ অন্যতম ক্ৰীড়া, সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান 'ৰংমন'ৰ উদ্যোগত কালিৰে পৰা শিৱসাগৰ বৰ্ডিং খেলপথাৰত বিহুনাচ আৰু ঢোলবাদনৰ কৰ্মশালা আৰম্ভ হৈছে। বিয়লি বহুকেইজন বিশিষ্ট অতিথি, প্ৰশিক্ষক, অভিভাৱক আৰু প্ৰশিক্ষাৰ্থীৰ উপস্থিতিত কৰ্মশালা উদ্বোধন কৰে বিশিষ্ট শিল্পী মাখন বৰাই। ৰংমনৰ সম্পাদক প্ৰদীপ বৰগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত প্ৰতাপ চাংকাকতি, নৰেন চেতিয়া, ভূৱন হাজৰিকা, বুলবুল বৰা, ৰমা গগৈ, কৃষ্ণা বৰগোহাঁই, বিৰিঞ্চি গোহাঁই, বকুল বিজয় চুতীয়া, প্ৰতাপ চেতিয়াকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# কৃষ্ণাই ক্ষুদ্ৰ প্ৰাথমিক কেন্দ্ৰক অত্যাধুনিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীতকৰণৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২১ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰক এখন অত্যাধুনিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীতকৰণৰ দাবী উত্থাপন কৰিছে কৃষ্ণাইবাসী ৰাইজে। উল্লেখ্য যে কৃষ্ণাই ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই সৰ্বমুঠ ২১,৯৬০ গৰাকী সাধাৰণ জনতাক সেৱা আগবঢ়াই আহিছে। জনসংখ্যা অনুপাতে স্বাস্থ্য কেন্দ্ৰত এতিয়াও বহু সা-সুবিধাৰ অভাৱ। স্বাস্থ্য কেন্দ্ৰখনত বৰ্তমানে গৰ্ভৱতী মহিলাৰ বাবে চাৰিখন বিছনাৰ বিপৰীতে সাধাৰণ ৰোগীৰ বাবে ছখন বিছনা আছে। জনসংখ্যাৰ অনুপাতলৈ লক্ষ্য কৰি এই স্বাস্থ্য কেন্দ্ৰখনক অতি কমেও ৩০ খন বিছনাযুক্ত স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰিব লাগে বুলি অঞ্চলটোৰ ৰাইজে বাৰে বাৰে দাবী জনাই আহিছে স্বাস্থ্য বিভাগক। এই দাবী বহু দীৰ্ঘদিনীয়া। ইফালে, কৃষ্ণাই ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত অ'পিডিৰো ব্যৱস্থা নাই। পাৰ্যমানে শীঘ্ৰে স্বাস্থ্য কেন্দ্ৰখনত অ'পিডিৰ ব্যৱস্থা কৰিলে ৰাইজ উপকৃত হ'ব। প্ৰণিধানযোগ্য যে বৰ্তমানলৈকে স্বাস্থ্য কেন্দ্ৰখনত কোনো এম্বুলেন্সৰ ব্যৱস্থা নাই। ফলত গৰ্ভৱতী মহিলা বা সংকটজনক ৰোগীক উন্নত চিকিৎসাৰ বাবে যাতায়াতৰ ক্ষেত্ৰত আহুকালৰ সন্মুখীন হৈ আহিছে অঞ্চলটোৰ জনসাধাৰণ। সেয়ে স্বাস্থ্য কেন্দ্ৰখনত শীঘ্ৰে এম্বুলেন্স সেৱাৰ ব্যৱস্থা কৰাৰ বাবে স্বাস্থ্য বিভাগক অনুৰোধ জনাইছে ৰাইজে। ইফালে স্বাস্থ্য কেন্দ্ৰখনত চৰকাৰী পানী যোগানৰ ব্যৱস্থাও নাই। সংশ্লিষ্ট বিভাগে স্বাস্থ্য কেন্দ্ৰখনত শীঘ্ৰে চৰকাৰী পানী যোগানৰ সুবিধা কৰি দিব লাগে। এই স্বাস্থ্য কেন্দ্ৰখনত বৰ্তমানে চিকিৎসকৰ সংখ্যা তিনিগৰাকী। স্বাস্থ্য কেন্দ্ৰখনত ৰোগীৰ সংখ্যাধিক্যলৈ চাই চিকিৎসকৰ সংখ্যা অতি কমেও ছয়গৰাকীলৈ বৃদ্ধি কৰিব লাগে। তেনেদৰে, কৃষ্ণাই ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত থকা এএনএম নাৰ্ছৰ সংখ্যা দুইৰ পৰা চাৰিগৰাকীলৈ বৃদ্ধি কৰিব লাগে বুলি ৰাইজে মত পোষণ কৰিছে। স্বাস্থ্য কেন্দ্ৰখনত বায়'মেডিকেল ওৱাষ্ট মেনেজমেণ্ট পি আই টি, ডীপ বিউৰেল পিআইটিৰ ব্যৱস্থা নাই। অতিশীঘ্ৰে এই ব্যৱস্থা উপলব্ধ কৰিব লাগে। স্বাস্থ্য কেন্দ্ৰখনত অফিচ ৰূমৰ অৱস্থা অতি নিম্নমানৰ। অতিশীঘ্ৰে অফিচ ৰূমটোৰ আধুনিকীকৰণ কৰাৰ উদ্যোগ ল'ব লাগে বুলি কৃষ্ণাইৰ সচেতন মহলে দাবী উত্থাপন কৰিছে। এই ক্ষেত্ৰত ৩৬ নম্বৰ দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীক ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে কৃষ্ণাইবাসী জনসাধাৰণে।

# শিৱসাগৰত বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাব গঠন

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ২১ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা সাংবাদিকসকলক একত্ৰিত কৰাৰ উদ্দেশ্যে যোৱা ২০ মাৰ্চত শিৱসাগৰ নগৰৰ লক্ষ্মীনাথ শিশু ভৱনত এখন সভা অনুষ্ঠিত হয়। জ্যেষ্ঠ সাংবাদিক মনোজ কুমাৰ বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কুমাৰ অভিজিৎ দুৱৰাই। সভাত শিৱসাগৰ নগৰৰ সমাজকৰ্মী তথা সাংবাদিক অনিল কুমাৰ গুপ্তা আৰু বিকাশ কুমাৰ উপস্থিত থাকে সভাত পৰাগ শইকীয়া, বিশ্বজিৎ বড়া, মুকুল গগৈ, অমৃত কুমাৰ শৰ্মা, অনুপ কুমাৰ বৰুৱা, আব্দুল নুৰ আলী, ফৰীদ আলী, অৰূপজ্যোতি বৰুৱা আদিয়ে বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাব গঠনৰ পোষকতা কৰে। উক্ত সভাতে সৰ্বসন্মতিক্ৰমে মনোজ কুমাৰ বৰঠাকুৰক সভাপতি কুমাৰ অভিজিৎ দুৱৰাক সম্পাদক আৰু প্ৰাঞ্জল পূজাৰীক কোষাধ্যক্ষ হিচাপে লৈ ১৭ জনীয়া সদস্যৰে বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাবৰ সমিতিখন গঠন কৰা হয়।

## তৰমুজৰ খেতিৰে ভৰি পৰিছে গংগাধৰ নদীৰ বালিচৰ

# ভেজাল সাৰ-ঔষধে বিপদত পেলাইছে কৃষকক

**তামাৰহাট, ২১ মার্চ ঃ** এতিয়া তৰমুজৰ বতৰ। ধুবুৰী জিলাৰ তামাৰহাট গংগাধৰ নদীৰ বালি চৰত কৃষকে বিঘাই বিঘাই কৰিছে তৰমুজৰ খেতি। বালিময় চৰ তৰমুজ খেতিৰে সেউজীয়া হৈ পৰিছে। নদীৰ বালি চৰত থকা তৰমুজ খেতিয়ে কৃষকক উৎসাহ দিছে। ফলত দিনে নিশাই সাৰ-পানী যোগান ধৰাৰ লগতে বিভিন্ন খেতিৰ কামত ব্যতিব্যস্ত কৃষকসকল। খেতিয়কৰ তৰমুজ খেতি কৰি পৰিয়াল ভৰণ-পোষণ দিয়াৰ লগতে আৰু ভৱিষ্যত উপাৰ্জন কৰাই লয়। শ শ বিঘা তৰমুজৰ খেতিয়ে কৃষকৰ বাবে এক আশাৰ বতৰা কঢ়িয়াই আনিছে যদিও এইবেলি প্ৰকৃতিৰ কাৰণত



এই খেতিৰ ব্যতিক্ৰম ঘটিছে। ফলত কঠোৰ পৰিশ্ৰম কৰাৰ পাছতো বিচৰা ধৰণে সফল নধৰাৰ অনিশ্চিত হৈ পৰিছে বুলি কৃষকে মন্তব্য কৰিছে। শেহতীয়াকৈ বতৰৰ ফল তৰমুজ খেতিৰে ভৰি পৰিছে গংগাধৰ নদীৰ তামাৰহাট পাৰঘাট, কৈমাৰী চৰ, লোহাজনী চৰ। একো একোজন কৃষকে তিনি-চাৰি বিঘা কৈ তৰমুজ খেতি কৰিছে যদিও পূৰ্বৰ তুলনাত এই বেলি ফল কম হোৱাত চিন্তিত হৈছে। এবিঘাত ৩০ - ৪৯ হেজাৰ কৈ টকা ব্যয় কৰি তৰমুজ খেতি কৰিছে যদিও এইবেলি বৰ্তমান লৈ বজাৰত তৰমুজ চাহিদা অনুপাতে বিক্ৰী কৰিব পৰা নাই। অকল উৎপাদন হ্ৰাস পোৱা আৰু সঠিক সময়ত ফল নধৰা নহয় সাৰ আৰু শ্ৰমিকৰ মূল্যবৃদ্ধি হোৱাত কৃষকসকলে বিপাণ্ডত পৰিছে। তথাপি তৰমুজ খেতি কৰিবলৈ এৰি দিয়া নাই। কৃষকসকলে বিভিন্ন বিত্তীয় অনুষ্ঠানৰ উপৰি ব্যক্তিগতভাৱে ঋণ লৈ কঠোৰ পৰিশ্ৰম কৰি তৰমুজ খেতি কৰিছে। বজাৰত উপলব্ধ হোৱা সাৰ, বীজ আৰু ঔষধ নকল হোৱা বাবে কৃষকসকলে বিভিন্ন প্ৰকাৰে লোকচানৰ সম্মুখীন হ'বলগীয়া হৈছে বুলি মন্তব্য কৰিছে

## বৰঝাৰত 'নতুনকৈ কবিতা চৰ্চাসকলৰ অসুবিধা' শীৰ্ষক আলোচনাচক্ৰ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২১ মার্চ ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ বৰঝাৰত আজি কবিতা সন্দৰ্ভত এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। সাহিত্য সংস্কৃতিমূলক অনুষ্ঠান ৰঙৰ উদ্যোগত 'নতুনকৈ কবিতা চৰ্চা কৰা সকলৰ অসুবিধা' শীৰ্ষক আলোচনাচক্ৰখন সঞ্চালনা কৰে ৰঙৰ সভাপতি তথা কবি শিৰষ দাসে। উক্ত আলোচনাচক্ৰত অংশগ্ৰহণ কৰি মাহেকীয়া কাব্যালোচনী 'কাব্য-কাঁচলি'ৰ সম্পাদক তথা বহুভাষিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক দীপক শৰ্মাই উল্লেখ কৰি কয় যে কবিসকলে কবিতা বিষয়ক সমালোচনা সাহিত্য বেছি অধ্যয়ন কৰিব লাগে। বঙৰা আঞ্চলিক সাহিত্য মঞ্চৰ সভাপতি গৌৰীকান্ত নাথে আলোচনাচক্ৰত অংশগ্ৰহণ কৰি জ্যেষ্ঠ কবিৰ কবিতা নতুন কবিসকলে পঢ়াৰ লগতে, কবিতা এটা লিখি কিছুদিন পেলাই থ'ব লাগে, পাছত পুনৰ চিকুণাই ল'ব লাগে বুলি মত প্ৰকাশ কৰে। শ্ৰীমন্ত শংকৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়, বঙৰাৰ প্ৰাক্তন প্ৰধান শিক্ষক জগৎ চন্দ্ৰ চৌধুৰীয়ে উন্নত কবিতা লিখা কবিৰ কবিতা সকলোতে স্থান পায়। গতিকে বিশিষ্ট কবিৰ কবিতা অধ্যয়ন কৰা উচিত বুলি মন্তব্য কৰে। উক্ত অনুষ্ঠানত সচেতন লেখক কমল চন্দ্ৰ মেধি, দক্ষিণ কামৰূপ সচেতন মঞ্চৰ অধ্যক্ষ মদন দাস, শিক্ষক ৰঞ্জিৎ মহন্ত, কবি স্বপ্না শৰ্মা, সুৰেণ বড়ো আদি কৰি কে'বাগৰাকীয়ে বক্তব্য আগবঢ়ায়।

## জাহ গ'ল মেট্ৰিক পৰীক্ষাৰ্থীৰ কিতাপ

## ৰহমৰীয়া খাগৰি মাইজানত অগ্নিকাণ্ডত গৃহ ভস্মীভূত



**অগ্ৰদূত বাৰ্তা**

**চাবুৰা, ২১ মার্চ ঃ** চাবুৰাৰ ৰহমৰীয়াত খাগৰিজান মাইজানত আজি পুৱা ১১ বজাত এটা বাসগৃহ ভস্মীভূত হয়। সুপিল দত্ত নামৰ লোকজনৰ বাসগৃহটো জুইত জাহ যায়। দত্তৰ সন্তান এটিয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ আছিল আৰু ঘৰটোত থকা ছাত্ৰজনৰ কিতাপ ভস্মীভূত হয়। এই ঘটনাৰ কাৰণ জানিব পৰা নাই যদিও দত্তই আজি খেতিপথাৰত কাম কৰিবলৈ গৈছিল। ৰহমৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ এগৰাকী আশাকৰ্মীৰূপে নিয়োজিত দত্তৰ পত্নী বীনা দত্তই গাঁৱলৈ ৰাজহুৱা কামত ওলাই গৈছিল। ৰাইজে জুই নিৰ্বাপিত কৰিবলৈ চেষ্টা চলায় যদিও ঘৰটো ভস্মীভূত হয়। ঘৰৰ আচবাব, কাপোৰ-কানি, ধান, চাউলৰ লগতে গাঁওখনৰ শিশু-মহিলাৰ স্বাস্থ্য বিভাগৰ হেজাৰ হেজাৰ গুৰুত্বপূৰ্ণ নথিপত্ৰও নষ্ট হয়।

# চিথিলাৰ ঘোপত গোংগেয়া নদীৰ পাৰত গছৰ কুণ্ডা জব্দ

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ২১ মার্চ ঃ** কোকৰাঝাৰ জিলাৰ চিথিলা ঘোপৰ গোংগেয়া নদীত আজি বন বিভাগে অভিযান চলাই গছৰ কুণ্ডা জব্দ কৰে। গাঁৱৰ কেইজনমান লোকে গোংগেয়া নদীত মাছ ধৰিবলৈ যাওঁতে গছৰ কুণ্ডাসমূহ প্ৰত্যক্ষ কৰে। গছৰ কুণ্ডাবোৰ পোকে ধৰি নষ্ট হোৱা পৰিলক্ষিত হয়। ৰাইজে গছৰ কুণ্ডাবোৰ নষ্ট হৈ যোৱাত খৰি বনাবৰ বাবে ঘৰলৈ লৈ যাবলৈ যো-জা কৰোতে বন বিভাগে উক্ত স্থানত উপস্থিত হৈ গছৰ কুণ্ডাসমূহ জব্দ



কৰি কচুগাঁও বন বিভাগৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰে। ইপিনে, বন বিভাগৰ বিষয়া চি এম ব্ৰহ্মক প্ৰশ্ন সোধাত তেওঁ কচুগাঁৱৰ ডিএফঅ'য়ে কাঠসমূহ লৈ যাবলৈ অনুমতি দিয়ে। তৎক্ষণাত কচুগাঁৱৰ ডিএফঅ'জনক ফোন কৰাত তেওঁ ঘটনা সন্দৰ্ভত অৱগত নহয় বুলি জানিবলৈ দিয়ে। বন বিভাগৰ বিষয়াই ধন নোপোৱাৰ বাবে উক্ত গছৰ কুণ্ডাসমূহ লৈ যায় বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে।

# সোণতলীত শিক্ষা বিভাগৰ সামূহিক উৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰা



**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ২১ মার্চ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত মৰা কলহী প্ৰাথমিক বিদ্যালয়ত আয়োজিত সামূহিক উৎসৱ ২০২১-২২ৰ আজি সামৰণি পৰে। চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশ মৰ্মে ছমৰীয়া শিক্ষাখণ্ডৰ অধীনস্থ বগুৰিগুৰি মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত মৰা কলহী প্ৰাথমিক বিদ্যালয়ত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় সামূহিক উৎসৱ। এই উপলক্ষে প্ৰথম দিনা পুৱা স্বচ্ছ ভাৰত অভিযানেৰে কাৰ্যসূচী মুকলি কৰাৰ পাছতে পতাকা উত্তোলন, বৃক্ষৰোপণ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন ধৰণৰ খেল-ধেমালি, তৰ্ক, কুইজ, কবিতা আবৃত্তি, ভেশচন, নাট, গীত-মাতি আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইফালে, আজি মুখ্য কাৰ্যসূচী হিচাপে দিনৰ ১২ বজাত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-কৃষ্টিৰ সমাহাৰেৰে বগুৰিগুৰি মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা উলিওৱা হয় এখন বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰাৰ দ্বাৰ মুকলি কৰে মৰা কলহী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আইন উদ্দিন আহমেদে। বিয়লি অনুষ্ঠিত মুকলি সভাত কালাতলী কাঠমী আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰইজ উদ্দিনে পৌৰোহিত্য কৰে। মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে ছমৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নিত্য প্ৰসাদ মহন্ত, ছমৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক দিনেশ নাথ, বগুৰিগুৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক নুৰ উদ্দিন আহমেদ, বগুৰিগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মোবাৰক হুছেইন, কালাতলী কাঠমী আঞ্চলিক হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিৰ্জানুল হক আদি।

# যুৱ-ছাত্ৰ পৰিষদৰ নেতাৰ বাসগৃহত দুৰ্বৃত্তৰ অগ্নিসংযোগ

**অগ্ৰদূত বাৰ্তা**

**মাহমৰা, ২১ মার্চ ঃ** মাহমৰা কাকতিবাৰী আৰক্ষী থানাৰ অন্তৰ্গত কাকতিবাৰী নিবাসী অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলাৰ প্ৰচাৰ সম্পাদক তথা যুৱ ব্যৱসায়ী চন্দন গগৈৰ বাসগৃহত আজি পুৱতি নিশা দুৰ্বৃত্তই অগ্নিসংযোগ কৰাত গগৈৰ বাসগৃহটোৰ লগতে ৩০ লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যোৱাৰ ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই সন্দৰ্ভত প্ৰাপ্ত তথ্য মতে, আজি পুৱতি নিশা প্ৰায় ৩-৫০ বজাত গগৈয়ে হঠাতে সাৰ পাই এক শব্দ শুনি গৈ ঘৰটোৰ লগতে সংলগ্ন এটা টকৌ পাতৰ ঘৰ দাউ দাউকৈ জ্বলি মূল ঘৰটোকো আৱৰি ধৰা দৃশ্য প্ৰত্যক্ষ কৰে। দৃশ্যটো দেখি

**৩০ লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত**

কিংকৰ্তব্যবিমূঢ় হৈ শুই থকা পত্নী আৰু সন্তানক শোৱাৰ পৰা তুলিবলৈ যোৱাৰ সময়তে সমগ্ৰ ঘৰটো জুয়ে আৱৰি ধৰে। অৱশ্যে পৰিয়ালটোৰ তিনিও কথমপি ৰক্ষা পৰে যদিও ঘৰৰ সকলো জুইত জাহ যায়। আনহাতে, ঘৰৰ গেছৰ চিলিণ্ডাৰটোও প্ৰচণ্ড শব্দৰে বিস্ফোৰিত হয়। অগ্নিকাণ্ডই গগৈৰ এছ-০৪ এ চি-৮৮৪৩ নম্বৰৰ বলেৰ' পিকআপ গাড়ীখনৰো বিস্তৰ ক্ষতিসাধন কৰে। অগ্নিকাণ্ডৰ ফলত নগদ ধন, আ-অলংকাৰ, ঘৰৰ সা-সামগ্ৰীকে ধৰি ৩০ লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যোৱাৰ কথা সদৰী কৰিছে গগৈয়ে।

## গোৱালপাৰাত সম্প্ৰীতিৰ নিদৰ্শন

# হিন্দুৰ মৃতদেহ সৎকাৰ কৰিলে ইছলাম ধৰ্মৰ যুৱকসকলে

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ মার্চ ঃ** যি সময়ত সমাজৰ এচাম লোকে সাম্প্ৰদায়িক বিভেদ সৃষ্টিৰ লক্ষ্যৰে অহৰহ চেষ্টা চলাই আহিছে ঠিক সেই সময়তে গোৱালপাৰা জিলাৰ মাৰকুলাত হিন্দুৰ মৃতদেহ মুছলমানে সৎকাৰ কৰি সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে বিপদ সূত্ৰধৰ নামৰ লোক এজনে বিগত ১৫ বছৰ ধৰি ধৰ্মীয় সখ্যালঘু অধ্যুষিত অঞ্চল মাৰকুলাত বসবাস কৰি আছিল। কিন্তু দিন মজুৰি কৰি পৰিয়াল পোহপাল দিয়া বিপদ সূত্ৰধৰে (৫২) ৰোগাক্ৰান্ত হৈ কালি পুৱা ১০ বজাত মৃত্যুবৰণ কৰে। গাঁওখনত কোনো হিন্দু পৰিয়াল নথকাৰ বাবে মাৰকুলা গাঁৱৰ মুছলমান যুৱকসকলে আগবাঢ়ি আহে আৰু সম্পূৰ্ণ সৎকাৰৰ খৰচ বহন কৰে। কেৱল খৰচ বহন কৰাই নহয় মুছলমান যুৱকসকলে মৃতদেহৰ চিতাৰ বাবে প্ৰয়োজনীয় খৰি কঢ়িয়াই নিয়াৰ লগতে পৰিয়ালৰ লোকৰ সহযোগত বিপদ সূত্ৰধৰৰ মৃতদেহ লৈ হিন্দু ৰীতি-নীতি অনুসৰি নিশাৰ ভাগত নলংগা শ্মশানত শেষকৃত্য সম্পন্ন কৰে।

## ৰাজনীতিলৈ নাযাওঁ মুছলপুৰত কণ্ঠশিল্পী চাওদাং



**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২১ মার্চ ঃ** 'কিছুদিন আগতে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ব্যক্তিগত কাৰণত লগ কৰিবলৈ গৈছিলো। মুখ্যমন্ত্ৰীক লগ কৰাটো একো অপৰাধ হ'ব নোৱাৰে। কিন্তু একাংশ সংবাদ মাধ্যমে তিলটোকে তাল কৰি মই বিজেপি হৈ গ'লো বুলি প্ৰচাৰ কৰিছিল আৰু সেয়া হ'ব নালাগিছিল। মোক কোনো নোসোধাকৈ বাতৰি পৰিৱেশন কৰিলে। বেয়া লাগে এনে কৰিলে।' এই মন্তব্য জনপ্ৰিয় শিল্পী বিপিন চাওদাঙৰ। বাগ্‌সাত এক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আহি তেওঁ সংবাদ মাধ্যমৰ বিৰুদ্ধে এইদৰে ক্ষোভ উজাৰে। তেওঁ পুনৰ কয়, 'মোৰ দেহত শেষ বিন্দু তেজ থকালৈকে ৰাজনীতিলৈ নাযাও। তেওঁলোকে মোক কৈছিল, বিপিন তুমি সাংস্কৃতিক কৰ্মী। সাংস্কৃতিক দিশ এৰি ৰাজনীতিলৈ নাহিবা। ময়ো চিন্তা কৰিলো।' আনহাতে, ৰাজ্যৰ একাংশ শিল্পীৰ ৰাজনৈতিক মেৰুকৰণত তেওঁ সন্তুষ্ট নহয়। উল্লেখ্য যে দেশ মুক্তিৰ গান গোৱা বাবে শিল্পীজনে এসময়ত তিনিমাহ কাৰাবাস খাটিব লগীয়া হৈছিল। সেনাৰ নিৰ্যাতনৰ বলিও হৈছিল। তথাপি দেশপ্ৰেমৰ গান, দেশ মুক্তিৰ গান গাবলৈ এৰি দিয়া নাছিল বুলি তেওঁ কয়। গানৰ জৰিয়তে তেওঁ সমাজ সংস্কাৰৰ লগতে শ্ৰোতাৰ হৃদয় জয় কৰিব বিচাৰে। আনহাতে, কৰ'নাকেন্দ্ৰিক পৰিস্থিতিৰ বাবে শিল্পীসকলে সন্মুখীন হোৱা সমস্যাৰ সন্দৰ্ভত তেওঁ কয়, 'কৰ'নাৰ কালছোৱাত ৰাজ্যখনৰ শিল্পীসকলৰ বহু অসুবিধা হৈছিল।' নিশা সাংস্কৃতিক অনুষ্ঠানত অংশ ল'বলৈ আহি মুছলপুৰৰ লোকশিল্পী থমনাৰ ভূপেন দাসৰ ঘৰত ক্ষন্তেক জিৰণি লৈ আজি শিল্পীজনৰ স'তে মত বিনিময় কৰে। শিল্পী দাসে বিপিন চাওদাঙক নিজে তৈয়াৰ কৰা এটা দোতাৰা আৰু এটা টোকাৰী উপহাৰ দিয়ে। কণ্ঠশিল্পীজনক নিজৰ ঘৰতেই পাই যথেষ্ট আপ্লুত হোৱা বুলি দাসে উল্লেখ কৰি কয়, 'আজি বিপিন চাওদাঙে মোৰ ঘৰলৈ অহাত মই যথেষ্ট অনুপ্ৰেৰণা পাইছো। এয়া শিল্পীৰ প্ৰতি শিল্পীৰ দৰদ।'

## বাঘমাৰাচৰত অগ্নিকাণ্ডত ২০ লক্ষাধিক টকাৰ সা-সম্পত্তি ভস্মীভূত



**আলোপতি, ২১ মার্চ ঃ** বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত বাঘমৰাচৰত আজি সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। তিনি নম্বৰ বাঘমাৰাচৰ গাঁৱৰ আক্কেছ আলীৰ ঘৰত দুপৰীয়া প্ৰায় এক বজাত সংঘটিত অগ্নিকাণ্ডত পৰিয়ালটোৰ পাঁচটা গৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, অগ্নিকাণ্ডত ২০ মোন ধান, ১৫ মোন ধনীয়া, আচবাব পত্ৰ, আ-অলংকাৰ, নগদ ধনো ভস্মীভূত হয়। অগ্নিকাণ্ডত পৰিয়ালটোৰ সমূহ নথিপত্ৰ জুইত জাহ যায়। পাঁচটা গৃহৰ পৰা এপদ সামগ্ৰীও উলিয়াব পৰা নাই পৰিয়ালটোৱে। পৰিয়ালৰ লোকে জনোৱা মতে, ৰান্ধনী শালত থকা গেছ চিলিণ্ডাৰ বিস্ফোৰণ ঘটি ভয়ংকৰ অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। স্থানীয় লোকে জুই নুমুৱাবলৈ চেষ্টা কৰে যদিও ইতিমধ্যে পৰিয়ালটোৰ আটাইকেইটা গৃহৰ লগতে সকলো সা-সম্পত্তি ভস্মীভূত হয়। অগ্নিকাণ্ডত প্ৰায় ২০ লক্ষাধিক টকাৰ সা-সম্পত্তি ভস্মীভূত হোৱাৰ কথা ব্যক্ত কৰিছে পৰিয়ালৰ লগতে স্থানীয় লোকে। স্থানীয় লোকৰ তৎপৰতাত ওচৰ-পাঁজৰৰ আন কে'বাটাও পৰিয়ালৰ বহু ঘৰ ৰক্ষা পৰে। ভয়ংকৰ অগ্নিকাণ্ডত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয় অঞ্চলটোত। দুৰ্ভগীয়া পৰিয়ালটোক সাহায্য প্ৰদান কৰিবলৈ জিলা প্ৰশাসনৰ লগতে বিধায়ক শ্বেৰমান আলী আহমেদ, পঞ্চায়ত প্ৰতিনিধিক দাবী জনাইছে অঞ্চলবাসীয়ে।

## কামপুৰ আঞ্চলিক কবি সন্মিলনৰ পূৰ্ণাংগ অধিবেশনৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**কামপুৰ, ২১ মার্চ ঃ** সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভুক্ত কামপুৰ আঞ্চলিক কবি সন্মিলনৰ পূৰ্ণাংগ অধিবেশন কালি দিনজোৰা কাৰ্যসূচীৰে কামপুৰ স্বৰাজ ভৱনত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা সন্মিলনৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰে কামপুৰ আঞ্চলিক কবি সন্মিলনৰ সভাপতি গুণ কাকতিয়ে আৰু স্মৃতি তৰ্পণ কৰে উপদেষ্টা প্ৰবীণ শৰ্মাই। কামপুৰ অঞ্চলৰ প্ৰয়াত কবিসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত গোস্বামীয়ে। ইয়াৰ পাছতে অনুষ্ঠিত হয় চিত্ৰাংকন আৰু প্ৰতিনিধি সভা। হাচিনা মমতাজ, কবিতা বৰা আৰু কৰবী শইকীয়া পৰ্যবেক্ষক ৰূপে উপস্থিত থকা প্ৰতিনিধি সভাত গুণ কাকতিক সভাপতি আৰু প্ৰদ্যুম্ন বৰাক সম্পাদক ৰূপে লৈ কামপুৰ কবি সন্মিলনৰ নতুন সমিতি গঠন কৰা হয়। ইয়াৰ পাছতে অনুষ্ঠিত কবিতা পাঠ অনুষ্ঠানত এশৰো অধিক কবিয়ে অংশগ্ৰহণ কৰে। বিয়লি গুণ কাকতিয়ে সভাপতিত্ব কৰা আৰু ৰাজু সমীৰণে আঁত ধৰা মুকলি সভাত উপস্থিত থাকে সদৌ অসম কবি সন্মিলনৰ সভাপতি প্ৰদীপ শইকীয়া, শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, নগাঁও কবি সন্মিলনৰ বিষয়ববীয়াসকলৰ লগতে ভালেসংখ্যক ব্যক্তি। ইয়াতে কাৰ্বি আংলং সাহিত্য সভাৰ সভাপতি সভাৰাম বৰাক কাব্য যোগী বঁটাৰে সন্মানিত কৰে।

## বঙাইগাঁৱত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভা



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২১ মার্চ ঃ** বঙাইগাঁও সদৰ চহৰৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সদৌ অসম কৰ্মচাৰী পৰিষদৰ বঙাইগাঁও আৰু উত্তৰ শালমাৰা জিলা সমিতিৰ উদ্যোগত কালি এখন সাধাৰণ সভা অনুষ্ঠিত হয়। চৰকাৰী কৰ্মচাৰীসকলৰ মূল সমস্যাসমূহৰ সমাধান বিচাৰি অনুষ্ঠিত উক্ত সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ দত্ত আৰু ভাৰপ্ৰাপ্ত সম্পাদক প্ৰধান শ্যামন্ত দাসকে ধৰি কে'বাজনো বিষয়ববীয়া উপস্থিত থাকে। পৰিষদৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি সত্যনাৰায়ণ ৰায়ৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত বিশেষকৈ মধ্য ইংৰাজী আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলে বৰ্তমানে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ আগত দাঙি ধৰি সেইবোৰৰ সমাধান বিচাৰে। বিভিন্ন বৰ্গত বিভক্ত শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ দাবীৰ লগতে মধ্য ইংৰাজী বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ দৰমহা তথা অন্য প্ৰাপ্য বানচৰ ক্ষেত্ৰত হোৱা বৈষম্যৰ বিৰোধিতাও সম্পৰ্কে সভাত আলোচনা কৰা হয়। আনহাতে, পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ দত্তই কয় যে তেওঁলোকে উত্থাপন কৰা চৰকাৰী কৰ্মচাৰীৰ মূল দাবীবোৰ চৰকাৰে পূৰণ কৰিব বুলি আশা প্ৰকাশ কৰে। সভাখনৰ আঁত ধৰে পৰিষদৰ বঙাইগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক পংকজ শৰ্মাই।

## নগাঁৱত পৰম্পৰাগত-লোকচিত্ৰ কলা শিবিৰৰ সামৰণি



**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ মার্চ ঃ** ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ অধীনত পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত, অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু জ্যোতি একাডেমীৰ সহযোগত নগাঁৱৰ 'আৰ্ট ভিলেজ'ত আয়োজিত সাতদিনীয়া পৰম্পৰাগত আৰু লোকচিত্ৰ কলাৰ শিবিৰৰ কালি সন্ধিয়া সামৰণি পৰে। অনুষ্ঠানত অসম আৰু ৰাজস্থানৰ লোক আৰু পৰম্পৰাগত চিত্ৰকলাৰ শিল্পীসকলে অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত উপস্থিত থাকে নগাঁৱৰ জ্যেষ্ঠ সমাজকৰ্মী মুকুট ভূঞা, জ্যোতি একাডেমীৰ সভাপতি দুলাল বৰা আৰু প্ৰচাৰ মাধ্যম সমন্বয়ক নৱ কুমাৰ ভৰালী আদি। তেওঁলোকৰ উপস্থিতিত শিল্পীসকলক মানপত্ৰও প্ৰদান কৰা হয়। ১৪ মাৰ্চৰ পৰা আৰম্ভ হোৱা কৰ্মশালাত ৰাজস্থানৰ ফড পেইন্টিং, মিনিয়েচাৰ পেইন্টিং, লোকচিত্ৰ কলা আৰু অসমৰ পুথিচিত্ৰ অংকন কৰা শিল্পীসকল ক্ৰমে মনোজ কুমাৰ যোশী, ওম প্ৰকাশ চন্দ্ৰায়ন, মৃদু মৌচম বৰা, সুবোধ কুমাৰ যোশী, সুজিত দাস আৰু দিগন্ত হাজৰিকাই অংশ লয়।

## হাওৰাঘাটত চিবিএছইৰ পাঠ্যক্ৰমৰ জনজাতীয় চৰকাৰী বিদ্যালয়ৰ শিলান্যাস

## কেন্দ্ৰৰ ২৭ কোটিৰে পূৰ্ণগতিত নিৰ্মাণ



**অগ্ৰদূত বাৰ্তা**

**হাওৰাঘাট, ২১ মার্চ ঃ** ২৭ কোটিটকীয়া এখন জনজাতীয় বিদ্যালয়ৰ কালি হাওৰাঘাটত আধাৰশিলা স্থাপন কৰা হয়। কাৰ্বি আংলং জিলাৰ ভিতৰতে প্ৰথমখন একলব্য মডেল আৱাসিক বিদ্যালয়ৰ শিলান্যাস কাৰ্যসূচীত উপস্থিত থাকে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং। হাওৰাঘাট শংকৰদেৱ বিদ্যা নিকেতন পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত এই শিলান্যাস কাৰ্যসূচীত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে ডিফু, হাওৰাঘাট আৰু বৈঠালাংছ' সমষ্টিৰ বিধায়ক বিদ্যাছিং ইংলেং, দৰছিং ৰংহাং আৰু ৰূপছিং টেৰনৰ লগতে স্বায়ত্তশাসিত পৰিষদৰ কে'বাজনো কাৰ্যবাহী সদস্য। শিলান্যাসৰ পাছত ছ'চাইটি সভাপতি লংকি ফাংচ'ৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। নিকেতন পৰিচালনা সমিতিৰ সম্পাদক কমল শইকীয়াই আঁত ধৰা সভাখনত আদৰণি ভাষণ আগবঢ়ায় ছ'চাইটিৰ সম্পাদক বিমল ধৰে। উক্ত সভাত মুখ্য অতিথিৰূপে অংশ লৈ তুলিৰাম ৰংহাঙে এনে ধৰণৰ বিদ্যালয়ৰ যথেষ্ট প্ৰয়োজন আছে বুলি কয়। ইয়াৰ যোগেদি শিশুৰ নৈতিক-আধ্যাত্মিক দিশটো যথেষ্ট টনকিয়াল হ'ব। তেওঁ পুনৰ কয় যে জিলাখনত আৰু চাৰিখন একলব্য মডেল আৱাসিক বিদ্যালয় খোলাৰ যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। শীঘ্ৰেই তাৰ কামো আৰম্ভ হ'ব।

## যোৰহাটৰ মিলন নগৰত দিন-দুপৰতে লুটি নিলে লক্ষাধিক সা-সম্পত্তি

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২১ মার্চ ঃ** নগৰৰ মাজমজিয়াৰ মিলন নগৰৰ কে'বা ঘৰতো আজি দিন-দুপৰতে সংঘটিত হয় চুৰিকাণ্ড। মিলন নগৰৰ পুৰণা জীৱ বৰা নাৰ্ছিংহোমৰ সমীপত ভাড়া কৰি থকা উজনি অসম প্ৰতিবন্ধী সুৰক্ষা পৰিষদৰ মুখ্য উপদেষ্টা বুবুল বৰা আৰু তেওঁৰ চুবুৰীয়া মিনা তালুকদাৰকে ধৰি ওচৰৰ চাৰি ঘৰত এটা দুৰ্বৃত্তৰ দলে লুটপাত চলায়। দৃষ্টিহীন বুবুল বৰাৰ পত্নী নগৰলৈ যোৱাৰ সুযোগ লৈ চোৰে তেওঁৰ ঘৰৰ দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰে আৰু প্ৰায় তিনি লাখ টকা মূল্যৰ সোণৰ গহনা চুৰি কৰি নিয়ে। সেইদৰে ওচৰৰ কেইঘৰতো মানুহ নথকাৰ সুযোগ লৈ চোৰে লুটপাত চলায়। ইতিমধ্যে এই বিষয়ে আৰক্ষীক অৱগত কৰা হৈছে যদিও চোৰৰ কোনো সন্ধান পোৱা নাই।

## তেজপুৰত আৰক্ষীৰ জালত চোৰ আৰু জুৱাৰী

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ২১ মার্চ ঃ** তেজপুৰৰ বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত দিকৰাইজানৰ পৰা আৰক্ষীয়ে আশিকুল খান (২৪) নামৰ এজন যুৱকক কালি গ্ৰেপ্তাৰ কৰে। ধৃত যুৱকজনৰ ছটা চুৰি ম'বাইল হেণ্ডছেটকে ধৰি বিভিন্ন সামগ্ৰী আৰক্ষীয়ে উদ্ধাৰ কৰে। আনহাতে, শোণিতপুৰ আৰক্ষী কালি ভোমোৰাগুৰিত চলোৱা আন এক অভিযানত পাঁচ জুৱাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত জুৱাৰীকেইজন হ'ল ভোমোৰাগুৰিৰ চাদিকুল ইছলাম (৩২), আব্দুল বাছাৰ (৩৮), ৰিয়াজুল হক (৩০), হাবিবুৰ ৰহমান (৩৭) আৰু ইমতাজুল হক (২৮)। তেওঁলোকৰ পৰা আৰক্ষীয়ে নগদ ধন আৰু তাচপাত উদ্ধাৰ কৰে।

# আজি বাংলাদেশৰ বিৰুদ্ধে ভাৰতৰ মৰণপণ মেচ

### অল ইংলণ্ড বেডমিণ্টনৰ খিতাপ জয় ভিক্টৰৰ

## ফাইনেলত পৰাস্ত ভাৰতৰ লক্ষ্য




**লণ্ডন, ২১ মাৰ্চ ঃ** বিশ্ব বেডমিণ্টনৰ সন্মানীয় প্ৰতিযোগিতা অল ইংলণ্ডৰ খিতাপ জয়ৰ সপোন পূৰ্ণ নহ'ল ভাৰতৰ নৱতম চাঞ্চল্য লক্ষ্য সেনৰ। উল্লেখ্য যে যোৱানিশা অনুষ্ঠিতহোৱা অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত ভিক্টৰ এক্সেলছেনৰ হাতত পৰাস্ত হৈ ৰানাৰ্ছআপতে অভিযান সামৰিলে লক্ষ্যই। মেচৰ প্ৰথম দুটা ছেট ২১-১০, ২১-১৫ ৰ ব্যৱধানত দখল কৰি চেম্পিয়ন ট্ৰফী লাভ কৰে ভিক্টৰে। অৱশ্যে অল ইংলণ্ডৰ ফাইনেলত প্ৰৱেশ কৰি অনন্য সফলতা লাভ কৰিবলৈ সক্ষম হয় লক্ষ্যই। ইয়াৰপূৰ্বে পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত লক্ষ্যই তিনিটা ছেটৰ অন্তত ২১-১৩, ১২-২১, ২১-১৯ ৰ ব্যৱধানত পৰাস্ত কৰিছিল মালয়েছিয়াৰ চেম্পিয়ন লী জি ঝাক। উল্লেখ্য যে বিশ্বকাপ বেডমিণ্টনত ব্ৰঞ্জ লাভ কৰাৰ লক্ষ্যই প্ৰথমবাৰৰ বাবে অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি গৌৰৱময় সফলতা লাভ কৰিছে। প্ৰকাশ পাডুকন আৰু পুলেলা গোপীচান্দৰ পাছত দেশৰ তৃতীয় পুৰুষ শ্বাটলাৰৰূপে অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত খেলে লক্ষ্যই। উল্লেখ্য যে প্ৰকাশ পাডুকন আৰু পুলেলা গোপীচান্দে অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ খিতাপ লাভ কৰাৰ বিপৰীতে অন্তিমবাৰলৈ ফাইনেল খেলিছিল ২০১৫ ত ভাৰতৰ ছাইনা নেহৱালে। এইবাৰ ভাৰতৰ নৱাগত শ্বাটলাৰ লক্ষ্য সেনে অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি ভাৰতীয় বেডমিণ্টনৰ গৌৰৱময় যাত্ৰা অব্যাহত ৰাখে। ইফালে, ভাৰতৰ গায়ত্ৰী গোপীচান্দ আৰু তৃষা জলীয়েও অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জ পদকতে সন্তুষ্ট থাকে। অৱশ্যে এয়াও এক অনন্য গৌৰৱময় সাফল্য। অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাত মহিলাৰ ডাবলছত ব্ৰঞ্জ লাভ কৰি প্ৰথম ভাৰতীয় হৈছে গায়ত্ৰী গোপীচান্দ আৰু তৃষা জলী। ছেমিফাইনেলত ভাৰতৰ দুই তৰুনী পৰাস্ত হয় ১৭-২১, ১৬-২১ ৰ ব্যৱধানত।

## আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট

**অকলেণ্ড, ২১ মাৰ্চ ঃ** চলিত আই চি চি মহিলা বিশ্বকাপত কাইলৈ ভাৰতীয় মহিলা ক্ৰিকেট দলে বাংলাদেশৰ বিৰুদ্ধে মৰণপণ মেচত অংশ ল'ব। ছেমিফাইনেলত প্ৰৱেশৰ আশা সজীৱ ৰখাৰ বাবে কাইলৈৰ মেচত ভাৰতক নিশ্চিত জয়ৰ প্ৰয়োজন। উল্লেখ্য যে ভাৰতে ইতিমধ্যে খেলা পাঁচখন মেচৰ দুখনত জয়ী হোৱাৰ বিপৰীতে তিনিখনত পৰাজয়ৰ সন্মুখীন হৈছে। বাকী থকা দুয়োখন মেচ ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বাবে মৰণপণ। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে কাইলৈ বাংলাদেশ আৰু ২৭ মাৰ্চত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব। চলিত আই চি চি মহিলা বিশ্বকাপৰ নিজৰ পঞ্চম মেচত ভাৰতক ছয় উইকেটত হৰুৱাই অষ্ট্ৰেলিয়াই ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে সাত উইকেটত ২৭৭ ৰাণ কৰাৰ পাছত অষ্ট্ৰেলিয়াই অনুসৰণৰ নতুন অভিলেখ গঢ়ি তিনিটা বল বাকী থাকোতেই চাৰি উইকেটত ২৮০ ৰাণ কৰি ৰোমাঞ্চকৰ বিজয় অৰ্জন কৰে। এই পৰাজয়ৰ পাছতে ছেমিফাইনেল খেলাৰ আশা কঠিন হৈ পৰে ভাৰতৰ বাবে। নিউজিলেণ্ডত চলি থকা আই চি চি মহিলা বিশ্বকাপত পাকিস্তানক পৰাস্ত কৰি প্ৰত্যাসিত আৰম্ভণি কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে দ্বিতীয়খন মেচত কিন্তু শক্তিশালী নিউজিলেণ্ডৰ বিৰুদ্ধে ৬২ ৰাণত পৰাস্ত হয়। কিন্তু সফল প্ৰত্যাৱৰ্তন কৰি তৃতীয়খন মেচত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে জয়ী হৈ স্থিতি দৃঢ় কৰে। ইফালে, বেটিং ব্যৰ্থতাৰ বাবে ভাৰতে নিজৰ চতুৰ্থখন মেচত চাৰি উইকেটত পৰাস্ত হয় ইংলণ্ডৰ বিৰুদ্ধে।





## ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় উশ্বু চেম্পিয়নশ্বিপলৈ দল ৰাওনা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি ,২১ মাৰ্চ ঃ** অহা ২৫-৩১ মাৰ্চলৈ অনুস্থিত হ'ব লগীয়া ৰাষ্ট্ৰীয় চাব জুনিয়ৰ উশ্বু চেম্পিয়নশ্বিপলৈ বিশ্বনাথৰ খেলুৱৈসকল ৰাওনা হৈছে। উল্লেখ্য যে তামিলনাডুৰ কন্যাকুমাৰীত অনুস্থিত হ'বলগীয়া উশ্বু চেম্পিয়নশ্বিপত অসম দলৰহৈ বিশ্বনাথৰ ৯ জনকৈ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব ।ইতিমধ্যে বিশ্বনাথৰ দলটি বিশ্বনাথ ৰেলষ্টেচনৰ পৰা তামিলনাডুলৈ ৰেল যোগে ৰাওনা হৈছে ।প্ৰতিযোগিতাত অসমৰ হৈ ৩৬ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰিব । বিশ্বনাথৰ খেলুৱৈসকল হ'ল শুভ্ৰজিৎ দাস , কমল টিমচিনা , মিংবি বৰফুকন , বৈস্নবী হাজৰিকা , শ্ৰেয়াছ পখঞ্জলে , নিংচি বৰফুকন , কিৰন চেত্ৰী , দিব্যা আচাৰ্য আৰু মনিষ চেত্ৰী ।দলটোৰ প্ৰশিক্ষক হিচাপে মনজয় চেত্ৰী আৰু আকাশ প্ৰধান।

## দ্বিতীয় এদিনীয়াত দক্ষিণ আফ্ৰিকাৰ সহজ জয়লাভ

**জোহান্সবাৰ্গ, ২১ মাৰ্চ ঃ** দক্ষিণ আফ্ৰিকাই দ্বিতীয়খন এদিনীয়া মেচত বাংলাদেশক সাত উইকেটত পৰাস্ত কৰি চলিত তিনিখনীয়া শৃংখলাত ১-১ ত সমতা স্থাপন কৰিছে। উল্লেখ্য যে যোৱানিশা জোহান্সবাৰ্গত অনুষ্ঠিত হোৱা দ্বিতীয়খন এদিনীয়া মেচত পোনতে বেটিং কৰা বাংলাদেশে ন উইকেটত ১৯৪ ৰাণ কৰে। দলৰ হৈ আফিফ হুছেইনে ৭২ ৰাণ কৰাৰ বিপৰীতে দক্ষিণ আফ্ৰিকাৰ হৈ ৰাবাডাই পাঁচটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত, দক্ষিণ আফ্ৰিকাই তিনি উইকেটত ১৯৫ ৰাণ কৰি হেলাৰঙে জয় অৰ্জন কৰে। ডিক'কে কৰে ৬২ আৰু ভেৰেনিয়ে ৫৮ ৰাণ কৰে। উল্লেখ্য যে তিনিখনীয়া শৃংখলাৰ প্ৰথমখন মেচত বাংলাদেশে জয়লাভ কৰিছিল। এতিয়া শৃংখলাৰ তৃতীয়খন মেচ গুৰুত্বপূৰ্ণ হ'ব।

### জগত চন্দ্ৰ দাস টি-২০ ক্ৰিকেট

## ফেয়াৰীলেণ্ড ক্ৰিকেট একাডেমী, বাড ক্ৰিকেট ক্লাবৰ জয়

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২১ মাৰ্চ ঃ** মঙলদৈ ষ্টেডিয়ামত পূৰ্ণ গতিত চলি থকা চতুৰ্থ বাৰ্ষিক জগত চন্দ্ৰ দাস সোঁৱৰণী টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ফেয়াৰীলেণ্ড ক্ৰিকেট একাডেমি আৰু বাড ক্ৰিকেট ক্লাবে জয়লাভ কৰিছে। আজিৰ প্ৰথমখন মেচত ফেয়াৰীলেণ্ড ক্ৰিকেট একাডেমিয়ে জ্ঞানজ্যোতি মিলন সংঘক ছয় উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি জ্ঞানজ্যোতি মিলন সংঘই ২০ অভাৰত ৯ উইকেটত ১১৫ ৰান কৰাৰ বিপৰীতে ফেয়াৰীলেণ্ডে ১৯.১ অভাৰত ৪ উইকেটত বিজয়ৰ লক্ষ্য অতিক্ৰম কৰে। ইপিনে আজিৰ দ্বিতীয় মেচত তেজপুৰ ক্ৰিকেট ক্লাব বাড ক্ৰিকেট ক্লাবৰ হাতত শোচনীয়ভাৱে পৰাজিত হয়। বাড ক্ৰিকেট ক্লাবৰ অভিলাস গগৈৰ বিধংসী বলিঙত মাত্ৰ ৪১ ৰানতেই ইনিংছ সামৰে। অভিলাসে ৩.৪ অভাৰত ১১ ৰান দি চাৰিটা উইকেট দখল কৰে। প্ৰত্তুত্যৰত বাডে এটিও উইকেট খৰছ নকৰি নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।



## কৰৰা মিনি ষ্টেডিয়ামত বৰদলৈ ট্ৰফী ফুটবলৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ২১ মাৰ্চ ঃ** কামৰূপ জিলাৰ কৰৰাত পুনৰ প্ৰাণ পায় উঠিব বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা ।পূৰ্বে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামতে সীমাবদ্ধ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ খেল এতিয়াৰ পৰা গ্ৰাম্যাঞ্চলৰ খেলপথাৰত উপভোগ কৰিব পাৰিব ক্ৰীড়া প্ৰেমী দৰ্শকে ।বাইহাটা চাৰিআলিৰ ক্ৰীড়া প্ৰেমী দৰ্শকৰ বাবেও সু খবৰ যে ৬৮ সংখ্যক বৰদলৈ ট্ৰফীৰ ছয় খনকৈ খেল অনুষ্ঠিত হব কৰৰা মিনি ষ্টেডিয়ামত ।চাৰিটা দলৰ মাজত অনুষ্ঠিত হ'ব এই ছখন খেল ।কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ প্ৰচেষ্টাত আৰু কৰৰা ইয়ুথ এথলেটিক ক্লাবৰ সহযোগিতাত গুৱাহটী ক্ৰীড়া সন্থাই অনুষ্ঠিত কৰিব এই খেল সমূহ। অহা ২৪ মাৰ্চৰ পৰা অনুষ্ঠিত হবলগীয়া খেল সমুহৰ বাবে বিধায়ক দিগন্ত কলিতাই নিজে তদাৰক কৰিছে খেল পথাৰ ।কৰৰা মিনি ষ্টেডিয়ামত অনুষ্ঠিত হব লগীয়া খেল সমুহত দিল্লী এফ চি, অসম ৰাইফলচ , অসম পুলিচ ব্লুজ আৰু ডয়মালু ক্লাবে অংশগ্ৰহণ কৰিব বুলি কৰৰা ইয়ুথ এথলেটিক ক্লাৱৰ সম্পাদক ত্ৰৈলোক্য ডেকাই জানিব দিয়ে ।

## ৱেষ্টইণ্ডিজ-ইংলণ্ডৰ দ্বিতীয় টেষ্ট মেচো ড্ৰ ৰূপে সমাপ্ত



**ব্ৰীজটাউন, ২১ মাৰ্চ ঃ** ৱেষ্ট ইণ্ডিজ আৰু ইংলণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচো ড্ৰ ৰূপে সমাপ্ত হৈছে। উল্লেখ্য যে ইংলণ্ডে অন্তিমদিনা জয়ৰ বাবে ৱেষ্টইণ্ডিজৰ সন্মুখত ২৮২ ৰাণৰ বিজয়লক্ষ্য ৰাখিছিল যদিও ঘৰুৱা দলটোৱে পাঁচ উইকেটত ১৩৫ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সামৰণি পৰে। ইয়াৰপূৰ্বে টেষ্টখনত ইংলণ্ডৰ প্ৰথম ইনিংছৰ ৫০৭ ৰাণৰ প্ৰত্যুত্তৰত চতুৰ্থদিনা ৱেষ্ট ইণ্ডিজে ৪১১ ৰাণ কৰি প্ৰথম ইনিংছ সামৰে। ৱেষ্ট ইণ্ডিজৰ হৈ ব্লেকউদে ১০২ ৰাণ কৰাৰ লগতে ব্ৰেথৱেইটে ১৬০ ৰাণ কৰি দলৰ ফল'অন ৰক্ষা কৰে। ব্ৰেথৱেইট মেচৰ শ্ৰেষ্ঠ হয়। ইফালে, প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰা ইংলণ্ডে দ্বিতীয় ইনিংছ আৰম্ভ কৰি ছয় উইকেটত ১৮৫ ৰাণ কৰি ইনিংছ ঘোষণা কৰে আৰু ৱেষ্টইণ্ডিজৰ সন্মুখত ২৮২ ৰাণৰ বিজয়লক্ষ্য দিয়ে। উল্লেখ্য যে টেষ্টখনত পোনতে বেটিং কৰা ইংলণ্ডে জ' ৰুট (১৫৩ৰ আৰু বেন ষ্টকছৰ (১২০ৰ শতক তথা লৰেন্সৰ ৯১ ৰাণৰ সহায়ত ন উইকেটত ৫০৭ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰিছিল। ইয়াৰপূৰ্বে শৃংখলাৰ প্ৰথমখন টেষ্টো ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্যে যে ইংলণ্ডে বিজয়ৰ বাবে ৱেষ্ট ইণ্ডিজৰ সন্মুখত ২৮৬ ৰাণ লক্ষ্য দিয়াৰ পাছত ঘৰুৱা দলটোৱে দ্বিতীয় ইনিংছত সেয়া অনুসৰণ কৰি চাৰি উইকেটত ১৪৭ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সমাপ্ত হয়। স্মৰ্তব্য যে টেষ্টখনত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল যদিও দ্বিতীয় ইনিংছত সফল প্ৰত্যাৱৰ্তন কৰি ইংলণ্ডে নিজৰ পৰাজয় ৰোধ কৰিবলৈ সক্ষম হয়। ক্ৰমাগত দুখন টেষ্ট ড্ৰ হোৱাৰ পাছত উভয় দলে প্ৰত্যাসিত পইণ্ট লাভ কৰিবলৈ সক্ষম নহ'ল।



জৰ্ডানত অনুষ্ঠিত হোৱা জুনিয়ৰ বক্সিঙত ভাৰতীয় দলক অভিলেখ সংখ্যক পদক দিয়া প্ৰশিক্ষক গীতা চানুক আজি গুৱাহাটীৰ ছাই কেন্দ্ৰত সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত উপস্থিত থাকে ভাৰতীয় বক্সিঙৰ কোষাধ্যক্ষ হেমন্ত কলিতা, অসম অলিম্পিকৰ সম্পাদক লক্ষ্য কোঁৱৰৰ লগতে ভৱজ্যোতি গোস্বামী, বিষ্ণুৰাম নুনিছা আৰু ছাইৰ সঞ্চালক সতীশ কে ছাৰ্হাদি।

## ডাঃ চন্দ্ৰ তালুকদাৰ ফুটবলত চামতা বিজয়ী

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২১ মাৰ্চ ঃ** নলবাৰীৰ ঐতিহ্যমণ্ডিত গৰ্ডণ স্কুল খেলপথাৰত ডাঃ চন্দ্ৰকান্ত তালুকদাৰ সোঁৱৰণী তৃতীয় বাৰ্ষিক প্ৰাইজমানি নক আউত ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে চামতা ফুটবল ক্লাৱ। ফাইনেল খেলখন আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰে বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক তথা মঙ্গলদৈ সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। ফাইনেল খেলখনত নলবাৰী ৰাইজিং ফুটবল ক্লাব আৰু চামতা ফুটবল ক্লাৱৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হয় যদিও শেষত চামতা ফুটবল ক্লাৱে ৪-১ গ'লৰ ব্যৱধানত জয়লাভ কৰে।

## সদৌ অসম মুকলি গল্‌ফত ভাকু আৰ কুমাৰৰ সফলতা

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২১ মাৰ্চ ঃ** ১৯১৬ ত স্থাপিত হোৱা ঠাকুৰবাৰী ইউৰোপিয়ান ক্লাবে শতবৰ্ষ গৰকি তথা ইতিহাস সমৃদ্ধি কৰি আজিও গৌৰৱেৰে জাকত জিলিকা হৈ আছে। ক্লাবৰ এই দীঘলীয়া পৰিক্ৰমাত প্ৰথম অৱস্থাত বৃটিছ সকলে আৰু পৰৱৰ্তী সময়ত ভাৰতৰ চাহ বাগিচাৰ চাহাব সকলে অভিজাত্য খেল স্বৰূপে চিনাকি গলফ খেলি এই ঠাকুৰবাৰী গলফ কৰ্ছ শুৱনি কৰিছিল। সকলোৰে পক্ষে এই খেল খেলা সম্ভৱ নহয় যদিও নতুন আশা লৈ আনিছে ৰঙাপৰা ঠাকুৰবাৰীৰ গলফ কৰ্ছৰ সমীপৰ নিৱাসী কংক কুমাৰ আৰু গইনডি কুমাৰৰ পুত্ৰ ভাকু আৰ কুমাৰ নামৰ যুৱকজনে। সৰুৰে পৰা ঘৰৰ সন্মুখৰ এই বৃহৎ গলফ কৰ্ছত গলফ খেলাৰ দুৰ্বাৰ হেপাঁহ তেওঁ মনত পুহি ৰাখিছিল। পিছে এই খেল খেলিবলৈ বেগ, ষ্টিক আদি যাবতীয় ক্ৰীড়া সামগ্ৰী যোগাৰৰ বাবে কুমাৰৰ বাবে হৈছিল বৰ কষ্টকৰ। কিন্তু তেওঁৰ খেলৰ প্ৰতি থকা ধাউতি একাগ্ৰতা দেখা পাই আজিৰ পৰা কেইবা বছৰৰ পুৰ্ব্বে ৰূপাজুলি চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক চন্দন জ্যোতি শইকীয়াই উৎসাহ আৰু সহায়ৰ হাত আগবঢ়াইছিল। তাৰ পিছৰে পৰা ভাকু আৰ কুমাৰে এই খন গলফ কৰ্ছত বাগিচাৰ পৰিচালক, ভাৰতীয় সেনাৰ বিষয়া সকলৰ স'তে এগৰাকী দক্ষ গলফ খেলুৱৈ হিচাপে খেলি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ২০১৯ বৰ্ষত যোৰহাটৰ কে ডি গলফ প্ৰতিযোগিতাত উন্নত খেল প্ৰদৰ্শন কৰি বটাঁ আৰু প্ৰমান পত্ৰ লাভ কৰে। অলপতে তেওঁ ডিগবৈত অনুষ্ঠিত হোৱা সদৌ অসম মুকলি গলফ প্ৰতিযোগিতাত শ্ৰেষ্ঠ চি এফ আৰ ইউ পি বটাঁ লাভ কৰে। এই ক্ষেত্ৰত তেওঁক ঠাকুৰবাৰী গলফ কৰ্ছৰ সঞ্চালক এ এছ গিল, কেপ্তেইন সঞ্জয় গুৰতু, সদস্য পি পি বৰবৰাই বিশেষ ভাবে সহায় কৰে। জেষ্ঠ ভাতৃ এতুৱা কুমাৰৰ দোকানত সহায়ৰ হাত আগবঢ়াই অহা ভাকু আৰ কুমাৰে নিজৰ ককায়েকৰ পৰাও যথেষ্ট উৎসাহ উদ্দীপনা পোৱা বুলি কয়। নিতৌ ছয় ঘন্টাকে অনুশীলন কৰি আছে আৰু ভৱিষ্যতে নিজকে ভাৰতৰ মুকলি গলফ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ অধিক অনুশীলনৰে খেলি গৈছে। তেওঁ কঢ়িয়াই অনা সফলতা দেখা পাই অঞ্চলটোৰ প্ৰায় ১০ গৰাকী যুৱকে এই ক্ৰীড়াত নিজকে মনোনিবেশ কৰিছে। অলপতে, সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ঠাকুৰবাৰী গোটৰ বিষয়ববীয়া অশোক কুমাৰ, গৌতম,আদি বিষয়ববীয়া সকলৰ উপস্থিতিতে ভাকু আৰ কুমাৰক অভিনন্দন জনায়।



## প্ৰৱাহ গোষ্ঠীৰ দ্বাৰা ক্ৰিকেট খেলুৱৈক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা,

**বেবেজীয়া, ২১ মাৰ্চ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ সদ্যসমাপ্ত এ.এন.কিডক্সৱাই ট্ৰফী আন্তঃক্লাব ক্ৰিকেটত চেম্পিয়নশ্বিপ অৰ্জন কৰা প্ৰৱাহ গোষ্ঠীৰ দলটোৰ খেলুৱৈসকলক আৰু সংগঠক কেইগৰাকীক নগাঁও চহৰৰ নতুন বজাৰস্থিত গোষ্ঠীটোৰ কাৰ্যালয়ৰ সভাকক্ষত গোষ্ঠীটোৰ তৰফৰ পৰা এক অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয় ।এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথিৰূপে বিশিষ্ট সমাজকৰ্মী তথা গোষ্ঠীটোৰ উপদেষ্টা দেবেন্দ্ৰ সিং চেহমীৰ লগতে প্ৰতিষ্ঠাপক সভাপতি প্ৰশান্ত কুমাৰ বৰা, সম্পাদক প্ৰদীপ কুমাৰ হাজৰিকা,বিষয়ববীয়া ডাঃ ৰঞ্জন কুমাৰ গোস্বামী, প্ৰদীপ দেৱনাথ,কনক বেজবৰুৱা,কমলেশ বৰা,মাধৱ চন্দ্ৰ দাস,ৰজত চন্দ্ৰ দাস, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা ,আম্পায়াৰ ছাব্বিৰ আহমেদ আৰু জেহিৰুল ইছলাম আদিয়ে ভাগলৈ খেলুৱৈসকলৰ সৈতে মত-বিনিময়ো কৰে। উল্লেখ্য যে,নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃতিপ্ৰাপ্ত প্ৰৱাহ গোষ্ঠী ১৯৮৫ চনতে প্ৰতিষ্ঠা হৈছিল।

## অসম দলত ডিমৌৰ ছয় খেলুৱৈ

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ২১ মাৰ্চ ঃ** অহা ২৫ মাৰ্চৰ পৰা তামিলনাডুৰ নুৰুল ইছলাম ইউনিভাৰ্চিটিৰ ঠুকলে কুমাৰকইলত অনুষ্ঠিত হবলগীয়া ৰাষ্ট্ৰীয় চাব জুনিয়ৰ উশ্বু প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ অসম দলত স্থান লাভ কৰিছে শিৱসাগৰ জিলাৰ ডিমৌৰ উশ্বু ক্লাবৰ ছয় খেলুৱৈয়ে। ডিমৌৰ পৰা গুৱাহাটীলৈ ৰাওনা হৈ ২১ মাৰ্চত গুৱাহাটীৰ পৰা তামিলনাডু অভিমুখে ট্ৰেইনযোগে অসম দলটো ৰাওনা হব। অসম দলত স্থান লাভ কৰা খেলুৱৈ সকলক উৎসাহিত কৰিবৰ বাবে ডিমৌ ৰাইচাই গ্ৰাম্য ক্ৰীড়াঙ্গনত এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰে শিৱসাগৰ জিলা উশ্বু সন্থাই। শিৱসাগৰ জিলা উশ্বু সন্থাৰ সাধাৰণ সম্পাদক প্লাৱণ বৰা আঁত ধৰা এই অনুষ্ঠানত নিৰ্বাচিত কনচেং বৰগোহাঁই, ৰিতুৰাজ গগৈ, তুলিকা চেতিয়া, ছয়নিকা দেউৰী, অভিজিৎ বুঢ়াগোহাঁই আৰু মুন্না মিলিক ফুলাম গামোচা আৰু আৰ্থিক সাহায্য প্ৰদান কৰি উৎসাহিত কৰে। আজি এই অনুষ্ঠানত ডিমৌ উশ্বু ক্লাৱৰ সভাপতি নৃপেন চেতিয়া, জিলা উশ্বু সন্থাৰ উপদেষ্টা সোনেশ্বৰ দেউৰী, জিলা বিষয়ববীয়া দীপা গগৈ আৰু ডিমৌ উশ্বু সন্থাৰ প্ৰশিক্ষক মৃদুল বৰা উপস্থিত থাকে।


## তৃতীয় টেষ্টত পাকিস্তানৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ সংগ্ৰহ ২৩২-৫

**লাহোৰ, ২১ মাৰ্চ ঃ** আজিৰে পৰা লাহোৰত আৰম্ভ হৈছে অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ চলিত তিনিখনীয়া টেষ্ট শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচ। আজি প্ৰথমদিনা টছত জয়ী হৈ বেটিং কৰা অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত পাঁচ উইকেটত ২৩২ ৰাণ কৰিছে। কেংগাৰু বাহিনীৰ হৈ উস্মান খাৱাজাই ৯১ আৰু ষ্টিফেন ষ্টিথে ৫৯ ৰাণ কৰে। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন টেষ্ট নিৰস ড্ৰ হোৱাৰ পাছত এতিয়া উভয় দলৰ লক্ষ্য তৃতীয় টেষ্ট জয়ৰে শৃংখলা হস্তগত কৰা। কিন্তু লাহোৰৰ উইকেটে জয়ৰ সম্ভাৱনা দিব নে নাই সেয়াহে গুৰুত্বপূৰ্ণ। উল্লেখ্য যে পাকিস্তানৰ উইকেটক লৈ ইতিমধ্যে অসন্তুষ্ট হৈছে আই চি চি। বেটাৰৰ ৰম্যভূমি হোৱা উইকেট বলাৰৰ বাবে




বধ্যভূমি হৈ পৰিছে। উল্লেখ্য যে ৰাৱালপিণ্ডিৰ প্ৰথম টেষ্টত পোনতে বেটিং কৰা পাকিস্তানে প্ৰথম ইনিংছত চাৰি উইকেটত ৪৭৬ ৰাণ কৰাৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ সামৰে ৪৫৯ ৰাণত। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি পাকিস্তানে কোনো উইকেট নেহেৰুৱাকৈ ২৫২ ৰাণ কৰাত মেচখন ড্ৰ ঘোষণা কৰা হয়। পাঁচ দিনত পতন হয় মাত্ৰ ১৪ টা উইকেটৰ। আনহাতে, কৰাচিৰ দ্বিতীয়খন টেষ্ট মেচো ড্ৰৰূপে সমাপ্ত হয়। অষ্ট্ৰেলিয়াই পাকিস্তানৰ সন্মুখত জয়ৰ বাবে ৫০৬ ৰাণ লক্ষ্য দিছিল। প্ৰত্যুত্তৰত এই লক্ষ্য অনুসৰণ কৰি পাকিস্তানে অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেটত ৪৪৩ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰৰূপে সমাপ্ত হয়। অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ চলিত টেষ্ট শৃংখলাত পাকিস্তানে যি উইকেট প্ৰস্তুত কৰিছে সেয়া টেষ্ট মেচৰ বাবে মুঠেও অনুকুল নহয় বুলি বিশেষজ্ঞই মতপোষন কৰিছে।

## বিলাসনন্দন চ'ৰা




# স্মাৰ্ট চিটিজেন গুৱাহাটীয়া

**খবৰটো** বাৰু কোনোবাই পায়নে? নাপায় যদি ভালকৈ শুনি লওক— আমাৰ অতিকে আদৰৰ গুৱাহাটী মহানগৰী স্মাৰ্ট চিটী হৈ গ'ল। খবৰটো পাই বহুতে চেলাউৰি কোঁচাই সুধিব পাৰে— কেনেকৈ হ'বহে? এশখন স্মাৰ্ট চিটী বনোৱাৰ কথা আছিল। কথাতো বহুতেই থাকে। তাৰে কেইটানো লালিত-পালিত হয়। এশখন স্মাৰ্ট চিটী বনোৱাৰ কাম আৰম্ভই কৰা নাই। তেন্তে গুৱাহাটীখন হঠাতে কেনেকৈ স্মাৰ্ট চিটী হ'বনো? অৱশ্যে এয়া এতিয়াও জনা নাযায় যে স্মাৰ্ট চিটীত কি কি থাকিব! বুলেট ৰেল চলিব নেকি বাৰু? জাপানে বুলেট ৰেল চলাবলৈ টকা দিব বুলি শুনিছো। প্ৰথমে বোলে জাপানে বুলেট ৰেল কিয় লাগে বুলি বাদশ্বাহক সুধিছিল। আচলতে কথাটো হ'ল কি, জাপানীজ মিনিষ্টাৰ আহোতে বাদশ্বাহে তেওঁলোকক এটা মন্দিৰলৈ নি দুঘণ্টীয়া আৰতিৰ প্ৰ'গ্ৰেম এটা দেখুৱাইছিল। প্ৰ'গ্ৰেমটো চাই উঠি জাপানীজ মিনিষ্টাৰে হেনো বাদশ্বাহক কৈছিল—আপোনালোকৰ হাতত অবাবত খৰচ কৰিবলৈ ইমান সময় আছেই যেতিয়া বুলেট ট্ৰেইন কিয় লাগেনো? বাদশ্বাহে বিভিন্ন ধৰণে বুলেট ট্ৰেইনৰ প্ৰয়োজনীয়তা দোহাৰি ক'লে যে বুলেট ট্ৰেইন এখন চলাই দিব পাৰিলে তাকে লে তেওঁৰ পাঁচটা বছৰ আৰামত চলি গ'লহেঁতেন। যেনেকৈ গাদীত বহিয়ে ৰাস্তাত দুবাৰমান ঝাডু চলাই দিয়াক লৈ তেওঁ দহটা বছৰ খাই থাকিব পাৰিছে। স্মাৰ্ট চিটী এশখন বনাই দিলেও তাৰ ফটোৰে চাৰি-পাঁচটা ইলেকছন আৰামত চলাই দিব পৰা গ'লহেঁতেন। চাইনাৰ এয়াৰপ'ৰ্টৰ ফটো আনি লক্ষ্ণৌৰ এয়াৰপ'ৰ্ট বুলি দেখুৱাই ইলেকছন জিকি আহিব পাৰিছে যেতিয়া নিজাকৈ এখন স্মাৰ্ট চিটী বনালে তাৰ ফটো ৱালত মাৰি মাৰি দিদি-দাদা সৱকে ওফৰাই পেলাব পৰা গ'লহেঁতেন। কিন্তু নাই! বাদশ্বাহে বনাব পৰা নাই। নোৱাৰাৰ বাবে বাদশ্বাহ অকণো জগৰীয়া নহয়। জগৰীয়া হ'ল সেই চিটীকেইখন। চিটীকেইখন নিজেই অকণো স্মাৰ্ট নহয়। এতিয়া ধৰক গুৱাহাটীখনৰ কথাই। সেইখনকনো কেনেকৈ স্মাৰ্ট বনাব? চিটীখনৰ নিজৰতো অলপ স্মাৰ্টনেছ থাকিব লাগিব। গুৱাহাটী মহানগৰীয়ে হৈ উঠিব পৰা নাই, হৈছে যদি মহ নগৰীহে হৈছে। দিনে-ৰাতিয়ে তেজ শুহি শুহি খোৱা মহবোৰৰ মহগিৰি সহ্য কৰি গুৱাহাটীয়াই প্ৰমাণ দি থাকিব লগা হৈছে যে তেওঁলোক কিমান তেজাল চিটিজেন। স্মাৰ্টনেছৰ নামত দোকানৰ স্পীড ফুডবোৰ খাই খাই বাৰে বাৰে গুৱাহাটীয়াই প্ৰমাণ দিব লগা হৈছে যে তেওঁলোক কিমান ভেজাল চিটিজেন। ৰাস্তাই ৰাস্তাই যান-জঁট সহি সহি তেওঁলোকে পদে পদে প্ৰমাণ দিব লগা হৈছে যে তেওঁলোক কিমান জটায়ু চিটিজেন। জাবৰ থ'বলৈ ডাষ্টবিন নাৰাখি এক নম্বৰ বা দুই নম্বৰৰ কাৰণে টয়লেটৰ ব্যৱস্থা নকৰি গুৱাহাটীয়াই খোজে খোজে প্ৰমাণ দিব লগা হৈছে তেওঁলোক কিমান জেব্ৰা চিটিজেন অথবা ভায়'লেট চিটিজেন। ভায়'লেট চিটিজেন মানে যিসকলে নীতি-নিয়ম ভায়'লেট কৰাটোকে মহানগৰীয়া হোৱাৰ আইডেনটিটী বুলি ভাবে।



সেই গুৱাহাটীখন হঠাতে স্মাৰ্ট চিটী বনি গ'ল কেনেকৈ? জধে-মধে নিৰ্মাণ পৰ্ব চলি থকা উৰণীয়া সেতুৰে উৰি উৰি যাব পৰা যাব কাৰণে নে ফুট ব্ৰীজত উঠি প্ৰেমালাপ কৰি কৰি প্ৰেমিকা প্ৰেমিকাক সৰ্বোচ্চ স্থান দিয়াৰ কাৰণে? নহয়! সেইবোৰ কাৰণ নহয়। সেইবোৰ কাৰণত এখন চিটী স্মাৰ্ট হ'ব নোৱাৰে। তেন্তে গুৱাহাটীখন কেনেকৈ স্মাৰ্ট হ'ল? কিয় স্মাৰ্ট নহ'ব বাৰু? তিনিখন নদী পাৰ হৈ গৈছে ইয়াৰ মাজেদি। বিশাল ব্ৰহ্মপুত্ৰও তাৰে এখন। চীনে বান্ধ বান্ধি কিছু পানী শুহি নিছে যদিও চাৰি-পাঁচখন চিটীয়ে খাব পৰাকৈ ইয়াত পানী আজিও মজুত আছে। তাৰ পাছতো মহানগৰবাসীয়ে তাৰ পৰা পানী আনি নাখায়। তাৰে নদীৰ পৰা কলহে কলহে পানী তুলি আনি খায় কোনে? গাঁৱৰ ঢেকেৰী সোপাইহে খায়। চিটীত থকা চিটিজেনবোৰে নাখায় নহয়। ডুবাই-নিউ য়ৰ্ক আদি স্মাৰ্ট চিটীবোৰত সৱেই পানী কিনি খায়। গতিকে গুৱাহাটীয়ায়ো গাড়ীয়ে গাড়ীয়ে পানী কিনি খাই প্ৰমাণ কৰি দিছে কিমান স্মাৰ্ট তেওঁলোক। গুৱাহাটীৰ তলি শুকাই গৈছে। তথাপি চিন্তা নাই। ৰজাঘৰে ঘোটে ঘোটে পানী খুৱাই আছে নহয়! তাৰেই চলি যাব।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*



'জাংগল বুক', 'বেব' আদি বহু চিনেমা বা কাৰ্টুনত জীৱ-জন্তুৰ মুখত মানুহৰ ভাষা ব্যৱহাৰ কৰা হৈছে। পৌৰাণিক কাহিনী বা সাধুতো আমি জীৱ-জন্তুৰে কথা কোৱা পাইছো। বাস্তৱত যদিও জীৱ-জন্তুৰে কথা ক'ব নোৱাৰে, তথাপি হয়তো অদূৰ ভৱিষ্যতে আমি জীৱ-জন্তুৰ ভাষা বুজি পাবলৈ সক্ষম হ'ম। কৃত্ৰিম বুদ্ধিমত্তাক কামত লগায়েই এই অসম্ভৱক সম্ভৱ কৰি তুলিছে বিজ্ঞানীসকলে।

# গাহৰিৰ ঘোঁট ঘোঁট শব্দ 'ডিকোড' কৰিলে বিজ্ঞানীয়ে

## অদূৰ ভৱিষ্যতেই জীৱ-জন্তুৰ ভাষা বুজি পোৱা সম্ভৱ হ'ব

**নিউজ ব্যুৰ'**
**ক'পেনহেগেন, ২১ মাৰ্চ ঃ** 'জাংগল বুক', 'বেব' আদি বহু চিনেমা বা কাৰ্টুনত জীৱ-জন্তুৰ মুখত মানুহৰ ভাষা ব্যৱহাৰ কৰা হৈছে। পৌৰাণিক কাহিনী বা সাধুতো আমি জীৱ-জন্তুৰে কথা কোৱা পাইছো। বাস্তৱত যদিও জীৱ-জন্তুৰে কথা ক'ব নোৱাৰে, তথাপি হয়তো অদূৰ ভৱিষ্যতে আমি জীৱ-জন্তুৰ ভাষা বুজি পাবলৈ সক্ষম হ'ম। কৃত্ৰিম বুদ্ধিমত্তাক কামত লগায়েই এই অসম্ভৱক সম্ভৱ কৰি তুলিছে বিজ্ঞানীসকলে। ইতিমধ্যেই আৰম্ভ হৈছে জীৱ-জন্তুৰ ভাষা 'ডিকোড' কৰাৰ প্ৰক্ৰিয়া। ইয়াৰ আৰম্ভণি হৈছে যিকোনো পৰীক্ষাতেই বিজ্ঞানীসকলে পছন্দ কৰা গাহৰিৰে। এক প্ৰকাৰৰ বিশেষ এলগ'ৰিডম ছফ্‌টৱেৰৰ ব্যৱহাৰ কৰি চাৰিশ গাহৰিৰ ভাষা নিৰ্ভুলভাৱে 'ডিকোড' কৰা হৈছে।

এই অসাধ্য সাধন কৰি সমগ্ৰ বিশ্বকে স্তম্ভিত কৰিছে ডেনমাৰ্কৰ এদল বিজ্ঞানীয়ে। 'কৃত্ৰিম বুদ্ধিমত্তা' বা 'আৰ্টিফিচিয়েল ইণ্টেলিজেন্স' নিৰ্ভৰ 'পগ ট্ৰেন্সলেটৰ' নামৰ যি এলগ'ৰিডম ছফ্‌টৱেৰ তৈয়াৰ কৰা হৈছে, সেই ছফ্‌টৱেৰে চাৰিশ গাহৰিৰ ১৪ শতাধিক অভিব্যক্তিসূচক শব্দৰ ৯৫ শতাংশ পৰ্যন্ত নিৰ্ভুলভাৱে বিশ্লেষণ কৰিবলৈ সক্ষম হৈছে। যাৰ ভিতৰত এফালে যিদৰে আছে তৃপ্ত আৰু আনন্দিত হোৱাৰ দৰে ইতিবাচক অভিব্যক্তি, আনফালে আছে কষ্ট আৰু ভোক লগাৰ দৰে নেতিবাচক অভিব্যক্তিও। জন্মৰ পৰা মৃত্যু পৰ্যন্ত এটা গাহৰিয়ে যি যি অভিব্যক্তিসূচক শব্দ কৰে, সেইবোৰ যন্ত্ৰৰ মাধ্যমেৰে পৰ্যবেক্ষণ আৰু বিশ্লেষণ সম্ভৱ বুলি কোৱা হৈছে ক'পেনহেগেন বিশ্ববিদ্যালয়ৰ এক গৱেষণাত। এই গৱেষণাৰ নেতৃত্বত থকা 'এনিমেল কমিউনিকেচন'ক লৈ কাম কৰা অধ্যাপক ড° এল'ডি ব্ৰিফাৰে কয়, 'এই এআই ট্ৰেন্সলেটৰক এপত পৰিণত কৰি পশুপালকসকলৰ কাষলৈ নিব পৰা হ'লে বিপ্লৱ আহিব পশুকল্যাণ, পশুপালনত।' এই সন্দৰ্ভত আন এজন প্ৰাণী বিজ্ঞানী-গৱেষকে মন্তব্য কৰিছে যে ইয়াক বাস্তৱত কামত লগাব পাৰিলে প্ৰাণী চিকিৎসা আৰু প্ৰাণী পালনলৈকো বিপ্লৱ আহিব। ইয়াৰ উপৰি গাহৰিৰ বাহিৰে আন প্ৰাণীতো এই অনুবাদক ছফ্‌টৱেৰৰ সফল প্ৰয়োগ সম্ভৱ হ'লে মানুহ আৰু প্ৰাণীৰ পাৰস্পৰিক সম্পৰ্কতো প্ৰভূত পৰিৱৰ্তন আহিব বুলি তেওঁ কয়।

বিজ্ঞানীসকলে জনাইছে যে আগন্তুক দিনত পশু-পক্ষীৰ হাঁহি-কান্দোন নিমিষতে 'ডিকোড' হৈ মানুহে বুজিব পৰা হ'ব। পশুপালন বা পোহনীয়া জীৱ-জন্তুৰ ক্ষেত্ৰত সিহঁতৰ শাৰীৰিক অৱস্থাইহে গুৰুত্ব লাভ কৰে। ইমানদিনে সিবোৰৰ মনৰ গতিপ্ৰকৃতি বিশ্লেষণ কৰি চোৱাৰ কোনো উপায় নাছিল। নতুন পদ্ধতিৰে ঘৰুৱা বা চিৰিয়াখানাত থকা পশু-পক্ষীৰ শাৰীৰিক সমস্যাৰ কথা জানিব পৰা হ'লে, পশু চিকিৎসকৰো ৰোগ নিৰ্ণয় তথা চিকিৎসাত অনেক সুবিধা হ'ব। সেইদৰে পশুপালকেও সঠিক সময়ত পোষ্য প্ৰাণীৰ চিকিৎসাৰ ব্যৱস্থা কৰিব পাৰিব। উল্লেখ্য যে ড° ব্ৰিফাৰৰ দলে সকলো মিলাই ৭,৪১৪টা গাহৰিৰ ঘোঁট ঘোঁট শব্দ বাণীবদ্ধ কৰিছে। ইয়াত কচাইখানা আৰু পশুপামত থকা গাহৰিৰ উপৰি গৱেষণাৰ বাবে প্ৰস্তুত এনক্ল'জাৰত ৰখা গাহৰিৰ ভইচ ছেম্পল বা শব্দৰ নমুনাও আছে। সকলোবোৰ নমুনা বিশ্লেষণ কৰোতেই ওলাই আহিছে আৰ্তনাদ, যন্ত্ৰণা, ক্ৰন্দন, আনন্দ-উচ্ছ্বাসৰ শব্দক্ষেপণৰ পাৰ্থক্য। মন কৰিবলগীয়া যে আৰ্তনাদৰ শব্দ অনেক তীক্ষ্ণ আৰু দীৰ্ঘস্থায়ী; কিন্তু আনন্দৰ মাত সৰু সৰু খণ্ডত বিভক্ত। প্ৰায় আমাৰ হাঁহি-কান্দোনৰ দৰেই।



হুনাৰ হাটত সংগীত পৰিৱেশন জনপ্ৰিয় গায়ক সুদেশ ৱাদেকাৰ।

# হাওৰাঘাটত চিবিএছইৰ পাঠ্যক্ৰমৰ জনজাতীয় চৰকাৰী বিদ্যালয়ৰ শিলান্যাস

## কেন্দ্ৰৰ ২৭ কোটিৰে পূৰ্ণগতিত নিৰ্মাণ

**অগ্ৰদূত বাৰ্তা**
**হাওৰাঘাট, ২১ মাৰ্চ ঃ** ২৭ কোটিটকীয়া এখন জনজাতীয় বিদ্যালয়ৰ কালি হাওৰাঘাটত আধাৰশিলা স্থাপন কৰা হয়। কাৰ্বি আংলং জিলাৰ ভিতৰতে প্ৰথমখন একলব্য মডেল আৱাসিক বিদ্যালয়ৰ শিলান্যাস কাৰ্যসূচীত উপস্থিত থাকে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং। হাওৰাঘাট শংকৰদেৱ বিদ্যা নিকেতন পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত এই শিলান্যাস কাৰ্যসূচীত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে ডিফু, হাওৰাঘাট আৰু বৈঠালাংছ' সমষ্টিৰ বিধায়ক বিদ্যাছিং ইংলেং, দৰছিং ৰংহাং আৰু ৰূপছিং টেৰনৰ লগতে স্বায়ত্তশাসিত পৰিষদৰ কে'বাজনো কাৰ্যবাহী সদস্য। শিলান্যাসৰ পাছত ছ'চাইটি সভাপতি লংকি ফাংচ'ৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। নিকেতন পৰিচালনা সমিতিৰ সম্পাদক কমল শইকীয়াই আঁত ধৰা সভাখনত আদৰণি ভাষণ আগবঢ়ায় ছ'চাইটিৰ সম্পাদক বিমল ধৰে। উক্ত সভাত মুখ্য অতিথিৰূপে অংশ লৈ তুলিৰাম ৰংহাঙে এনে ধৰমৰ বিদ্যালয়ৰ যথেষ্ট প্ৰয়োজন আছে বুলি কয়। ইয়াৰ যোগেদি শিশুৰ নৈতিক-আধ্যাত্মিক দিশতো যথেষ্ট টনকিয়াল হ'ব। তেওঁ পুনৰ কয় যে জিলাখনত আৰু চাৰিখন একলব্য মডেল আৱাসিক বিদ্যালয় খোলাৰ যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। শীঘ্ৰেই তাৰ কামো আৰম্ভ হ'ব।

APOLLO HOSPITALS CHENNAI
ORTHOPAEDIC SURGEON
ডাঃ এ নাভালাদি শংকৰ
APOLLO HOSPITALS INFORMATION CENTER
Contact : 8939232505, 8939232502

# তেজপুৰৰ ভূমিত লুকাই থকা প্ৰাচীন সমল উদ্ধাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২১ মাৰ্চ ঃ** বহু ঐতিহাসিক সমলৰে ভৰি থকা তেজপুৰৰ ভূমিত পোত গৈ থকা কিছুসংখ্যক ভাস্কৰ্য খচিত শিলাখণ্ডৰ উদ্ধাৰে নগৰখনৰ ঐতিহাসিক গুৰুত্বক পুনৰ এবাৰ প্ৰতিপন্ন কৰিছে। সম্প্ৰতি তেজপুৰৰ ইতিহাস প্ৰসিদ্ধ দপৰ্বতীয়াৰ মইনা চুবুৰি অঞ্চলত উদ্ধাৰ হৈছে বহু সংখ্যক পুৰাতাত্ত্বিক সমল। উল্লেখ্য যে ইতিমধ্যেই বৃহত্তৰ দপৰ্বতীয়া অঞ্চলৰ লগতে সমীপৱৰ্তী অঞ্চলত উদ্ধাৰ হৈছে বহুসংখ্যক পুৰাতাত্ত্বিক সমল। ইতিমধ্যেই ইয়াত পুৰাতত্ত্ব বিভাগে সংৰক্ষণ কৰা শৈল দ্বাৰ আৰু ইয়াত খোদিত গংগা-যমুনাৰ ভাস্কৰ্যকলৈ চৰ্চা হৈছে যদিও এই ঐতিহাসিক অঞ্চলটোৰ বহু অংশই এতিয়াও নীৰৱে সাৱটি আছে ইতিহাসৰ বহু সমল। শালস্তম্ভ বংশকে ধৰি গুপ্তযুগৰ পৰা আহোম ৰাজবংশৰ ৰাজত্ব কাললৈকে ইতিহাসৰ এক দীঘলীয়া সময়ৰ সাক্ষী তেজপুৰৰ দপৰ্বতীয়াৰ আশে-পাশেও উদ্ধাৰ হৈছে ঐতিহাসিকভাৱে অতিশয় গুৰুত্বপূৰ্ণ বৃহৎ অংশ। সমীপৰ তৰাজান কুমাৰ গাঁৱত উদ্ধাৰ হোৱা গড়দৌলো এনে একে পুৰাতাত্ত্বিক চানেকি। সম্প্ৰতি ৰাজ্য চৰকাৰে এই গড়দৌলক সংৰক্ষণৰ লগতে উন্নয়নৰ এক নব্য পৰিকল্পনা গ্ৰহণ কৰাৰ সময়তে পুনৰ দপৰ্বতীয়াৰ এখন পথাৰত ঐতিহাসিকভাৱে গুৰুত্ব থকা ২০ টাৰো অধিক শৈল ভাস্কৰ্যৰ উদ্ধাৰে অঞ্চলটোত এতিয়াও লুপ্ত অৱস্থাত থকা ঐতিহাসিক সমলৰ সন্দৰ্ভত আন এক ইংগিত বহন কৰিছে। উল্লেখ্য যে প্ৰয়াত মহেন্দ্ৰ কেওটৰ তিনি পুত্ৰ ৰাতুল কেওট, ৰূপম কেওট আৰু নিৰঞ্জন কেওটে মইনা চুবুৰিৰ দপথাৰত থকা তেওঁলোকৰ ম্যাদী পট্টাৰ ভূমিত সম্প্ৰতি এটা পুখুৰী খনন কৰাইছে। এই পুখুৰী খননৰ সময়তে ভূপৃষ্ঠৰ প্ৰায় তিনিফুট গভীৰতে উদ্ধাৰ হয় এই পুৰাতাত্ত্বিক সমলসমূহ। প্ৰথমে স্তম্ভ আকৃতিৰ একাধিক শৈলখণ্ড উদ্ধাৰ হোৱাৰ লগতে শিলৰে নিৰ্মিত খুঁটা আকৃতিৰ শিলো উদ্ধাৰ হয়। ক্ৰমান্বয়ে গভীৰলৈ খননৰ পাছতে সেই একে স্থানতে উদ্ধাৰ হয় ফুলৰ আকৃতি খোদিত শৈল খণ্ড। উল্লেখ্য যে প্ৰথম অৱস্থাত এনে শৈলখণ্ড উদ্ধাৰ হোৱাত বিভিন্নজনে নিজা কামত ব্যৱহাৰ কৰাৰ উদ্দেশ্যে সংগ্ৰহ কৰে যদিও ফুলৰ আকৃতি খোদিত ভাস্কৰ্য কেওঁট ভ্ৰাতৃসকলে নিজা ঘৰতে সংৰক্ষিত কৰি ৰাখিছে। একেলগে বিভিন্ন আকৃতিৰ প্ৰস্তৰ খণ্ডৰ লগতে শৈলভাস্কৰ্যৰ উদ্ধাৰে এয়া কোনো প্ৰাচীন ভৱনৰ ভগ্নাংশ বুলি ৰাইজে থাৱৰ কৰিছে। উল্লেখ্য যে তেজপুৰৰ হলেশ্বৰ, বৰপুখুৰীপাৰ, নামদেউৰী গাঁও, তৰাজান কুমাৰগাঁও, পৰ্বতীয়া, ঘৰপৰা চুবুৰি, ভোমোৰাগুৰি, পদুমপুখুৰীৰ আশে-পাশেও যোৱা সময়ছোৱাত এনে বহু প্ৰাচীন সমল তথা শৈল ভাস্কৰ্যৰ অৱশেষ উদ্ধাৰ কৰা হৈছিল। সম্প্ৰতি পুৰাতত্ত্ব বিভাগে তেজপুৰৰ বামুণী পাহাৰত তেজপুৰৰ বিভিন্ন অঞ্চলৰ পৰা উদ্ধাৰ হোৱা এনে বহু শিলাখণ্ড তথা ভাস্কৰ্য সংৰক্ষিত কৰি ৰাখিছে। একেদৰে তেজপুৰৰ সংগ্ৰহালয়তো ৰখা হৈছে এনে বহু মূল্যৱান সামগ্ৰী। উল্লেখ্য যে দপৰ্বতীয়াৰ শৈল দ্বাৰৰ স'তে সাদৃশ্য থকা কিন্তু তাতকৈ আকাৰত সৰু এখন দ্বাৰ ঘৰপৰা চুবুৰিৰ দৌলগুৰিটো উদ্ধাৰ কৰা হৈছিল আৰু এই অপূৰ্ব ভাস্কৰ্য খচিত দ্বাৰখন সম্প্ৰতি ইয়াতে থকা গোপাল গোসাঁই থানত সংৰক্ষিত হৈ আছে। শেহতীয়াকৈ দপৰ্বতীয়াত উদ্ধাৰ হোৱা প্ৰাচীন সমলসমূহৰ বিষয়ে পুৰাতত্ত্ব বিভাগ নতুবা বিষয়টোৰে জড়িত সংশ্লিষ্ট কৰ্তৃপক্ষক আনুষ্ঠানিকভাৱে জনোৱা হোৱা নাই যদিও ভূমিৰ গৰাকী তথা একাংশ সচেতন লোকে এই সমলসমূহৰ বিষয়ে এক পৰীক্ষাৰ লগতে ইয়াৰ ঐতিহাসিক তথ্য উদ্ধাৰ হোৱাটো উচিত বুলি মন্তব্য কৰিছে।

## পুখুৰী খান্দোতে ওলাল কাৰুকাৰ্যখচিত ধ্বংসাৱশেষ



# হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ নিৰ্দশন দাঙি ধৰিছে পুৰণিগুদাম প্ৰেছ ক্লাবৰ বিহু কৰ্মশালাই

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ মাৰ্চ ঃ** বসন্তৰ আগমনৰ লগে লগে ৰঙালী বিহুৰ বাবে ৰাজ্যৰ বিভিন্ন ঠাইত আৰম্ভ হৈছে প্ৰস্তুতি। বিহুৰ কৰ্মশালাৰ পৰা আৰম্ভ কৰি নৃত্য-ঢোল প্ৰশিক্ষণৰ বাবে এতিয়া ডেকা-গাভৰু, চেমনীয়াসকল ব্যস্ত হৈছে। ইয়াৰ মাজতে দৃষ্টি আকৰ্ষণ কৰিছে এখন বিশেষ কৰ্মশালাই। এই কৰ্মশালাখনত এপাক ককাঁল ঘূৰাই নাচিবলৈ ওলাই আহিছে কে'বাগৰাকীও মুছলমান যুৱতী। মৰ্চিকা, আৰ্জিনা, চাবিৰাৰ লগতে বহুকেইগৰাকীয়ে অযুত সপোন লৈ হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ উৎকৃষ্ট নিৰ্দশন দাঙি ধৰিবলৈ আগবাঢ়ি আহিছে। পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত আৰু হালোৱাগাওঁ আঞ্চলিক যুৱ মঞ্চৰ সহযোগত ভেৰভেৰী মজলীয়া বিদ্যালয় প্ৰাংগনত ৰাজু শইকীয়াৰ নেতৃত্বত অনুষ্ঠিত হৈ থকা কৰ্মশালাখনে সকলোৰ মাজত সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই আনিছে। এতিয়া দাঙি ধৰিছে হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ নিৰ্দশন। এই বিশেষ কৰ্মশালাখনৰ অন্তত অহা পহিলা ব'হাগত বাটৰ বিহু প্ৰদৰ্শন কৰা হ'ব বুলি পুৰণিগুদাম প্ৰেছ ক্লাবৰ সভাপতি তপন কটকী আৰু সম্পাদক শ্যামেন্দ্ৰ বৈৰাগীয়ে সদৰী কৰিছে। উল্লেখ্য যে নবপ্ৰজন্মৰ মাজত সাংস্কৃতিক জাগৰণ সৃষ্টিৰ লক্ষ্যৰে পুৰণিগুদাম প্ৰেছ ক্লাব আৰু ৰাজু শইকীয়াই হিন্দু-মুছলমানৰ ভেদাভেদৰ পৰিৱৰ্তে সম্প্ৰীতিৰ নিৰ্দশন দাঙি ধৰিবলৈ চেষ্টা কৰা প্ৰচেষ্টাক সকলোৱে আদৰি লৈছে। উল্লেখ্য যে ব'হাগ বিহুৰ উৰুকা পৰ্যন্ত অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাখনত বৃহত্তৰ অঞ্চলটোৰ শতাধিক কণ কণ শিশু আৰু যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিছে।

# ৰহমৰীয়া খাগৰি মাইজানত অগ্নিকাণ্ডত গৃহ ভস্মীভূত

**অগ্ৰদূত বাৰ্তা**
**চাবুৱা, ২১ মাৰ্চ ঃ** চাবুৱাৰ ৰহমৰীয়াত খাগৰিজান মাইজানত আজি পুৱা ১১ বজাত এটা বাসগৃহ ভস্মীভূত হয়। সুপিল দত্ত নামৰ লোকজনৰ বাসগৃহটো জুইত জাহ যায়। দত্তৰ সন্তান এটিয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ আছিল আৰু ঘৰটোত থকা ছাত্ৰজনৰ কিতাপ ভস্মীভূত হয়। এই ঘটনাৰ কাৰণ জানিব পৰা নাই যদিও দত্তই আজি খেতিপথাৰত কাম কৰিবলৈ গৈছিল। ৰহমৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ এগৰাকী আশাকৰ্মীৰূপে নিয়োজিত দত্তৰ পত্নী বীনা দত্তই গাঁৱলৈ ৰাজহুৱা কামত ওলাই গৈছিল। ৰাইজে জুই নিৰ্বাপিত কৰিবলৈ চেষ্টা চলায় যদিও ঘৰটো ভস্মীভূত হয়। ঘৰৰ আচবাব, কাপোৰ-কানি, ধান, চাউলৰ লগতে গাঁওখনৰ শিশু-মহিলাৰ স্বাস্থ্য বিভাগৰ হেজাৰ হেজাৰ গুৰুত্বপূৰ্ণ নথিপত্ৰও নষ্ট হয়।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com